BPS S6 02 (M)
Exam Code: PSM6B

ৰাজনৈতিক চিন্তাবিদসকল

ষষ্ঠ ষান্মসিক

ৰাজনীতি বিজ্ঞান

খণ্ড ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শান্তনু চক্রৱর্ত্তী, কটন বিশ্ববিদ্যালয়
ড° ধ্রুবপ্রতীম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী

ড° বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৱিহণা যোগাইছে	ভাষান্তৰকাৰী
১০ আৰু ১১	ইন্দ্রাণী চৌধুৰী মহন্ত দিচপুৰ মহাবিদ্যালয়, গুৱাহাটী	জোনালী ৱাভা (অধ্যায় ১০, ১১) e-governance Cell,
১২ আৰু ১৩	ড° মানসী শর্মা, আর্য বিদ্যাপীঠ, মহাবিদ্যালয়, গুৱাহাটী	গীতাঞ্জলী মেধি, কৃ.কা.স.ৱা.মু.বি.
১৪	ড° মানসী শর্মা, আর্য বিদ্যাপীঠ, মহাবিদ্যালয়, গুৱাহাটী ড° বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গীতাঞ্জলী মেধি, কৃ.কা.স.ৱা.মু.বি.
১৫	বর্ণালী কলিতা গৱেষক ছাত্রী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গীতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ ড° নিভা ৱাণী ফূকন, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ পেচিফিক্ লেজাৰ প্রিণ্টচ্, গণেশগুৰি, গুৱাহাটী - ৭৮১০০৬

প্রথম প্রকাশঃ অক্টোবৰ, ২০১৯

ISBN : 978-93-89559-44-6

© কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব। কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬
Web : www.kkhsou.org

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১০ ঃ মনু ১১৩-১২৪

মনু আৰু মনুস্মৃতি; সামাজিক সংগঠন অথবা সামাজিক শৃংখলা বিষয়ক দৃষ্টিভংগী ৰজা আৰু ৰজাৰ কর্তব্য বিষয়ক দৃষ্টিভংগী, দণ্ড অথবা বলপ্রয়োগকাৰী কর্তৃপক্ষৰ তত্ত্ব, ন্যায় প্রদান বিষয়ক দৃষ্টিভংগী, চৰকাৰ বিষয়ক তত্ত্ব, আন্তঃৰাজ্যিক সম্পর্ক আৰু বৈদেশিক নীতি বিষয়ক দৃষ্টিভংগী

অধ্যায় ১১ ঃ কৌটিল্য ১২৫-১৩৪

কৌটিল্য আৰু অর্থশাস্ত্র,ৰাষ্ট্র পৰিচালনাৰ তত্ত্ব, চৰকাৰ সম্পর্কীয় দৃষ্টিভংগী, ৰাষ্ট্র পৰিচালনাৰ নীতি বিষয়ক দৃষ্টিভংগী, আন্তঃৰাজ্যিক সম্পর্ক আৰু বৈদেশিক নীতি বিষয়ক দৃষ্টিভংগী

অধ্যায় ১২ ঃ মহাত্মা গান্ধী ১৩৫-১৪৬

অহিংসা নীতি বিষয়ক দৃষ্টিভংগী, সত্যাগ্রহ বিষয়ক দৃষ্টিভংগী, স্বদেশী বিষয়ক দৃষ্টিভংগী, ৰাষ্ট্র বিষয়ক দৃষ্টিভংগী, অর্থনীতি বিষয়ক দৃষ্টিভংগী, ধর্ম আৰু ৰাজনীতি বিষয়ক দৃষ্টিভংগী

অধ্যায় ১৩ ঃ জৰাহৰলাল নেহৰু ১৪৭-১৫৮

জাতীয়তাবাদ বিষয়ক দৃষ্টিভংগী, কল্যাণকামী ৰাষ্ট্র আৰু মিশ্র অর্থনীতি বিষয়ক দৃষ্টিভংগী, ধর্মনিৰপেক্ষতা সম্পর্কীয় দৃষ্টিভংগী, গণতন্ত্র বিষয়ক দৃষ্টিভংগী, আন্তঃৰাষ্ট্রীয়তাবাদ বিষয়ক দৃষ্টিভংগী

অধ্যায় ১৪ ঃ ড° বি. আৰ. আম্বেদকাৰ ১৫৯-১৭০

জাতিভেদ ব্যৱস্থা আৰু অস্পৃশ্যতাৰ দৰে কু-প্রথাৰ বিৰোধিতা, নাৰী অধিকাৰৰ পৃষ্ঠপোষক ৰূপে আম্বেদকাৰ, ধর্ম বিষয়ক দৃষ্টিভংগী, সামাজিক ন্যায়ৰ পৃষ্ঠপোষকতা, মানৱ অধিকাৰৰ পৃষ্ঠপোষকতা, এগৰাকী জাতীয়তাবাদীৰ ৰূপত আম্বেদকাৰ, গণতন্ত্র বিষয়ক দৃষ্টিভংগী

অধ্যায় ১৫ ঃ আচার্য বিনোভা ভাৱে আৰু জে.পি.নাৰায়ণ ১৭১-১৮৪

আচার্য বিনোভা ভাৱে ঃ সর্বোদয় বিষয়ক দৃষ্টিভংগী, ভূদান আৰু গ্রামদান আন্দোলন; জে.পি. নাৰায়ণঃ সমাজবাদৰ তত্ত্ব, সম্পূর্ণ বিপ্লৱ

পাঠ্যবিষয়ৰ পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ ষষ্ঠ যাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় অথবা কাকতখনৰ এইটো হ'ল দ্বিতীয় খণ্ড। পাঠ্যবিষয়ৰ শিৰোনাম হ'ল "ৰাজনৈতিক চিন্তাবিদসকল'। পাঠ্যবিষয়ৰ এই দ্বিতীয় খণ্ডটিত মুঠ ছটা অধ্যায় (অধ্যায় ১০ ৰ পৰা ১৫)সন্নিৱিষ্ট কৰা হৈছে।

ৰাজনৈতিক চিন্তা সম্পর্কে বিস্তৃত জ্ঞান আহৰণ কৰিবলৈ আমি কেইগৰাকীমান প্রখ্যাত ৰাজনৈতিক চিন্তাবিদৰ দৃষ্টিভংগী আৰু ধাৰণাসমূহৰ বিষয়ে জনা উচিত। সেয়েহে এই পাঠ্যবিষয়ৰ দশম আৰু একাদশ অধ্যায়ত শিক্ষার্থীসকলক প্রাচীন ভাৰতৰ দুগৰাকী মহান চিন্তাবিদ মনু আৰু কৌটিল্যৰ ৰাজনৈতিক চিন্তাৰ সৈতে পৰিচয় কৰাই দিয়াৰ প্রয়াস চলোৱা হৈছে। দুয়ো গৰাকীয়েই ৰাষ্ট্র আৰু চৰকাৰৰ সৈতে জড়িত বিভিন্ন দিশৰ তাৎপর্যপূর্ণ ব্যাখ্যা আগবঢ়াই থৈ গৈছে।

পাঠ্যবিষয়ৰ দ্বাদশ আৰু ত্রয়োদশ অধ্যায় দুটা পঢ়ি শিক্ষার্থীসকলে আধুনিক যুগৰ দুগৰাকী অগ্রণী নেতা মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুৰ ৰাজনৈতিক দৃষ্টিভংগী আৰু মতামত সম্পর্কে অৱগত হ'ব পাৰিব। সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্রকেইখনক সামৰি লোৱা তেওঁলোকৰ চিন্তা আৰু ধাৰণাবোৰে ভাৰতীয় ৰাজনৈতিক পৰম্পৰা আৰু চিন্তা জগতত তাৎপর্যপূর্ণ প্রভাৱ পেলাইছে। চতুর্দশ অধ্যায়ত আলোচনাৰ বাবে বাছি লোৱা আনগৰাকী আধুনিক যুগৰ ভাৰতীয় চিন্তাবিদ হ'ল ড° বি.আৰ. আম্বেদকাৰ আৰু তেওঁৰ দৃষ্টিভংগীসমূহ। পঞ্চদশ তথা অন্তিম অধ্যায়টিত আচার্য বিনোভা ভাৱে আৰু জে.পি.নাৰায়ণৰ দৃষ্টিভংগী তথা ধাৰণাবোৰ আলোচনা কৰা হৈছে। আচার্য ভাৱেৰ সর্বোদয় বিষয়ক দৃষ্টিভংগী তথা ভূদান আৰু গ্রামদান আন্দোলনৰ লগতে জে.পি. নাৰায়ণৰ সমাজবাদৰ ধাৰণা আৰু সম্পূর্ণ বিপ্লৱৰ ধাৰণা দুটা অধ্যায়টিত বিশ্লেষণ কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক' সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১০ ঃ মনু

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ মনুৰ ৰাজনৈতিক চিন্তা

১০.৩.১ মনু আৰু মনুস্মৃতি

১০.৩.২ সামাজিক শৃংখলা সম্পৰ্কে মনুৰ ধাৰণা

১০.৩.৩ ৰজা আৰু ৰজাৰ কৰ্তব্য সম্পৰ্কে ধাৰণা

১০.৩.৪ দণ্ড অথবা শক্তি প্ৰয়োগকাৰী কৰ্তৃত্বৰ তত্ত্ব

১০.৩.৫ ন্যায়িক প্ৰশাসনৰ বিষয়ে ধাৰণা

১০.৩.৬ মনুৰ চৰকাৰৰ তত্ত্ব

১০.৩.৭ আন্তঃপ্ৰাদেশিক সম্পৰ্ক আৰু বৈদেশিক নীতি সন্দৰ্ভত মনুৰ ধাৰণা

১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৫ অধিক জানিবলৈ

১০.৬ অগ্ৰগতিৰ খতিয়ান

১০.৭ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- ৰজা আৰু ৰজাৰ কৰ্তব্য সম্পৰ্কে মনুৰ ধাৰণা আলোচনা কৰিব পাৰিব
- চৰকাৰ আৰু ইয়াৰ কাৰ্য নীতি তথা মূলনীতি সম্পৰ্কে মনুৰ ধাৰণা পৰীক্ষা কৰিব পাৰিব
- শক্তি প্ৰয়োগকাৰী কৰ্তৃত্ব আৰু ন্যায়িক প্ৰশাসন সন্দৰ্ভত থকা মনুৰ ধাৰণা বিশ্লেষণ কৰিব পাৰিব
- আন্তঃপ্ৰাদেশিক সম্পৰ্ক আৰু বৈদেশিক নীতি সন্দৰ্ভত মনুৰ ধাৰণা আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

ভাৰতীয় ৰাজনৈতিক চিন্তা জগতত মনু আৰু কৌটিল্যই অতি গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। প্ৰাচীন ভাৰতৰ এই দুগৰাকী মহান চিন্তাবিদে ভাৰতীয় ৰাজনৈতিক চিন্তাৰ

বিকাশ আৰু সমৃদ্ধিত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। কেৱল ৰাজনীতিয়েই নহয়, এই দুগৰাকী স্বনামধন্য চিন্তাবিদে সমসাময়িক সমাজৰ মানুহৰ জীৱনত প্ৰভাৱ পেলোৱা প্ৰায় সকলো দিশতে নিজস্ব মতামত আৰু পৰামৰ্শৰ বহুমূলীয়া বৰঙণি আগবঢ়াই থৈ গৈছে। মহান ভাৰতীয় ঋষি মনুক মানৱ সভ্যতাৰ প্ৰাচীনতম আইন প্ৰস্তুতকাৰী বুলি গণ্য কৰা হয়।

১০.৩ মনুৰ ৰাজনৈতিক চিন্তা

প্ৰাচীন ভাৰতৰ মানুহ, সমাজ, ৰাষ্ট্ৰ, চৰকাৰ আৰু অৰ্থনীতি বিষয়ৰ মৌলিক দৰ্শনৰ স্ৰষ্টা হ'ল মহান ভাৰতীয় ৰাজনৈতিক দাৰ্শনিক মনু। সেয়েহে, মনুক প্ৰাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাৰ পিতৃ বুলি অভিহিত কৰা হয়। দৰাচলতে পৌৰাণিকভাৱে মনুক মানৱ জাতিৰ পিতৃ আৰু প্ৰথমগৰাকী আইন প্ৰণয়নকাৰী বুলি কোৱা হয়। তলৰ শাখা সমুহত আমি ৰাজনৈতিক চিন্তাৰ বিকাশত মনুৰ অৱদান সম্পৰ্কে আলোচনা কৰিম।

১০.৩.১ মনু আৰু মনুস্মৃতি

মনুৰ দ্বাৰা ৰচিত *মনুস্মৃতি* হ'ল ৰাষ্ট্ৰ, চৰকাৰ, ৰজা, মন্ত্ৰী পৰিষদ, বৈদেশিক নীতি, অৰ্থনীতি আৰু প্ৰাচীন ভাৰতৰ সামৰিক নীতিৰ সৈতে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সম্বলিত সবাতোকৈ উল্লেখযোগ্য প্ৰাচীনতম শাস্ত্ৰ। মনুৰ সবাতোকৈ মহান বৰঙণি হ'ল আইনক ধৰ্ম হিচাপে বিবেচনা কৰাৰ ধাৰণাটো। মনুৰ সবাতোকৈ উল্লেখযোগ্য আৰু অনন্য গ্ৰন্থখন হ'ল *মনুস্মৃতি*। মনুস্মৃতিত মুঠ ১২টা অধ্যায় আছে। অধ্যায়বোৰত মানৱ জাতিৰ সৃষ্টি, সমাজ, ধৰ্ম, অৰ্থনীতি আৰু প্ৰাচীন ভাৰতৰ ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াৰ বিষয়ে বিস্তৃত বিৱৰণ আছে।

১০.৩.২ সামাজিক শৃংখলা সম্পৰ্কে মনুৰ ধাৰণা

মনুৱে সামাজিক শৃংখলা সম্পৰ্কে তেওঁৰ ধাৰণা *মনুস্মৃতিত* ব্যক্ত কৰিছে। তেওঁ মানুহক চাৰিটা ভিন্ ভিন্ জাতি বা বৰ্ণত ভগাই এক সামাজিক শৃংখলা গঠনৰ পৰামৰ্শ আগবঢ়াইছিল। মনুৰ মতে মানুহৰ বৰ্ণকেইটা হ'ল— ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। মনুৰ মতে ভগৱানে সমাজখন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে এই চাৰি বৰ্ণৰ মানুহ সৃষ্টি কৰিছে। মনুই আগবঢ়োৱা সামাজিক শৃংখলা মতে মানুহে নিজ নিজ বৰ্ণ অনুসৰি কাম-কাজ আৰু দায়িত্ব পালন কৰে। আন অৰ্থত মনুৱে কৰ্মভিত্তিক বিশেষ ব্যুৎপত্তি আৰু শ্ৰমৰ শ্ৰেণীবিভাজনৰ কথা কৈছিল। তেওঁ এই শৃংখলাটোৰ নাম দিছিল বৰ্ণাশ্ৰম ধৰ্ম (Varnashrama Dharma)। সমাজৰ চাৰিওটা বৰ্ণৰে একোটাকৈ বিশেষ আৰোপিত গুণ আছিল। যেনে— ব্ৰাহ্মণসকল আছিল 'সত্ব'ৰ প্ৰতিনিধি। 'সত্ব' মানে হ'ল জ্ঞান।

সেয়েহে তেওঁলোকৰ কাম আছিল অধ্যয়নৰ জৰিয়তে জ্ঞান আহৰণ কৰা। ৰজা আৰু সৈন্য-সামন্তৰে ক্ষত্রিয় বর্ণটো গঠিত হৈছিল। তেওঁলোকে ক্ষমতা আৰু শাৰীৰিক শক্তিক প্রতিনিধিত্ব কৰিছিল। তেওঁলোকৰ প্রধান কাম আছিল ৰাষ্ট্র, ৰজা আৰু প্রজাক সুৰক্ষা প্রদান কৰা। বৈশ্য আৰু শূদ্রসকলে তামসিক গুণৰ প্রতিনিধিত্ব কৰিছিল। ইয়াৰ অর্থ হ'ল বৈষয়িক সন্তুষ্টি। এই বর্ণ দুটাই বৈষয়িক লাভালাভ অর্জনৰ বাবে চেষ্টা কৰিছিল আৰু কঠোৰ শ্রম কৰিছিল। মনুৱে তেওঁৰ সামাজিক শৃংখলা সম্পর্কীয় ধাৰণাৰ জৰিয়তে ব্রাহ্মণসকলক সমাজত সর্বোচ্চ আৰু শূদ্রসকলক সর্বনিম্ন স্থান প্রদান কৰিছিল।

সামাজিক শৃংখলাৰ বিষয়ে নিজৰ মতামত আলোচনা কৰাৰ সময়ত মনুৱে কৈছিল যে জীৱনৰ চাৰিটা উদ্দেশ্য (ends) আছে— ধর্ম (ধর্মপৰায়ণতা), অর্থ (সম্পত্তি), কাম (কামনা-বাসনা আৰু সন্তুষ্টি) আৰু মোক্ষ (নির্বাণ)। মনুৱে প্রতিগৰাকী ব্যক্তিৰ আয়ুস এশ বছৰ ধৰিছিল আৰু এই আয়ুসক চাৰি ভাগত ভগাই চাৰিটা পর্যায় অথবা চাৰিখন আশ্রমৰ অধীন কৰিছিল। এই চাৰিটা পর্যায় অথবা আশ্রম হ'ল— ব্রহ্মচার্য, গার্হস্থ্য, বানপ্রস্থ আৰু সন্যাস। জীৱনৰ প্রথম পর্যায় ব্রহ্মচার্যৰ কালছোৱাত মানুহে সংযমী (অবিবাহিত হৈ) জীৱন-যাপন কৰি জ্ঞান আহৰণ কৰিছিল। তাৰ পিছত মানুহ বিবাহপাশত আৱদ্ধ হৈ গার্হস্থ্য পর্যায়ত প্রৱেশ কৰিছিল। গার্হস্থ্য পর্যায়ৰ পিছত মানুহ বানপ্রস্থ পর্যায়ত প্রৱেশ কৰিছিল। এই পর্যায়ত মানুহে পার্থিৱ জীৱন ত্যাগ কৰি ঘৰৰ পৰা গৈ হাবি-বনত বাস কৰিছিল আৰু ধ্যানত মগ্ন হৈছিল। শেষ পর্যায়ত মানুহে সন্যাস গ্রহণ কৰি পার্থিৱ লাভ আৰু আকাংক্ষাৰ পৰা মুক্ত হৈ শুদ্ধ শৰীৰ আৰু মনৰ গৰাকী হৈছিল।

মনুৱে আগবঢ়োৱা সামাজিক শৃংখলাটোৰ আধাৰ আছিল শ্রমৰ বিভাজন। তেওঁ নিম্ন বর্ণৰ মানুহক উচ্চ বর্ণৰ মানুহৰ বৃত্তি ল'বলৈ বাৰণ কৰিছিল। মনুৱে বিশ্বাস কৰিছিল যে অইনৰ কর্তব্য ত্রুটিপূর্ণভাৱে কৰাতকৈ নিজৰ কর্তব্য নিখুঁতভাৱে কৰাটো উত্তম। সমাজত নাৰীৰ স্থান সম্পর্কত মনুৰ দৃষ্টিভংগী মতে নাৰীৰ হাতত বিশাল দায়িত্বভাৰ অর্পণ কৰা হৈছে যদিও এই দায়িত্ব ঘৰৰ চাৰিসীমাৰ ভিতৰতে সীমাবদ্ধ। তেওঁ সমাজত নাৰীক স্বাধীনতা উপভোগৰ সুযোগ দিয়াৰ পক্ষপাতী নাছিল। অৱশ্যে নাৰীৰ উচিত যত্ন ল'ব লাগে বুলি মনুৱে মত প্রকাশ কৰিছিল।

সামাজিক শৃংখলা সম্পর্কে মনুৰ ধাৰণাক বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হয়। ইয়াৰে দুটামান সমালোচনা তলত উল্লেখ কৰা হ'ল—

- সামাজিক শৃংখলা সম্পর্কে মনুৱে আগবঢ়োৱা ধাৰণাই মানুহৰ মাজত গুৰুতৰ অসমতাৰ সৃষ্টি কৰিছিল। তেওঁৰ মানুহক বিভিন্ন বর্ণত ভাগ কৰা পদ্ধতিয়ে সামাজিক অসমতা আৰু অন্যায়ৰ সৃষ্টি কৰিব পাৰে।

- সামাজিক শৃংখলা সম্পর্কে মনুৰে আগবঢ়োৱা ধাৰণাত নাৰীক সমাজত নিম্নস্থান দিয়া হৈছে বুলিও সমালোচনা কৰা হয়। নাৰীক স্বাধীনতা দিবলৈ অস্বীকাৰ কৰি মনুৰে তেওঁলোকক পুৰুষৰ তলতীয়া কৰি পেলাইছিল।

১০.৩.৩ ৰজা আৰু ৰজাৰ কর্তব্য সম্পর্কে মনুৰ ধাৰণা

ৰজা আৰু ৰজাৰ কর্তব্য সম্পর্কে মনুৰ ধাৰণা *মনুস্মৃতিত* লিপিবদ্ধ কৰা আছে। মনুৰ মতে ৰজা নামৰ অনুষ্ঠানটোৰ স্রষ্টা হ'ল ঈশ্বৰ। যম, ইন্দ্র, বৰুণ আৰু কুবেৰৰ দৰে ভগৱানৰ ঐশ্বৰিক অংশৰ দ্বাৰা ৰজাৰ সৃষ্টি হয়। মনুৰ মতে অনৈক্য, অবিশ্বাস আৰু দ্বন্দ্ব-খৰিয়ালৰ পৰিবেশৰ পৰা মানুহক ৰক্ষা আৰু সহায় কৰিবলৈ ভগৱান ব্রহ্মাই ৰজাৰ সৃষ্টি কৰিছিল। মনুৰে কৈছে যে ৰজা সমাজৰ সর্বোচ্চ ক্ষমতাৰ অধিকাৰী। ৰজাৰ আদেশ আৰু কর্তৃত্ব সকলোৰে মানি চলিব লাগে কাৰণ ৰজাই ঈশ্বৰৰ নির্দেশ অনুসৰি কাম কৰে। *মনুস্মৃতিত* ইয়াকো কোৱা হৈছে যে আনকি এজন নাবালক ৰজাকো কোনেও অসন্মান কৰিব নালাগে। ৰজাৰ বাক্যক আইন বুলি মনা উচিত। *মনুস্মৃতিৰ* এই মতামত প্রাচীন ধর্মশাস্ত্রবোৰৰ বিপৰীত। প্রাচীন ধর্মশাস্ত্রবোৰে ব্রাহ্মণসকলৰ তুলনাত ৰজাক নিম্নস্থান দিছিল। এইখিনিতে এটা উল্লেখযোগ্য কথা হ'ল এয়ে যে মনুৰে ৰজাৰ মহান গুণৰাজি আৰু বেদজ্ঞানৰ ওপৰত অধিক জোৰ দিছিল। মনুৰ মতে ৰজাৰ গাত থাকিবলগীয়া গুণ দুটামান হ'ল— ৰজা সুপ্রশিক্ষণপ্রাপ্ত, নিয়মানুৱর্তী আৰু আত্মসংযমী হ'ব লাগে।

ৰজাৰ কর্তব্য ব্যাখ্যা কৰি মনুৰে কৈছে যে ৰজা এজনে 'সকলো মানুহৰ প্রতি পিতৃৰ দৰে আচৰণ কৰিব লাগে' আৰু সকলোকে সন্তুষ্ট কৰিব লাগে। ৰজাই প্রজাৰ সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক জীৱন নিয়ন্ত্রণ কৰিব লাগে। ৰজাই প্রজাক সকলো সম্ভাব্য বৈদেশিক আগ্রাসনৰ পৰা ৰক্ষা কৰিব লাগে। দেশৰ চাৰি সীমাৰ ভিতৰত আইন-শৃংখলা বর্তাই ৰখাটোও ৰজাৰ কর্তব্য। তেওঁ নিজৰ দেশখন চোৰ-ডকাইতৰ পৰা মুক্ত কৰি ৰাখিব লাগে আৰু প্রজাৰ জীৱন তথা ব্যক্তিগত সম্পত্তি সুৰক্ষিত কৰি ৰাখিব লাগে। ৰজাই জনসম্প্রদায়ৰ অর্থনৈতিক জীৱনো নিয়ন্ত্রণ কৰিব লাগে। ৰজাৰ অর্থনৈতিক কর্তব্য সম্পর্কে মনুৰ ধাৰণা হ'ল— ৰজাই পণ্য সামগ্রীৰ মূল্য নিয়ন্ত্রণ কৰা উচিত, ব্যৱসায়-বাণিজ্য আৰু কৃষিক উদ্‌গণি যোগোৱা উচিত আৰু ৰাষ্ট্রলৈ অহা ব্যৱসায়ী-বণিকক সুৰক্ষা প্রদান কৰিব লাগে। মনুৰ মতে ৰজাৰ সবাতোকৈ গুৰুত্বপূর্ণ কর্তব্যটো হ'ল সকলো ধৰণৰ সম্ভাব্য অন্যায়-অনিয়মৰ পৰা প্রজাক ৰক্ষা কৰা। সেয়েহে মনুৰে কৈছিল যে এই সমস্যাজর্জৰ পৃথিৱীত নিয়মানুৱর্তিতা আৰু শৃংখলা স্থাপন কৰিবলৈ ভগৱানে ৰজাৰ সৃষ্টি কৰিছিল। সকলো বৃত্তিৰ লোকেই

ৰাষ্ট্ৰৰ তদাৰকৰ অধীন হ'ব লাগে। মনুৰ মতে ৰজাই ৰক্ষক আৰু শাস্তি প্ৰদানকাৰী দুয়োটাৰে ভূমিকা পালন কৰিব লাগে। প্ৰজাক সকলো ধৰণৰ সংঘাত আৰু সমস্যাৰ পৰা ৰক্ষা কৰা তথা প্ৰজাৰ কল্যাণৰ পৃষ্ঠপোষকতা কৰা হ'ল ৰজাৰ কৰ্তব্য। এই কৰ্তব্যবোৰ সুচাৰুৰূপে পালন কৰিবলৈ ৰজা এগৰাকী জ্ঞানী, ন্যায়পৰায়ণ, বিনম্ৰ তথা সন্তুষ্ট, কামনা-বাসনা আৰু সম্পত্তিৰ পৰা সৃষ্ট সকলো ধৰণৰ বদ্‌গুণৰ পৰা মুক্ত হ'ব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ *মনুস্মৃতিত* মুঠ ..... টা অধ্যায় আছে। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন ২ ঃ মনুৱে মানুহক কিমানটা জাতিত বিভক্ত কৰিছে?

.....

.....

প্ৰশ্ন ৩ ঃ মনুৱে ৰাষ্ট্ৰৰ ঐশ্বৰিক উৎপত্তিত বিশ্বাস কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

১০.৩.৪ দণ্ড অথবা শক্তি প্ৰয়োগকাৰী কৰ্তৃত্বৰ তত্ত্ব

দণ্ড অথবা শক্তি প্ৰয়োগকাৰী কৰ্তৃত্বৰ তত্ত্বটো হ'ল মনুৰ দ্বাৰা সৃষ্ট আন এক গুৰুত্বপূৰ্ণ ধাৰণা। দণ্ড মানে হ'ল শাস্তি। ৰজাৰ সৰ্বোচ্চ কৰ্তৃত্বক ন্যায্যতা প্ৰদান কৰিবলৈকে মনুৱে দণ্ডৰ সূত্ৰটো উল্লেখ কৰিছিল। মনুৱে জোৰ দি কৈছিল যে ব্যক্তিগত সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সামাজিক শৃংখলা বৰ্তাই ৰাখিবলৈ দণ্ডৰ প্ৰয়োজনীয়তা আছে। মনুৰ মতে দণ্ডৰ আধাৰতে ৰজাই ৰাজ্য শাসন কৰা উচিত। ই তেওঁক প্ৰজা আৰু আইন (ধৰ্ম) উভয়কে ৰক্ষা কৰাত সহায় কৰিব। মনুৰ মতে দণ্ডৰ সৈতে সদায় আইন জড়িত থাকিব লাগে। দণ্ডৰ ভয়ে মানুহক শুদ্ধ পথেৰে চলিবলৈ বাধ্য কৰাব পাৰে। মনুৱে বিশ্বাস কৰিছিল যে দণ্ডৰ সহায়ত মানুহক নিজৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে সজাগ কৰি তুলিব পৰা যায়। ৰজা হ'ল দণ্ড বলবৎকাৰী কৰ্তৃত্ব। ব্যক্তিগত সুৰক্ষা সুনিশ্চিত কৰাত ৰজাৰ দণ্ড প্ৰয়োগৰ পন্থাই মুখ্য ভূমিকা পালন কৰে। সেয়েহে সত্যবাদিতা, জ্ঞান আদিৰ দৰে সদ্‌গুণবোৰে এগৰাকী ৰজাক প্ৰজাৰ ওপৰত দণ্ড প্ৰয়োগ কৰাৰ যোগ্যতা প্ৰদান কৰে। মনুৱে কৈছে যে ৰজাই প্ৰয়োগ কৰা দণ্ডৰ সৈতে যুক্তিযুক্ততা, জ্ঞান আৰু সত্যবাদিতা আদি যুক্ত হৈ থাকিলে

ই ধর্ম অথবা আইনৰ সমান হয়।

১০.৩.৫ ন্যায়িক প্রশাসনৰ বিষয়ে ধাৰণা

মনুৱে সমাজত সর্বাত্মক ন্যায় বিৰাজ কৰা কথাটো সমর্থন কৰিছিল। তেওঁৰ মতে ৰজা অত্যন্ত সুস্থিৰ আৰু নিৰপেক্ষ হ'ব লাগে, তেতিয়াহে ৰজাই ৰাজ্যত ন্যায় প্রতিষ্ঠা কৰিব পাৰিব। মনুৱে ইয়াকো কৈছিল যে ৰজাই নিজে ন্যায়িক আদালতৰ সভাপতিত্ব কৰিব লাগে। ন্যায় প্রদানৰ সময়ত জ্ঞানী ব্রাহ্মণ আৰু বিজ্ঞ মন্ত্রী পৰিষদে ৰজাক সহায় কৰিব লাগে। ৰজাই সদায় মন্ত্রী পৰিষদৰ মতামতক সন্মান জনাব আৰু অনুসৰণ কৰিব লাগে। যদিও এখন ৰাজ্যত ৰজাই সর্বেসর্বা আৰু সকলো ধৰণৰ সিদ্ধান্ত কার্যকৰী কৰাৰ ক্ষমতা তেওঁৰ ওপৰতে ন্যস্ত থাকে, তথাপিও তেওঁ মন্ত্রী-পৰিষদৰ সৈতে আলোচনা কৰিহে সিদ্ধান্ত ল'ব লাগে। ৰজাৰ অনুপস্থিতিত এগৰাকী বিজ্ঞ ব্রাহ্মণক ন্যায়াধীশ পাতিব লাগে। ৰজাই যদিও ন্যায় কার্যকৰীকর্তাৰ ভূমিকা পালন কৰিব লাগে, তথাপিও মনুৰ মতে ৰজাও কেতিয়াবা জৰিমণাৰ যোগ্য হ'ব পাৰে। মনুৱে বিশ্বাস কৰিছিল যে ৰজাৰ জৰিমনা সাধাৰণ প্রজাতকৈ হাজাৰ গুণ অধিক হোৱা উচিত। 'ৰজাৰ বাবে নীতি-নিয়ম'ৰ মতে নীতি-সূত্রসমূহত ৰজাৰ ক্ষমতা আৰু কৰণীয়সমূহ লিপিবদ্ধ কৰা আছে। অর্থাৎ, মনুৰ মতে ৰজাই সাংবিধানিক মূৰব্বী হিচাপে দায়িত্বশীল ভূমিকা পালন কৰিব লাগে আৰু মন্ত্রী-পৰিষদৰ সিদ্ধান্তক সদায় সন্মান জনাব লাগে।

১০.৩.৬ মনুৰ চৰকাৰৰ তত্ত্ব

মনুৱে বিশ্বাস কৰিছিল যে শাসক হ'ল প্রশাসনৰ সবাতোকৈ গুৰুত্বপূর্ণ একক। মনুৱে ৰজাক বেদে কৈ যোৱাৰ দৰে ব্রাহ্মণৰ পৰামর্শ অনুসৰণ কৰিবলৈ কৈছিল। ৰজাই অবিৰতভাৱে উপাসনা কৰিব লাগে আৰু পৰমাত্মাৰ জ্ঞান আহৰণ কৰিব লাগে। ৰজাই নিজৰ ইন্দ্রিয় আৰু প্রবৃত্তিসমূহৰ ওপৰত বিজয় সাব্যস্ত কৰিবলৈ অহোপুৰুষার্থ কৰিব লাগে। তেতিয়াহে তেওঁ প্রজাক নিয়ন্ত্রণ কৰিবলৈ সক্ষম হ'ব। ৰজা হ'ল প্রজাৰ ৰক্ষক আৰু সকলোৱে ৰজাৰ কথা মানি চলিব লাগে। মনুৱে ৰজাৰ মন্ত্রীপৰিষদৰ লগতে ৰাজ প্রশাসনৰ সৈতে জড়িত আন বিষয়াসকলৰ ভূমিকা সম্পর্কেও নিজৰ মতামত আগবঢ়াইছে। মনুৰ মতে ৰাজ প্রশাসন সুচাৰুৰূপে চলাই নিবলৈ ৰজাক মন্ত্রীপৰিষদ, বিষয়াবর্গ আৰু সৈন্যবাহিনীয়ে সহায় কৰা উচিত। মনুৱে বিষয়াবর্গক বিভিন্ন শিতানত ভাগ কৰিছে, যেনে— বিষয়া, ৰাষ্ট্রদূত আৰু প্রশাসনিক বিভাগবোৰৰ তত্ত্বাৱধায়ক। চৰকাৰী কাম-কাজৰ জটিলতা আৰু সমস্যাবোৰৰ ওপৰত আলোকপাত কৰি মনুৱে ৰাষ্ট্র এখনত মাত্র এগৰাকী ব্যক্তিৰ

শাসন যে অসম্ভৱ সেই কথা উল্লেখ কৰি থৈ গৈছে। সেয়েহে তেওঁ চৰকাৰৰ প্ৰতিটো বিভাগ পৃথকে পৃথকে চোৱা-চিতা কৰিবলৈ উচ্চ পদবীধাৰী বিষয়া নাইবা মন্ত্ৰী নিয়োগ কৰিবলৈ গোঁহাৰি জনাইছিল। চৰকাৰৰ তত্ত্বটো ব্যাখ্যা কৰাৰ সময়ত মনুৱে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ বিষয়েও উল্লেখ কৰিছিল। এই ক্ষেত্ৰত তেওঁ স্থানীয় চৰকাৰৰ গাঁথনিৰ বিষয়ে মত আগবঢ়াইছিল। এনে চৰকাৰত গাঁৱৰ মূৰব্বীক ক্ষমতা অৰ্পণ কৰা হৈছিল। অৱশ্যে তদাৰক আৰু নিয়ন্ত্ৰণৰ চূড়ান্ত ক্ষমতা ৰজাৰ হাততেই আছিল।

মনুৰ চৰকাৰৰ তত্ত্ব মতে, নিয়ন্ত্ৰণ কৰ্তৃত্বৰ অধিকাৰী সৈন্যবাহিনী আছিল মন্ত্ৰীপৰিষদ আৰু ৰাজহৰ ওপৰত নিৰ্ভৰশীল। আনহাতে ৰাজ্য ৰজাৰ ওপৰত নিৰ্ভৰশীল আছিল। যুদ্ধ আৰু শান্তি নিৰ্ভৰশীল আছিল ৰাষ্ট্ৰদূতৰ ওপৰত। স্থানীয় চৰকাৰৰ সৰ্বোচ্চ একক আছিল গাঁও। প্ৰতিখন গাঁৱতে একোগৰাকী মুখীয়াল থকাটো বাঞ্ছনীয় আছিল। স্থানীয় চৰকাৰৰ বিশাল এলেকাবোৰ (higher areas) দহ, বিশ, এশ অথবা হাজাৰখন গাঁৱ লগলাগি গঠিত হৈছিল। সামগ্ৰিকভাৱে স্থানীয় চৰকাৰ এখনক ৰাজ্য প্ৰশাসনৰ মুখ্যালয়ত একোগৰাকী ভাৰপ্ৰাপ্ত মন্ত্ৰীৰ কৰ্তৃত্বৰ অধীনত ৰখা হৈছিল।

১০.৩.৭ আন্তঃ প্ৰাদেশিক সম্পৰ্ক আৰু বৈদেশিক নীতি সন্দৰ্ভত মনুৰ ধাৰণা

আন্তঃপ্ৰাদেশিক সম্পৰ্ক আৰু বৈদেশিক নীতি আলোচনা কৰি মনুৱে কৈছিল যে যিকোনো ৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ লক্ষ্য ৰাষ্ট্ৰখনৰ সম্পূৰ্ণ সুৰক্ষা সুনিশ্চিত কৰাটো হোৱা উচিত। মনুৱে ছয় ধৰণৰ বৈদেশিক নীতি প্ৰয়োগৰ কাৰ্যবিধি উল্লেখ কৰি থৈ গৈছে। মনুৰ মতে, প্ৰথম নীতি অনুসৰি ভৱিষ্যত লাভালাভ আৰু প্ৰভুত্ব অৰ্জনৰ বিষয়ে সুনিশ্চিত হ'লে ৰজাই শান্তিৰ প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে। দ্বিতীয় নীতি অনুসৰি শত্ৰুক পৰাজিত অথবা দমন কৰিব পৰাকৈ নিজকে শক্তিশালী বুলি ভাবিলে ৰজাই যুদ্ধ কৰা উচিত। তৃতীয়তে, যেতিয়া ৰজাৰ নিজৰ সৈন্যবাহিনীয়ে তেওঁৰ প্ৰতি সম্পূৰ্ণ আনুগত্য প্ৰকাশ কৰে আৰু তুলনামূলকভাৱে শত্ৰুপক্ষতকৈ শ্ৰেষ্ঠ তেতিয়া ৰজাই শত্ৰুৰ বিপক্ষে আগবাঢ়ি যাব লাগে। চতুৰ্থ নীতি মতে, ৰজা যেতিয়া ৰথ আৰু সৈন্যবাহিনী দুয়োটা বিভাগতে দুৰ্বল হয় তেতিয়া তেওঁ নিৰপেক্ষ ভূমিকা পালন কৰা উচিত। পঞ্চম নীতি অনুসৰি ৰজাই যেতিয়া উপলব্ধি কৰে যে তেওঁৰ শত্ৰুপক্ষ সকলো দিশৰ পৰা শক্তিশালী তেতিয়া তেওঁ নিজৰ সৈন্যবাহিনীক বিভিন্ন ভাগত বিভক্ত কৰি ল'ব লাগে। সৰ্বশেষ নীতিটো হ'ল— ৰজাই যেতিয়া শত্ৰুপক্ষৰ হাতত অতি সহজে

আক্রান্ত আৰু পৰাজিত হ'ব বুলি আগতীয়াকৈ গম পায় তেন্তে কোনো সমৃদ্ধিশালী আৰু শক্তিশালী ৰজাৰ শৰণাপন্ন হ'ব লাগে। অর্থাৎ, মনুৱে তেওঁৰ বৈদেশিক নীতিৰ জৰিয়তে এই কথাত জোৰ দিছিল যে ৰজাই যুদ্ধ নীতি প্ৰস্তুত কৰাৰ সময়ত বর্তমান আৰু ভৱিষ্যত পৰিস্থিতি ভালদৰে বিবেচনা কৰি চাব লাগে।

আন্তঃপ্ৰাদেশিক সম্পর্কৰ ক্ষেত্ৰত মনুৱে প্ৰাচীন অর্থশাস্ত্ৰত উল্লেখ থকা সন্ধি (conciliation), উৎকোচ (bribery), আলোচনা (discussion) আৰু শক্তি প্ৰয়োগ (force) নীতি প্ৰয়োগ কৰাৰ কথা কৈছিল। সাধাৰণ নীতি হিচাপে মনুৱে ৰজাক দেশ জয় কৰাৰ প্ৰচেষ্টা আৰু ইতিপূর্বে জয় কৰা দেশবোৰ সুৰক্ষিত ৰখাৰ চেষ্টা কৰিবলৈ পৰামর্শ দিছে। শেষত মনুৱে ৰাষ্ট্ৰৰ সুৰক্ষা অক্ষুণ্ণ ৰখাৰ বাবে প্ৰয়োজন সাপেক্ষে সমৃদ্ধিশালী আৰু সাৱৰা অঞ্চলো পৰিত্যাগ কৰিবলৈ ৰজাক আহ্বান জনাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ঃ মনুৰ মতে ৰজাই ন্যায়িক আদালতত সভাপতিত্ব কৰাৰ সময়ত তেওঁক কোনে সহায় কৰা উচিত?

.....

প্ৰশ্ন ৫ঃ মনুৱে উল্লেখ কৰা ৰাষ্ট্ৰৰ যিকোনো দুটা বৈদেশিক নীতিৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন ৬ঃ দণ্ড কোনে বিহিব পাৰে?

.....

প্ৰশ্ন ৭ঃ ন্যায়িক প্ৰসাসনৰ বিষয়ে মনুৰ ধাৰণা চমুকৈ ব্যাখ্যা কৰক।

.....

.....

.....



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মনু আৰু কৌটিল্য হ'ল প্ৰাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাৰ পথ মুকলি কৰা দুগৰাকী অতি গুৰুত্বপূর্ণ দার্শনিক। পৌৰাণিকভাৱে মনুক মানৱ জাতিৰ পিতৃ আৰু প্ৰথমগৰাকী আইন প্ৰণয়নকাৰী বুলি গণ্য কৰা হয়।

- মনুৰ সবাতোকৈ উল্লেখযোগ্য আৰু অনন্য গ্ৰন্থখন হ'ল *মনুস্মৃতি*। *মনুস্মৃতিত* মুঠ ১২টা অধ্যায় আছে। এই অধ্যায়বোৰত মানৱ জাতিৰ সৃষ্টি, সমাজ, ধৰ্ম, অৰ্থনীতি আৰু প্ৰাচীন ভাৰতৰ ৰাষ্ট্ৰ প্ৰশাসন প্ৰক্ৰিয়াৰ বিষয়ে লিখা আছে।
- মনুৱে সামাজিক শৃংখলা সম্পৰ্কে আলোচনা কৰোতে মানুহক চাৰিটা ভিন্ ভিন্ জাতি অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰত ভগাই এক সামাজিক শৃংখলা গঠনৰ পৰামৰ্শ আগবঢ়াইছিল।
- মনুৱে প্ৰতিগৰাকী ব্যক্তিৰ আয়ুস এশ বছৰ ধৰিছিল আৰু এই আয়ুসক চাৰিভাগত ভগাই চাৰিখন আশ্ৰম অথবা চাৰিটা পৰ্যায়ৰ অধীন কৰিছিল। আশ্ৰম চাৰিখন হ'ল— ব্ৰহ্মচাৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাস।
- মনুৰ মতে ৰজা নামৰ অনুষ্ঠানটোৰ স্ৰষ্টা হ'ল ঈশ্বৰ। তেওঁৰ মতে অনৈক্য, অবিশ্বাস আৰু দ্বন্দ্ব-খৰিয়ালৰ পৰিবেশৰ পৰা মানুহক ৰক্ষা আৰু সহায় কৰিবলৈ ভগৱান ব্ৰহ্মাই ৰজাৰ সৃষ্টি কৰিছিল।
- মনুৱে ৰজাৰ গাত কিছুমান মহান গুণ থকাৰ ওপৰত জোৰ দিছিল। মনুৰ মতে ৰজা বেদৰ জ্ঞানযুক্ত, সুপ্ৰশিক্ষণপ্ৰাপ্ত, নিয়মানুৱৰ্তী আৰু আত্মসংযমী হ'ব লাগে।
- মনুৰ মতে ৰজাই প্ৰজাৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱন নিয়ন্ত্ৰণ কৰিব লাগে। ৰজাই প্ৰজাক সকলো সম্ভাব্য বৈদেশিক আগ্ৰাসনৰ পৰা ৰক্ষা কৰিব লাগে। দেশৰ আইন-শৃংখলা পৰিস্থিতি বৰ্তাই ৰখাটোও ৰজাৰ কৰ্তব্য। মনুৰ মতে ৰজাই ৰক্ষক আৰু শাস্তি প্ৰদানকাৰী দুয়োটা ভূমিকা পালন কৰিব লাগে।
- ৰজাৰ সৰ্বোচ্চ কৰ্তৃত্বক ন্যায্যতা প্ৰদান কৰিবলৈকে মনুৱে দণ্ডৰ সূত্ৰটো আগবঢ়াইছিল। তেওঁ জোৰ দি কৈছিল যে ব্যক্তিগত সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সামাজিক শৃংখলা বৰ্তাই ৰাখিবলৈ দণ্ডৰ প্ৰয়োজনীয়তা আছে। ৰজাই প্ৰয়োগ কৰা দণ্ডৰ সৈতে যুক্তিযুক্ততা, জ্ঞান আৰু সত্যবাদিতা আদি যুক্ত হৈ থাকিব লাগে।
- মনুৱে সমাজত সৰ্বাত্মক ন্যায় বিৰাজ কৰা কথাটো বিশ্বাস কৰিছিল। তেওঁৰ মতে ৰজাই তেওৰ ৰাজ্যত ন্যায় প্ৰদান কৰিবলৈ অত্যন্ত সুস্থিৰ আৰু নিৰপেক্ষ হ'ব লাগে আৰু মন্ত্ৰীপৰিষদৰ সিদ্ধান্তক সদায় সন্মান জনাব লাগে।
- ৰাষ্ট্ৰৰ চৰকাৰ সম্পৰ্কত মনুৱে বিশ্বাস কৰিছিল যে শাসক হ'ল ৰাষ্ট্ৰ প্ৰশাসনৰ সবাতোকৈ প্ৰয়োজনীয় একক। মনুৰ মতে ৰাজ প্ৰশাসন সুচাৰুৰূপে চলাই নিবলৈ ৰজাক মন্ত্ৰীপৰিষদ, বিষয়াবৰ্গ আৰু সৈন্যবাহিনীয়ে সহায় কৰা উচিত।
- চৰকাৰৰ তত্ত্ব ব্যাখ্যা কৰাৰ সময়ত মনুৱে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ বিষয়েও উল্লেখ কৰিছিল। তেওঁ স্থানীয় চৰকাৰৰ গাঁথনিৰ পৰামৰ্শ আগবঢ়াইছিল য'ত গাঁৱৰ মুৰব্বীক

ক্ষমতা অর্পণ কৰা হৈছিল। অৱশ্যে তদাৰক আৰু নিয়ন্ত্রণৰ চূড়ান্ত ক্ষমতা ৰজাৰ হাততেই আছিল।

- আন্তঃপ্রাদেশিক সম্পর্ক অথবা বৈদেশিক নীতি আলোচনা কৰিবৰ সময়ত মনুৱে কৈছিল যে যিকোনো ৰাষ্ট্রৰে বৈদেশিক নীতিৰ লক্ষ্য ৰাষ্ট্রৰ সম্পূর্ণ সুৰক্ষা সুনিশ্চিত কৰাটো হোৱা উচিত।
- মনুৱে ছয় ধৰণৰ বৈদেশিক নীতি প্রয়োগৰ কার্যবিধি উল্লেখ কৰি থৈ গৈছে। আন্তঃপ্রাদেশিক সম্পর্কৰ ক্ষেত্রত মনুৱে প্রাচীন অর্থশাস্ত্রত উল্লেখ থকা সন্ধি, উৎকোচ, আলোচনা আৰু বলপ্রয়োগ নীতি প্রয়োগ কৰাৰ কথা কৈছিল।



১০.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Arora, P. and Grover, B. (n. d.). *Selected western and indian political thinkers*. Cosmos Bookhive Pvt. Ltd.
2. Bhagavan, V. (1999). *Indian political thinkers*. Delhi: Atma Ram and Sons Publications.
3. Gupta, R.C. (1970). *Great political thinkers: East and west*. Lakshmi Narain Agarwal.
4. Mohanty, D.K. (2007). *Indian political tradition: From Manu to Ambedkar*. New Delhi: Anmol Publications Pvt. Ltd.

অসমীয়া গ্রন্থঃ

১) পাল, কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্রকাশন।

১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১২।

২ নং প্রশ্নৰ উত্তৰ ঃ চাৰি।

৩ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ জ্ঞানী ব্রাহ্মণ আৰু বিজ্ঞ মন্ত্রীসকলে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) ভৱিষ্যতে নিজৰ লাভালাভ আৰু প্ৰভূত্ব বঢ়াৰ বিষয়ে সুনিশ্চিত হ'ব পাৰিলে ৰজাই শান্তিৰ প্ৰস্তাৱ প্ৰেৰণ কৰা উচিত।

খ) শত্ৰুপক্ষক পৰাজিত অথবা দমন কৰিব পৰাকৈ নিজকে শক্তিশালী বুলি গম পোৱা ৰজাই যুদ্ধ ঘোষণা কৰা উচিত।

৬ নং প্রশ্নৰ উত্তৰ ঃ ৰজাই।

৭ নং প্রশ্নৰ উত্তৰ ঃ মনুৱে সমাজত সৰ্বাত্মক ন্যায় বিৰাজ কৰা কথাটো সমৰ্থন কৰিছিল। তেওঁৰ মতে ৰজা অত্যন্ত সুস্থিৰ আৰু নিৰপেক্ষ হ'ব লাগে, তেতিয়াহে ৰজাই ৰাজ্যত ন্যায় প্ৰতিষ্ঠা কৰিব পাৰিব। মনুৱে ইয়াকো কৈছিল যে ৰজাই নিজে ন্যায়িক আদালতৰ সভাপতিত্ব কৰিব লাগে। ন্যায় প্ৰদানৰ সময়ত জ্ঞানী ব্ৰাহ্মণ আৰু বিজ্ঞ মন্ত্ৰী পৰিষদে ৰজাক সহায় কৰিব লাগে। ৰজাই সদায় মন্ত্ৰী পৰিষদৰ মতামতক সন্মান জনাব আৰু অনুসৰণ কৰিব লাগে। যদিও এখন ৰাজ্যত ৰজাই সৰ্বেসৰ্বা আৰু সকলো ধৰণৰ সিদ্ধান্ত কাৰ্যকৰী কৰাৰ ক্ষমতা তেওঁৰ ওপৰতে ন্যস্ত থাকে, তথাপিও তেওঁ মন্ত্ৰী-পৰিষদৰ সৈতে আলোচনা কৰিহে সিদ্ধান্ত ল'ব লাগে। ৰজাৰ অনুপস্থিতিত এগৰাকী বিজ্ঞ ব্ৰাহ্মণক ন্যায়াধীশ পাতিব লাগে। ৰজাই যদিও ন্যায় কাৰ্যকৰীকৰ্তাৰ ভূমিকা পালন কৰিব লাগে, তথাপিও মনুৰ মতে ৰজাও কেতিয়াবা জৰিমনাৰ যোগ্য হ'ব পাৰে। মনুৱে বিশ্বাস কৰিছিল যে ৰজাৰ জৰিমনা সাধাৰণ প্ৰজাতকৈ হাজাৰ গুণ অধিক হোৱা উচিত। 'ৰজাৰ বাবে নীতি-নিয়ম'ৰ মতে নীতি-সূত্ৰসমূহত ৰজাৰ ক্ষমতা আৰু কৰণীয়সমূহ লিপিবদ্ধ কৰা আছে। অৰ্থাৎ, মনুৰ মতে ৰজাই সাংবিধানিক মূৰব্বী হিচাপে দায়িত্বশীল ভূমিকা পালন কৰিব লাগে আৰু মন্ত্ৰী-পৰিষদৰ সিদ্ধান্তক সদায় সন্মান জনাব লাগে।



১০.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্রশ্ন ১ ঃ *মনুস্মৃতি*ৰ ৰচক কোন?

প্রশ্ন ২ ঃ *মনুস্মৃতি* গ্ৰন্থখনত কিমানটা অধ্যায় আছে?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মনুৰ দণ্ডতত্ত্বৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতি সম্পৰ্কে মনুৰ ধাৰণা ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ মহিলা সম্পৰ্কে মনুৰ ধাৰণা চমুকৈ লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সামাজিক শৃংখলা সম্পর্কে মনুৰ ধাৰণাৰ সমালোচনাত্মক আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ আন্তঃপ্রাদেশিক সম্পর্ক আৰু বৈদেশিক নীতি সম্পর্কে মনুৰ ধাৰণা ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ৰজা সম্পর্কে মনুৰ ধাৰণাৰ লগতে ৰজাৰ কর্তব্য সম্পর্কে মনুৱে আগবঢ়োৱা পৰামর্শসমুহ বর্ণনা কৰক।

****

অধ্যায় ১১ ঃ কৌটিল্য

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ কৌটিল্যৰ ৰাজনৈতিক চিন্তা

১১.৩.১ কৌটিল্য আৰু অর্থশাস্ত্র

১১.৩.২ ৰাষ্ট্র প্রশাসনৰ তত্ত্ব

১১.৩.৩ চৰকাৰ সন্দর্ভত ধাৰণা

১১.৩.৪ ৰাষ্ট্র ব্যৱস্থাৰ মূল নীতি সম্পর্কে ধাৰণা

১১.৩.৫ আন্তঃপ্রাদেশিক সম্পর্ক আৰু বৈদেশিক নীতি সন্দর্ভত ধাৰণা

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্রগতিৰ খতিয়ান

১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- মহান গ্রন্থ *অর্থশাস্ত্রৰ* বিষয়ে আলোচনা কৰিব পাৰিব
- কৌটিল্যৰ ৰাষ্ট্র প্রশাসন তত্ত্ব ব্যাখ্যা কৰিব পাৰিব
- চৰকাৰ সন্দর্ভত কৌটিল্যৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- বৈদেশিক নীতি সন্দর্ভত কৌটিল্যৰ ধাৰণা পৰীক্ষা কৰি চাব পাৰিব।

১১.২ পৰিচয়

ইতিমধ্যে আমি আগৰ অধ্যায়ত আলোচনা কৰিছো যে ভাৰতীয় ৰাজনৈতিক চিন্তা জগতত মনু আৰু কৌটিল্যই অতি গুৰুত্বপূর্ণ স্থান দখল কৰি আছে। প্রাচীন ভাৰতৰ এই দুগৰাকী মহান চিন্তাবিদে ভাৰতীয় ৰাজনৈতিক চিন্তাৰ বিকাশ আৰু সমৃদ্ধিত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। কেৱল ৰাজনীতিয়েই নহয়, এই দুগৰাকী স্বনামধন্য চিন্তাবিদে সমসাময়িক সমাজৰ মানুহৰ জীৱনত প্রভাৱ পেলোৱা প্রায় সকলো দিশতে নিজস্ব মতামত আৰু পৰামর্শৰ বহুমূলীয়া বৰঙণি আগবঢ়াই থৈ গৈছে। আগৰ অধ্যায়ত আমি মনুৰ মহান বৰঙণিসমুহ আলোচনা কৰিলো। আন এজন মহান ৰাজনৈতিক চিন্তাবিদ কৌটিল্যক ভাৰতীয় ইতিহাসৰ

সবাতোকৈ সক্ষম ৰাজনীতিবিদ আৰু মন্ত্রী বুলি গণ্য কৰা হয়। তেওঁ এগৰাকী মহান দার্শনিক আছিল। তেওঁ *অর্থশাস্ত্র* নামৰ প্রাচীন ভাৰতীয় ৰাজনৈতিক শাস্ত্রখনৰ ৰচক। কৌটিল্যক ভাৰতীয় অর্থনীতি আৰু ৰাজনীতি বিজ্ঞান ক্ষেত্রৰ বাটকটীয়া বুলি গণ্য কৰা হয়। পশ্চিমীয়া দেশবোৰে তেওঁক ভাৰতীয় মেকিয়াভেলি আখ্যা দিছে। এই অধ্যায়টিত আমি ৰাষ্ট্র, চৰকাৰ আৰু বৈদেশিক নীতি সন্দর্ভত কৌটিল্যৰ দৃষ্টিভংগী আলোচনা কৰিম।

১১.৩ কৌটিল্যৰ ৰাজনৈতিক চিন্তা

কৌটিল্য, যি চাণক্য নামেৰেও প্রসিদ্ধ, প্রাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাৰ ভেটি গঢ়োঁতা আন এগৰাকী উল্লেখযোগ্য দার্শনিক। কৌটিল্য ৪০০-৩২০ খ্রীষ্টপূর্বৰ দার্শনিক আছিল বুলি ধৰা হয় আৰু তেওঁৰ জন্মস্থান তক্ষশিলা (বর্তমান পাকিস্তানত) আছিল বুলি কোৱা হয়। কৌটিল্যৰ সবাতোকৈ গুৰুত্বপূর্ণ আৰু অমূল্য অৱদান হ'ল তেওঁ লিখা প্রখ্যাত গ্রন্থ *অর্থশাস্ত্র।* এই গ্রন্থত কেন্দ্রীয় আৰু স্থানীয় প্রশাসন, অভ্যন্তৰীণ আৰু বৈদেশিক নীতি, দেৱানী আৰু ফৌজদাৰী আইন, সমৰকলা আদিৰ দৰে ভালেমান গুৰুত্বপূর্ণ বিষয়ৰ নীতি-নিয়ম সন্নিৰিষ্ট হৈ আছে।

কৌটিল্যৰ ৰাজনৈতিক চিন্তাসমুহ তেওঁৰ বিখ্যাত গ্রন্থ *অর্থশাস্ত্রত* সন্নিবিষ্ট কৰা হৈছে। *অর্থশাস্ত্র* এটি সংস্কৃত শব্দ যাৰ অনূদিত অর্থ হ'ল 'ভৌতিক লাভৰ বিজ্ঞান' (The Science of Material Gain) । দৰাচলতে, এই গ্রন্থখন হ'ল সঠিকভাৱে ৰাজ্য প্রশাসনৰ বাবে প্রয়োজনীয় হাতপুথি য'ত কূটনীতি, যুদ্ধ, আইনৰ অনুমোদন, কাৰাগাৰ, কৰ, দূর্গ, মূদ্রা, উৎপাদিত ব্যৱসায়িক প্রশাসন আৰু গুপ্তচৰ আদি বিশেষ বিষয়সমুহৰ বিস্তৃত ব্যাখ্যা কৰা হৈছে। আনকি, কৌটিল্যৰ *অর্থশাস্ত্রক* সম্ভৱত প্রাচীন সময় সম্পর্কে এক গুৰুত্বপূর্ণ উৎস বুলি ক'লেও ভুল কোৱা নহয়।

১১.৩.১ কৌটিল্য আৰু অর্থশাস্ত্র

কৌটিল্যই তেওঁৰ প্রখ্যাত গ্রন্থ *অর্থশাস্ত্রত* শাসনাধীন ৰাজ্য (dominion,পৃথিৱী) অধিগ্রহণ আৰু সংৰক্ষণৰ বিষয়ে আলোচনা কৰিছে। কৌটিল্যৰ আগতে প্রাচীন ভাৰততক্রমে মনু, বৃহস্পতি আৰু উসানৰ তিনিখনকৈ অর্থশাস্ত্র বিদ্যালয় আছিল। কিন্তু কৌটিল্যৰ অর্থশাস্ত্রখনকহে এই বিষয়ৰ একমাত্র সম্পূর্ণ কর্ম বুলি ধৰা হয়। কৌটিল্যৰ *অর্থশাস্ত্রত* ১৫টা অধ্যায় আছে। প্রতিটো অধ্যায়কে ১৫ খন কিতাপত ভাগ কৰা হৈছে। *অর্থশাস্ত্রৰ* নীতি-নিয়মবোৰ ৰচাৰ সময়ত ৰাজনৈতিক জীৱনৰ পৰিঘটনাৰ আধাৰত কৌটিল্যই নিৰীক্ষণ (observation), বিশ্লেষণ (analysis) আৰু বিয়োজন (deduction) পদ্ধতি প্রয়োগ কৰিছিল। *অর্থশাস্ত্র* হ'ল ৰাষ্ট্র প্রশাসন, অর্থনৈতিক নীতি আৰু সামৰিক কৌশল বিষয়ক এখন প্রাচীন ভাৰতীয় শাস্ত্র। অন্য ভাষাত *অর্থশাস্ত্র* হ'ল ৰাষ্ট্র প্রশাসনৰ ব্যৱহাৰিক ব্যৱস্থাপুথি।

১১.৩.২ ৰাষ্ট্ৰ প্ৰশাসনৰ তত্ত্ব

কৌটিল্যৰ *অৰ্থশাস্ত্ৰত* ৰাষ্ট্ৰ প্ৰশাসনৰ সৈতে জড়িত সকলোবোৰ নীতি-নিয়ম বিশদভাৱে সন্নিৱিষ্ট কৰা আছে। কৌটিল্যৰ এই তত্ত্বক সপ্তাংগ তত্ত্ব বুলিও জনা যায়। ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কত কৌটিল্যই কৈছে যে এখন শান্তিপূৰ্ণ সমাজত বাস কৰিবলৈ সৃষ্টি হোৱা মানুহৰ ইচ্ছাৰ পৰাই ৰাষ্ট্ৰৰ উৎপত্তি হয়। কৌটিল্যৰ মতে ৰাষ্ট্ৰ এখন সঠিক আৰু কাৰ্যক্ষম পৰিচালনাৰ বাবে সাতটা উপাদান অতি প্ৰয়োজনীয়। এই উপাদানকেইটা হ'ল— স্বামী, অমাত্য, জনপদ, দুৰ্গ, কোষ, সৈন্যবাহিনী আৰু মিত্ৰ। তলত ইয়াক ব্যাখ্যা কৰা হ'লঃ

- *স্বামী* মানে হ'ল প্ৰভু অথবা সাৰ্বভৌম কৰ্তৃত্ব। ইয়াত স্বামী শব্দৰ দ্বাৰা কৌটিল্যই ৰজাক বুজাইছে। সাৰ্বভৌম হোৱা হেতুকে ৰাষ্ট্ৰ এখনত স্বামীয়েই হ'ল সৰ্বোচ্চ কৰ্তৃত্ব। তেওঁ কাৰো ওচৰত অনুগত নহয়। অৱশ্যে কৌটিল্যই এই কথা উল্লেখ কৰিছে যে ৰাষ্ট্ৰৰ স্বাৰ্থৰ খাতিৰত ৰজাই সকলো প্ৰকাৰৰ চৰম ত্যাগ কৰিবলৈ সাজু থকা উচিত। তেওঁৰ মতে ৰজা যদি উদ্যমী হয় তেন্তে প্ৰজাও উদ্যমী হ'ব। একেদৰে ৰজা যদি এলেহুৱা হয় তেন্তে প্ৰজাও এলেহুৱা হ'ব আৰু তেওঁৰ সম্পত্তি বিনাশ কৰিব।
- ৰাষ্ট্ৰৰ দ্বিতীয়টো প্ৰধান উপাদান হ'ল *অমাত্য*। অমাত্য মানে হ'ল মন্ত্ৰী অথবা অন্য উচ্চ পদবীধাৰী বিষয়াসকল। কৌটিল্যৰ মতে ৰজা এগৰাকীয়ে অকলে দেশ এখন চলাব নোৱাৰে। ৰজাই অমাত্যসকলৰ সহায় ল'বই লাগিব। অমাত্যসকল দেশ এখনৰ স্থানীয় নাগৰিক হ'ব লাগিব। তেওঁলোকৰ জ্ঞান, সাহস তথা দেশ আৰু ৰজাৰ প্ৰতি আনুগত্য থাকিব লাগিব।
- *জনপদ* উপাদানটোৰ জৰিয়তে কৌটিল্যই ৰাষ্ট্ৰৰ ভূখণ্ড আৰু জনসংখ্যা উভয়কে বুজাইছিল। ৰাষ্ট্ৰৰ অস্তিত্বৰ বাবে ভূখণ্ড আৰু জনসংখ্যা উভয়েই অতি প্ৰয়োজনীয়। ৰাষ্ট্ৰৰ ভূখণ্ড সাৱঁৰা মাটি, খনি, বনাঞ্চল, জলপথ ইত্যাদি যুক্ত হ'ব লাগে। ৰাষ্ট্ৰৰ জনসংখ্যা সম্পৰ্কে কৌটিল্যৰ মত হ'ল এখন ৰাষ্ট্ৰত সৎ চৰিত্ৰৰ লগতে বুদ্ধিমত্তা আৰু জ্ঞানসমৃদ্ধ লোক থাকিব লাগে।
- কৌটিল্যই *দুৰ্গৰ* ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। দুৰ্গই ৰাষ্ট্ৰৰ প্ৰতিৰক্ষাত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰতিৰক্ষাৰ সৈতে জড়িত বিভিন্ন কাম-কাজ, যেনে— গোপন ৰণ, সৈন্যবাহিনীৰ প্ৰস্তুতি, শত্ৰুৰ সৈতে যুদ্ধ আদি দুৰ্গৰ ভিতৰতে কৰা হয়। কৌটিল্যই চাৰি প্ৰকাৰৰ দুৰ্গৰ কথা উল্লেখ কৰিছে— জলদুৰ্গ, মৰুদুৰ্গ, গিৰিদুৰ্গ আৰু বনদুৰ্গ।
- ৰাষ্ট্ৰ আন এক গুৰুত্বপূৰ্ণ উপাদান হ'ল *কোষ*। কোষ মানে হ'ল অৰ্থভাণ্ডাৰ অথবা ৰাজকোষ। কৌটিল্যৰ মতে ৰাষ্ট্ৰৰ কল্যাণৰ পৃষ্ঠপোষকতা কৰাত কোষ

অথবা ৰাজকীয় অৰ্থভাণ্ডাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ই অতি কামত আহে। কোষে ৰাষ্ট্ৰ এখনৰ আভ্যন্তৰীণ আৰু বাহ্যিক স্বতন্ত্ৰতা অক্ষুণ্ণ ৰখাত সহায় কৰে। এখন উন্নত ৰাষ্ট্ৰ সোণ আৰু ৰূপেৰে সমৃদ্ধ হ'ব লাগে। কৃষিৰ উন্নয়ন, ব্যৱসায়-বাণিজ্য, কৰ সংগ্ৰহ, বিভিন্ন বিভাগৰ ফলপ্ৰসূ কাম-কাজ আদিৰ সহায়ত ৰাষ্ট্ৰ এখনে এটা সমৃদ্ধ ৰাজকোষ গঢ়ি তুলিব পাৰে। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল হ'ব যে কৌটিল্যই কেৱল ন্যায়সংগত আৰু বৈধ উপায়েৰেহে ৰাজকোষ সমৃদ্ধ কৰাৰ ওপৰত জোৰ দিছিল।

- *বল* বা সৈন্যবাহিনী হ'ল ৰাষ্ট্ৰৰ আন এক গুৰুত্বপূৰ্ণ উপাদান। সৈন্যবাহিনীৰ মূল কৰ্তব্য হ'ল বাহ্যিক আগ্ৰাসন প্ৰতিহত কৰি ৰাষ্ট্ৰৰ স্বাধীনতা ৰক্ষা কৰা। সৈন্যবাহিনী ৰজাৰ প্ৰতি অনুগত হ'ব লাগে। তেওঁলোক বিভিন্ন ধৰণৰ যুদ্ধ কৰাত পাকৈত আৰু বিভিন্ন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰাত দক্ষ হ'ব লাগে। কৌটিল্যৰ মতে ৰাষ্ট্ৰ এখনত চাৰি প্ৰকাৰৰ সৈন্যবাহিনী থাকিব লাগে— হস্তীবাহিনী, অশ্বাৰোহী সৈন্যবাহিনী, ৰথ আৰু স্থলসেনা। তেওঁ ইয়াকো কৈছিল যে সৈন্যবাহিনীত বংশগত হোৱা আৰু ভেৰণীয়া দুয়ো ধৰণৰ সৈনিক থাকিব লাগে।
- *মিত্ৰ* হ'ল ৰাষ্ট্ৰৰ আন এক অপৰিহাৰ্য উপাদান। মিত্ৰ মানে হ'ল মিত্ৰৰাজ্য। এখন ৰাষ্ট্ৰই নিজ ক্ষমতা বঢ়াবলৈ আৰু প্ৰতিৰক্ষাৰ বাবে অন্য দেশৰ সৈতে বন্ধুত্ব স্থাপন কৰে। কৌটিল্যই দুই প্ৰকাৰৰ মিত্ৰৰ কথা উল্লেখ কৰিছে— *সহজ* আৰু *কৃত্ৰিম*। সহজ মিত্ৰ মানে হ'ল সেইবোৰ দেশ যাৰ সৈতে পূৰ্বপুৰুষৰ দিনৰ পৰাই মিত্ৰতা বৰ্তি আছে আৰু যিবোৰ তাৎক্ষণিকভাৱে শত্ৰু দেশখনৰ সীমাত অৱস্থিত। কৃত্ৰিম মিত্ৰ হ'ল তেনেবোৰ বন্ধু ৰাষ্ট্ৰ যাৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক অৰ্জন কৰা হয় আৰু নিজ ৰাষ্ট্ৰৰ সম্পদ আৰু জীৱনৰ সুৰক্ষা বৰ্তাই ৰখাৰ বাবে বন্ধুত্ব স্থাপন কৰাটো প্ৰয়োজনীয় হৈ পৰে।

এইদৰে কৌটিল্যই ৰাষ্ট্ৰৰ সাতটা উপাদানৰ বিষয়ে *অৰ্থশাস্ত্ৰত* উল্লেখ কৰিছে। কৌটিল্যৰ মতে এই উপাদানবোৰ সুচাৰুৰূপে পৰিচালনা কৰাটো ৰজাৰ সামৰ্থ আৰু কাৰ্যদক্ষতাৰ ওপৰত নিৰ্ভৰশীল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ কৌটিল্যৰ আন এটা নাম কি?

.....

প্ৰশ্ন ২ঃ *অৰ্থশাস্ত্ৰৰ* ৰচক কোন?

.....

প্রশ্ন ৩ঃ জনপদ বুলি কৌটিল্যই.....আৰু.....ক বুজাইছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্রশ্ন ৪ঃ কৌটিল্যই উল্লেখ কৰা দুর্গৰ প্রকাৰ চাৰিটা কি কি?

.....

.....

.....

১১.৩.৩ চৰকাৰ সন্দর্ভত কৌটিল্যৰ ধাৰণা

চৰকাৰ সন্দর্ভত কৌটিল্যৰ ধাৰণা তিনিটা শিতানত আলোচনা কৰিব পৰা যায়— ৰজা, বিষয়াবর্গ আৰু প্রশাসন পদ্ধতি।

ৰজা হ'ল ৰাষ্ট্রখনৰ চৰকাৰ আৰু প্রশাসনৰ মুৰব্বী। কৌটিল্য বংশানুক্রমিক শাসনৰ পৃষ্ঠপোষক আছিল। তেওঁ বিশ্বাস কৰিছিল যে এনে শাসনে উন্নত প্রশাসন আৰু গভীৰ আনুগত্য সুনিশ্চিত কৰিব পাৰে। ৰজাই প্রজাৰ কল্যাণৰ বাবে অধিক চিন্তিত হ'ব লাগে বুলিও কৌটিল্যই মত প্রকাশ কৰিছিল। কৌটিল্যৰ মতে ৰজা এজন সুপ্রশিক্ষণপ্রাপ্ত আৰু নিয়মানুৱর্তী হ'ব লাগে। ৰাষ্ট্রত ৰজাৰ স্থান সম্পর্কত তেওঁ কৈছিল যে ৰজা হ'ল ৰাষ্ট্র গঠনৰ প্রধান উপাদান। ৰজাই ৰাষ্ট্রৰ অন্য বিষয়ববীয়াক নিয়োগ কৰে আৰু তেওঁলোকক নির্দিষ্ট কাম-কাজ ভগাই দিয়ে। ৰজাই প্রশাসনিক বিভাগবোৰৰ মুৰব্বীসকলক নির্দেশ দিয়ে, প্রজাৰ দুর্যোগৰ সময়ত দুর্যোগ প্রতিহত কৰাৰ উপায় আগবঢ়ায়, দুষ্ট প্রকৃতিৰ বিষয়াসকলক পদৰ পৰা অব্যাহতি দিয়ে আৰু সৎ বিষয়াক নিয়োগ কৰে আৰু দুষ্টক শাস্তি বিহে। অন্য অর্থত ৰজা হ'ল ৰাষ্ট্রৰ কেন্দ্রবিন্দু অথবা সমগ্র প্রশাসনিক যন্ত্রটোৰ মূল চাবি-কাঠি। কৌটিল্যৰ মতে ৰজাৰ বিভিন্ন ধৰণৰ কর্তব্য আছে। সেয়া হ'ল— কার্যবাহী, বিধায়িনী, প্রশাসনীয়, ন্যায়িক, ৰাজহ সংগ্রহ, ধর্মীয়, সামৰিক আৰু প্রজাৰ জ্ঞানবর্দ্ধনৰ প্রচেষ্টা।

ৰাজবিষয়া অথবা অমাত্যসকলো চৰকাৰৰ অতি গুৰুত্বপূর্ণ অংশ বুলি কৌটিল্যই মত প্রকাশ কৰিছে। তেওঁ বিশ্বাস কৰিছিল যে এখন উপযুক্ত মন্ত্রীপৰিষদ আৰু মন্ত্রীসকলৰ সহযোগিতাৰেহে ৰজা এজনে সুচাৰুৰূপে প্রশাসন চলাব পাৰে। ৰজাই আৰম্ভ কৰিব খোজা বিভিন্ন আইন-কানুনত মন্ত্রীপৰিষদে অনুমোদন জনোৱাটো প্রয়োজনীয়। যিসকল ৰজাই অকলে প্রশাসন চলোৱাৰ চেষ্টা কৰে তেনে ৰজাক কৌটিল্যই অনুপযুক্ত আৰু মূর্খ বুলি অভিহিত কৰিছিল। এইখিনিতে মনত ৰাখিবলগীয়া কথাটো হ'ল ৰজাক ভোট দিয়াৰ ক্ষমতা প্রদান কৰা হোৱা নাছিল আৰু সংখ্যাগৰিষ্ঠৰ সিদ্ধান্ত ৰজাই সম্পন্ন কৰিব লাগিছিল। এই কাৰণবোৰৰ বাবে চৰকাৰৰ কাম-কাজ পৰিচালনা কৰিবলৈ অমাত্য (ৰাজবিষয়া) নিয়োগ কৰাটো অপৰিহার্য আছিল।

চৰকাৰৰ তত্ত্ব আলোচনা কৰাৰ সময়ত কৌটিল্যই ৰাষ্ট্ৰৰ প্ৰশাসনিক ব্যৱস্থাটোৰ সম্পৰ্কেও উল্লেখ কৰিছে। কৌটিল্যই পৌৰ, বিত্তীয়, ন্যায়িক আৰু সামৰিক প্ৰশাসনৰ ওপৰতো জোৰ দিছিল। এই বিভাগবোৰ সুকলমে পৰিচালিত হোৱাটো ৰাষ্ট্ৰ এখনৰ বাবে অতি প্ৰয়োজনীয় বিষয়। পৌৰ প্ৰশাসনত বহুকেইটা কৰ্মনীতি আছে। যেনে— ৰজাই ৰাজহ সংগ্ৰহৰ বিষয়টো নিজৰ তত্বাৱধানত ৰাখিব লাগে, অমাত্যসকল মেধাৰ ভিত্তিত বাছনি কৰিব লাগে ইত্যাদি। বিত্তীয় প্ৰশাসনৰ ক্ষেত্ৰত ৰাজকোষক সবাতোকৈ প্ৰয়োজনীয় উপাদান বুলি কৌটিল্যই মত প্ৰকাশ কৰিছিল। কৌটিল্যই কৈছিল যে ৰজাই ৰাজকোষৰ সঠিক তদাৰক কৰা উচিত। তেওঁ ৰাজহৰ সঠিক হিচাপ-নিকাচ ৰাখিবলৈ ৰজাক পৰামৰ্শ দিছিল। কৌটিল্যই ইয়াকো কৈছিল যে অৰ্থ ভালদৰে খৰছ কৰা হৈছেনে নাই ৰজাই তালৈও চকু দিব লাগে। কৌটিল্যই উদ্যোগ আৰু বাণিজ্য বিভাগৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ সম্পৰ্কেও উপদেশ দিছে। ন্যায়িক প্ৰশাসন সম্পৰ্কত কৌটিল্যই মত প্ৰকাশ কৰিছে যে ন্যায়িক ব্যৱস্থাটোক এক সুকীয়া মৰ্যাদা প্ৰদান কৰা উচিত আৰু ন্যায়িক ব্যৱস্থাটোৰ বিকেন্দ্ৰীকৰণ কৰা উচিত। তেওঁ বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰ আৰু প্ৰজাৰ সুৰক্ষাৰ বাবে ন্যায়িক আদালতৰ অস্তিত্ব অতি প্ৰয়োজনীয়। কৌটিল্যই কাকো ন্যায়ৰ উৰ্দ্ধত বুলি গণ্য কৰা নাছিল। সামৰিক প্ৰশাসন সন্দৰ্ভত নিজৰ মত দাঙি ধৰি কৌটিল্যই কৈছিল যে ৰজাই সৈন্যবাহিনীক নিজৰ নিয়ন্ত্ৰণত ৰাখিব লাগে। কৌটিল্যৰ মতে সৈন্যবাহিনীৰ চাৰিটা শাখা থকা উচিত। এই শাখাকেইটা হ'ল— হস্তী বাহিনী, অশ্বাৰোহী বাহিনী, ৰথ বাহিনী আৰু স্থলসেনা। কৌটিল্যই কৈছিল যে এই চাৰিওটা শাখাত চাৰিজন বেলেগ বেলেগ মুৰব্বী বিষয়া থাকিব লাগে যাতে পৰস্পৰৰ প্ৰতি থকা ভয়ৰ বাবে তেওঁলোক সহজে শত্ৰুৰ জালত বন্দী নহয়।

১১.৩.৪ ৰাষ্ট্ৰ ব্যৱস্থাৰ মূল নীতি সম্পৰ্কে ধাৰণা

কৌটিল্যৰ চৰকাৰৰ নীতি মতে ৰজা সকলো সময়তে সষ্টম হৈ থাকিব লাগে। যদি ৰজা অসাৱধান হয় তেন্তে শত্ৰুই তেওঁক পদচ্যুত কৰিব পাৰে। ৰজাই সফলতা লাভ কৰিবলৈ অধিক মানসিক আৰু শাৰীৰিক প্ৰয়াস চলাব লাগে। প্ৰজাৰ বাবে ৰজা পিতৃস্বৰূপ হ'ব লাগে। তেওঁ ৰাষ্ট্ৰৰ শিশু, বৃদ্ধ, ৰুগীয়া আৰু বিপদগ্ৰস্ত লোকৰ যত্ন ল'ব লাগে। ৰজাই তেওঁৰ ৰাষ্ট্ৰক শত্ৰু, মহামাৰী আৰু দুৰ্ভিক্ষৰ পৰা ৰক্ষা কৰিব লাগে। এই আটাইবোৰ কথাৰ পৰা ৰজাৰ দুটা প্ৰধান কৰণীয় গম পোৱা যায়। তেওঁ প্ৰজাৰ বাবে মানৱীয় আৰু প্ৰশাসনিক উভয় দৃষ্টিভংগীৰে পিতৃৰ ভূমিকা পালন কৰিব লাগে। ভূখণ্ড অধিগ্ৰহণ বিষয়ত কৌটিল্যই পাঁচটা পদ্ধতি অৰ্ন্তভুক্ত কৰিছে। এই পদ্ধতিকেইটা হ'ল— শত্ৰুৰ বিশ্বস্ত অনুচৰৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰা, গোপন কৌশলেৰে শত্ৰুক মষিমূৰ কৰা, শত্ৰুৰাজ্যত নিজৰ গুপ্তচৰ নিয়োগ কৰা, শত্ৰু অৱৰোধ কৰা আৰু আক্ৰমণ কৰা। কৌটিল্যৰ মতে ৰজাই ৰাজভৱনত নিজৰ সুৰক্ষা সুনিশ্চিত কৰিব লাগে।

ৰাজভৱনৰ ইঠাইৰ পৰা সিঠাইলৈ যাওঁতেও ৰজা সাৱধান হোৱা উচিত। ৰজাই উচ্চ কাৰিকৰী দক্ষতা আৰু দায়িত্ববোধ থকা গুপ্তচৰ নিয়োগ কৰিব লাগে।

১১.৩.৫ আন্তঃপ্রাদেশিক সম্পর্ক আৰু বৈদেশিক নীতি সন্দর্ভত ধাৰণা

ৰাষ্ট্রৰ বৈদেশিক নীতি আলোচনা কৰাৰ সময়ত কৌটিল্যই কৈছে যে বৈদেশিক নীতিৰ মূল উদ্দেশ্য হ'ল এখন সবল ৰাষ্ট্র গঠন কৰা। কৌটিল্যৰ বৈদেশিক নীতি সুযোগ, কূটনীতি আৰু যুদ্ধৰ ওপৰত আধাৰিত। অন্য ৰাষ্ট্রৰ সৈতে সম্পর্ক বর্তাই ৰাখিবলৈ ৰাষ্ট্রদূত নিয়োগ কৰিব লাগে। বৈদেশিক নীতিৰ ক্ষেত্রত ৰাষ্ট্রদূতে ৰজাৰ মুখপাত্রৰ কাম কৰে। ৰাষ্ট্রদূতৰ দুটামান গুৰুত্বপূর্ণ কাম হ'ল— শান্তি প্রতিষ্ঠা কৰা আৰু বিদেশী ৰাষ্ট্রৰ সৈতে সন্ধি স্থাপন কৰা। কৌটিল্যৰ মতে শত্রু দমন কৰাৰ সময়ত ৰজাই ৰাষ্ট্রদূতৰ সহায়ত মতানৈক্যৰ সৃষ্টি কৰি নিজে সন্ধিসূচক নীতি অৱলম্বন কৰিব লাগে।

কৌটিল্যই ৰজাক তেওঁৰ প্রজাসকলক সুখত ৰাখিবলৈ পৰামর্শ আগবঢ়াইছিল কাৰণ প্রজাসকলে সুখত নাথাকিলে তেওঁলোকৰ অসন্তুষ্টিয়ে ৰজাক বৈদেশিক আক্রমণৰ সন্মুখীনৰ ফালে লৈ যাব পাৰে। যেতিয়ালৈকে ৰজাই প্রজাসকলক সন্তুষ্টিত ৰাখিব পাৰে, তেতিয়ালৈকেহে তেওঁক ভাল ৰজা বুলি কোৱা হয়। এই ক্ষেত্রত ৰজাই কূটনীতি, শক্তি প্রয়োগ আদি কৌশলৰ সহায় ল'ব পাৰে। কৌটিল্যই আকৌ কৈছিল যে প্রজাৰ সুখেই ৰজাৰ সুখ আৰু প্রজাৰ কল্যাণেই ৰজাৰ কল্যাণ। যাহওঁক, ইয়াত এইটো উল্লেখ কৰিব পাৰি যে কৌটিল্যই যুদ্ধৰ কথা কৈছিল যদিও তেওঁ ভৌগোলিক ক্ষমতা বিস্তাৰৰ সপক্ষে নাছিল। তেওঁ ৰজাক শ্বহীদৰ মাটি, সম্পত্তি, পুত্র, পৰিবাৰৰ হেঁপাহৰ পৰা দুৰৈত থাকিবলৈ সাৱধান কৰি দিছিল। কৌটিল্যই বিজয়ী দেশৰ ৰজাক বিজিত দেশৰ জনসাধাৰণৰ প্রতি মৰম আৰু সুবিবেচক ব্যৱহাৰ কৰিবলৈ উপদেশ দিছিল। তাৰোপৰি, ৰজাই বিজিত দেশৰ প্রচলিত ৰীতি-নীতি, পৰম্পৰাক সন্মান জনাই তেওঁলোকৰ বিভিন্ন উৎসৱ-পার্বনত অংশগ্রহণ কৰিব লাগে যাতে সেই দেশৰ জনসাধাৰণে তেওঁক তেওঁলোকৰ মাজৰে এজন বুলি গ্রহণ কৰিব পাৰে আৰু নিজেও তেওঁৰ পৰিচয় সেই জনসাধাৰণৰ আগত দাঙি ধৰিব পাৰে।

এনেদৰে, কৌটিল্যই ৰাষ্ট্রৰ কার্যাৱলী আৰু ভূমিকাৰ ওপৰত এক বিশদ বিৱৰণ দাঙি ধৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ঃ কৌটিল্যই ন্যায়িক ব্যৱস্থাৰ বিকেন্দ্রীকৰণৰ পোষকতা কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৬ঃ কৌটিল্যৰ মতে কোনে ৰজাৰ মুখপাত্ৰ হিচাপে কাম কৰে?

.....

প্রশ্ন ৭ঃ কৌটিল্যই উল্লেখ কৰা ৰজাৰ যিকোনো দুটা কার্যৰ বিষয়ে লিখক।

.....

.....

প্রশ্ন ৮ঃ বৈদেশিক নীতি সন্দর্ভত কৌটিল্যৰ ধাৰণাৰ ওপৰত এটি চমুটোকা লিখক।

.....

.....

.....

প্রশ্ন ৯ঃ ভূখণ্ড অধিগ্রহণ আৰু ৰাজ্যৰ নিৰাপত্তাৰ বিষয়ত কৌটিল্যই আগবঢ়োৱা পদ্ধতিকেইটা লিখক।

.....

.....

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৌটিল্য প্রাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাৰ ভেটি গঢ়োঁতা আন এগৰাকী উল্লেখযোগ্য দার্শনিক।
- কৌটিল্য, যি চাণক্য নামেৰেও প্রসিদ্ধ, প্রাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাৰ ভেঁটি গঢ়োঁতা আন এগৰাকী উল্লেখযোগ্য দার্শনিক। কৌটিল্যৰ সবাতোকৈ গুৰুত্বপূর্ণ আৰু অমূল্য অৱদান হ'ল তেওঁ লিখা প্রখ্যাত গ্রন্থ *অর্থশাস্ত্র*। *অর্থশাস্ত্রক* ১৫খন কিতাপত ভাগ কৰা হৈছে।
- কৌটিল্যৰ অর্থশাস্ত্রত ৰাষ্ট্র প্রশাসনৰ সৈতে জড়িত সকলোবোৰ নীতি-নিয়মৰ বিশদ সূত্র সন্নিৱিষ্ট কৰা আছে। ইয়াক সপ্তাংগ তত্ত্ব বুলিও জনা যায়।
- কৌটিল্যৰ মতে ৰাষ্ট্র এখন সঠিক আৰু কার্যক্ষম পৰিচালনাৰ বাবে সাতটা উপাদান অতি প্রয়োজনীয়। এই উপাদানকেইটা হ'ল— স্বামী, অমাত্য, জনপদ, দুর্গ, কোষ, সৈন্যবাহিনী আৰু মিত্র।
- চৰকাৰ সন্দর্ভত কৌটিল্যৰ ধাৰণা তিনিটা শিতানত আলোচনা কৰি চাব পৰা যায়— ৰজা, বিষয়াবর্গ আৰু প্রশাসন পদ্ধতি। ৰজা হ'ল চৰকাৰ আৰু প্রশাসনৰ মুৰব্বী।
- কৌটিল্য বংশানুক্রমিক শাসনৰ পৃষ্ঠপোষক আছিল। তেওঁ বিশ্বাস কৰিছিল যে এনে শাসনে উন্নত প্রশাসন আৰু গভীৰ আনুগত্য সুনিশ্চিত কৰিব পাৰে। ৰজাই প্রজাৰ কল্যাণৰ বাবে অধিক চিন্তিত হ'ব লাগে বুলিও কৌটিল্যই মত প্রকাশ কৰিছিল।

- ৰাজবিষয়া অথবা অমাত্যসকলো চৰকাৰৰ এক অতি গুৰুত্বপূৰ্ণ অংশ বুলি কৌটিল্যই মত প্ৰকাশ কৰিছে। তেওঁ বিশ্বাস কৰিছিল যে এখন উপযুক্ত মন্ত্ৰীপৰিষদ আৰু মন্ত্ৰীসকলৰ সহযোগিতাৰেহে ৰজা এজনে সুচাৰুৰূপে প্ৰশাসন চলাব পাৰে।
- চৰকাৰৰ তত্ত্ব আলোচনা কৰাৰ সময়ত কৌটিল্যই প্ৰশাসনিক ব্যৱস্থাটোৰ সম্পৰ্কেও উল্লেখ কৰিছে। তেওঁ পৌৰ, বিত্তীয়, ন্যায়িক আৰু সামৰিক প্ৰশাসনৰ ওপৰতো জোৰ দিছিল।
- ৰাষ্ট্ৰৰ বৈদেশিক নীতি আলোচনা কৰাৰ সময়ত কৌটিল্যই কৈছে যে বৈদেশিক নীতিৰ মূল উদ্দেশ্য হ'ল এখন সবল ৰাষ্ট্ৰ গঠন কৰা।
- কৌটিল্যৰ বৈদেশিক নীতি সুযোগ, কূটনীতি আৰু যুদ্ধৰ ওপৰত আধাৰিত। অন্য ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক বৰ্তাই ৰাখিবলৈ ৰজাই ৰাষ্ট্ৰদূত নিয়োগ কৰিব লাগে।



১১.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Arora, P. and Grover, B. (n. d.). *Selected western and indian political thinkers*. Cosmos Bookhive Pvt. Ltd.
2. Bhagavan, V. (1999). *Indian political thinkers*. Delhi: Atma Ram and Sons Publications.
3. Gupta, R.C. (1970). *Great political thinkers: East and west*. Lakshmi Narain Agarwal.
4. Mohanty, D.K. (2007). *Indian political tradition: From Manu to Ambedkar*. New Delhi: Anmol Publications Pvt. Ltd.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

১১.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ চাণক্য।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কৌটিল্য।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভূখণ্ড আৰু জনসংখ্যা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জলদুৰ্গ, মৰুদুৰ্গ, গিৰিদুৰ্গ আৰু বনদুৰ্গ।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রদূত।

৭ নং প্রশ্নৰ উত্তৰ ঃ ক) ৰজাই প্রশাসনিক বিভাগবোৰৰ মূৰব্বীসকলক নির্দেশ দিয়ে।
খ) প্রজাৰ দুর্যোগৰ সময়ত ৰজাই দুর্যোগ প্রতিৰোধৰ উপায় দিয়ে।

৮ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রৰ বৈদেশিক নীতি আলোচনা কৰাৰ সময়ত কৌটিল্যই কৈছে যে বৈদেশিক নীতিৰ মূল উদ্দেশ্য হ'ল এখন সবল ৰাষ্ট্র গঠন কৰা। কৌটিল্যৰ বৈদেশিক নীতি সুযোগ, কূটনীতি আৰু যুদ্ধৰ ওপৰত আধাৰিত। অন্য ৰাষ্ট্রৰ সৈতে সম্পর্ক বর্তাই ৰাখিবলৈ ৰাষ্ট্রদূত নিয়োগ কৰিব লাগে। বৈদেশিক নীতিৰ ক্ষেত্রত ৰাষ্ট্রদূতে ৰজাৰ মুখপাত্রৰ কাম কৰে। ৰাষ্ট্রদূতৰ দুটামান গুৰুত্বপূর্ণ কাম হ'ল— শান্তি প্রতিষ্ঠা কৰা আৰু বিদেশী ৰাষ্ট্রৰ সৈতে সন্ধি স্থাপন কৰা। কৌটিল্যৰ মতে শত্রু দমন কৰাৰ সময়ত ৰজাই ৰাষ্ট্রদূতৰ সহায়ত মতানৈক্যৰ সৃষ্টি কৰি নিজে সন্ধিসূচক নীতি অৱলম্বন কৰিব লাগে।

৯ নং প্রশ্নৰ উত্তৰ ঃ ভূখণ্ড অধিগ্রহণ আৰু ৰাজ্যৰ নিৰাপত্তাৰ বিষয়ত কৌটিল্যই আগবঢ়োৱা পদ্ধতিকেইটা হ'ল— শত্রুৰ বিশ্বস্ত অনুচৰৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰা, গোপন কৌশলেৰে শত্রুক মযিমূৰ কৰা, শত্রুৰাজ্যত নিজৰ গুপ্তচৰ নিয়োগ কৰা, শত্রু অৱৰোধ কৰা আৰু আক্রমণ কৰা।



১১.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ অর্থশাস্ত্রৰ ৰচক কোন?

প্রশ্ন ২ ঃ অর্থশাস্ত্র কিমানখন কিতাপত ভাগ কৰা হৈছে?

প্রশ্ন ৩ ঃ কৌটিল্যৰ মতে মিত্রৰ ভাগ দুটা কি কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাষ্ট্র ব্যৱস্থাৰ মুল নীতি সম্পর্কে কৌটিল্যৰ ধাৰণা চমুকৈ লিখক।

প্রশ্ন ২ ঃ এখন ৰাষ্ট্রৰ বৈদেশিক নীতি সম্পর্কে কৌটিল্যৰ ধাৰণা ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ৰাষ্ট্রনীতি আৰু বৈদেশিক নীতি সম্পর্কে কৌটিল্যৰ ধাৰণা চমুকৈ লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বৈদেশিক নীতি সম্পর্কে কৌটিল্যৰ ধাৰণাৰ সমালোচনাত্মক আলোচনা কৰক।

প্রশ্ন ২ ঃ কৌটিল্যৰ ৰাষ্ট্র প্রশাসন তত্ত্ব ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ চৰকাৰ সম্পর্কে কৌটিল্যৰ ধাৰণা বর্ণনা কৰক।

****

অধ্যায় ১২ঃ মহাত্মা গান্ধী

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ মহাত্মা গান্ধী
১২.৩.১ অহিংসা সম্পর্কে ধাৰণা
১২.৩.২ সত্যাগ্রহ সম্পর্কে ধাৰণা
১২.৩.৩ স্বদেশী সম্পর্কে ধাৰণা
১২.৩.৪ ৰাষ্ট্র সম্পর্কে ধাৰণা
১২.৩.৫ অর্থনীতি সম্পর্কে ধাৰণা
১২.৩.৬ ধর্ম আৰু ৰাজনীতি সম্পর্কে ধাৰণা
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান
১২.৭ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- মহাত্মা গান্ধীৰ সামাজিক আৰু ৰাজনৈতিক দর্শন আলোচনা কৰিব পাৰিব
- অহিংসা আৰু সত্যাগ্রহ সম্পর্কে গান্ধীৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- ধর্ম আৰু ৰাজনীতি সম্পর্কে তেওঁৰ ধাৰণা আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

যি কোনো ৰাজনৈতিক ব্যৱস্থাৰ ইতিহাসৰ বিভিন্ন পর্যায়ত গুৰুত্বপূর্ণ ব্যক্তিসকলে প্রকাশ কৰা আৰু অনুসৰণ কৰা বিভিন্ন প্রমূল্য আৰু ধাৰণাই ব্যৱস্থাটোৰ বিৱর্তনত সহায় কৰে। ভাৰতত মহাত্মা গান্ধী, জৱাহৰলাল নেহেৰু আৰু বি.আৰ. আম্বেদকাৰকে ধৰি আন বহুতো নেতৃস্থানীয় ব্যক্তিয়ে চিন্তা আৰু কার্যৰে আগবঢ়োৱা অৱদানে ভাৰতত সমূহীয়া জাতীয় চেতনাৰ উদ্রেক কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। এই অধ্যায়টিত আমি ভাৰতৰ সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্রত গভীৰ প্রভাৱ পেলোৱা মহাত্মা গান্ধীৰ কিছুমান গুৰুত্বপূর্ণ দৃষ্টিভংগী আৰু ধাৰণা আলোচনা কৰিম।

১২.৩ মহাত্মা গান্ধী

১৮৬৯ চনৰ ২ অক্টোবৰত গুজৰাটৰ পোৰবন্দৰত মোহনদাস কৰমচান্দ গান্ধীৰ জন্ম হৈছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ গুৰি ধৰোঁতা গান্ধীৰ অবিৰত প্ৰচেষ্টাৰ ফলতে ভাৰতীয়সকলে দুশ বছৰীয়া বৃটিছ শাসন ওফৰাই স্বাধীনতাৰ সোৱাদ লাভ কৰিবলৈ সক্ষম হৈছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে গান্ধীজীৰ মহান শান্তিপ্ৰিয় চিন্তা আৰু কাৰ্য-কলাপৰ বাবে পোনপ্ৰথমবাৰৰ বাবে তেওঁক 'মহাত্মা' বুলি সম্বোধন কৰিছিল।

১২.৩.১ অহিংসা সম্পৰ্কে ধাৰণা

মহাত্মা গান্ধীৰ এক উল্লেখযোগ্য অৱদান হ'ল অহিংসা (Ahimsa) সম্পৰ্কে তেওঁ দাঙি ধৰা বিস্তৃত সংজ্ঞা। অহিংসাৰ ধাৰণাটোক ব্যক্তিগত অনুপ্ৰেৰণাদায়ী মতবাদ বোলাৰ সলনি গান্ধীয়ে ইয়াক প্ৰত্যক্ষ গণক্ৰিয়াৰ (direct mass action) এটা সফল কৌশল বুলি গণ্য কৰিছিল। গান্ধীৰ অহিংসাৰ ধাৰণাটোত কেইবাটাও গুৰুত্বপূৰ্ণ দিশ আছে।

শাব্দিক অৰ্থত অহিংসা মানে হ'ল অন্যৰ অপকাৰ নকৰা অথবা অন্যক আঘাত নকৰা। কিন্তু বহলভিত্তিত ইয়াৰ অৰ্থ হ'ল বেয়া কামৰ পৰা বিৰত থকাতকৈ অন্যৰ ভাল হোৱা ধৰণৰ কাম কৰি যোৱাৰ ইতিবাচক গুণ। অহিংসাই ব্যক্তিক সহনশীল হ'বলৈ আৰু প্ৰতিপক্ষক ভাল পাবলৈ শিকায়। এগৰাকী অহিংস ব্যক্তিয়ে কাকো নিজৰ শত্ৰু বুলি নাভাবে আৰু কাৰো প্ৰতি মনত বিদ্বেষ নাৰাখে। গান্ধীৰ মতে অহিংসা দুৰ্বলী নহয়, সাহসী লোকৰ গাত থকা গুণ। অহিংসা মানে নিষ্ক্ৰিয়তা অথবা নিৰ্বিৰোধিতা অথবা বিপদ, দুষ্কৰ্ম অথবা আচল আক্ৰমণৰ সময়ত হাত সাবটি বহি থকাক নুবুজায়। দুষ্কৃতিকাৰীৰ দুষ্কৰ্মৰ আগত দুৰ্বল আত্মসমৰ্পণ অথবা বশ্যতা স্বীকাৰ কৰাকো অহিংসা বুলি নকয়।

- **অহিংসাৰ প্ৰয়োজনীয় উপাদানসমূহ**
  - **সত্যবাদিতা (Truth):** সত্যবাদিতা হ'ল অহিংসাৰ বুনিয়াদ। গান্ধীৰ মতে 'ভগৱানেই সত্য' নহয়। তেওঁৰ মতে 'সত্যই ভগৱান'। অহিংসাত বিশ্বাসী লোকে নিজৰ চৌপাশে থকা লোকৰ প্ৰতিক্ৰিয়ালৈ লক্ষ্য নকৰি কেৱল সত্য কথা কয়।
  - **আত্মিক শুদ্ধতা (Inner Purity):** অহিংসাত বিশ্বাসী লোকে আত্মিক শুদ্ধতাও বৰ্তাই ৰাখিব লাগে। অহিংসাত বিশ্বাসীজনে নিজকে আত্মানুশাসন আৰু শিষ্টতাৰে আত্মিক শুদ্ধতাৰ বাবে নিজকে প্ৰস্তুত কৰি ৰাখিব লাগে।
  - **অনশন (Fasting):** ই আত্মশুদ্ধিৰ এক পন্থা। গান্ধীৰ মতে আন্তৰিকতাৰে অনশন কৰিলে শৰীৰ, মন আৰু আত্মা পৰিষ্কাৰ হয়। এটা সম্পূৰ্ণ অনশন

হ'ল সম্পূর্ণ আত্ম পৰিত্যাগ। অহিংসাত বিশ্বাসী লোকৰ বাবে ই এক সম্ভাৱনীয় অস্ত্ৰ। দেশৰ বিপথে পৰিচালিত হোৱা জনসাধাৰণক সুপথলৈ ঘূৰাই আনিবলৈ গান্ধীয়ে প্ৰায়েই অনশনত বহিছিল। তেওঁৰ অনশন কাৰ্যসূচীৰ আগত নতি স্বীকাৰ কৰি আনকি ঔপনিৱেশিক শাসকসকলেও গান্ধীৰ দাবী মানি লৈছিল।

- **নির্ভীকতা (Fearlessness):** ই হ'ল অহিংসাৰ আন এক গুৰুত্বপূৰ্ণ প্ৰয়োজনীয় উপাদান। অহিংসা হ'ল সাহসী লোকৰ গাত থকা গুণ। গান্ধীয়ে বীৰোচিতভাৱে অহিংস কৰ্ম কৰি যাবলৈ সকলোৰে প্ৰতি গোহাৰি জনাইছিল। গান্ধীয়ে হিংসাত্মক প্ৰতিৰোধৰ বিৰোধিতা কৰিছিল। তেওঁ অহিংস যোদ্ধাসকলে নৈতিক সাহস আৰু শক্তি বিকশাই তোলাটো বিচাৰিছিল। অহিংসা মানে হ'ল সম্পূৰ্ণ নিৰ্ভীকতা। ই হ'ল সবাতোকৈ শক্তিশালী আৰু সবাতোকৈ সূক্ষ্ম শক্তি। অন্যক আঘাত কৰিবলৈ অস্বীকাৰ কৰা বীৰ আত্মাবোৰৰ আত্মপ্ৰত্যয়পূৰ্ণ শক্তিৰ প্ৰদৰ্শনেই নিৰ্ভীকতা। অহিংস যোদ্ধাসকলে কাপুৰুষালি এৰাই চলিব লাগে।
- **অধিকাৰ স্বত্বহীনতা (Non possession):** এগৰাকী অহিংস সৈনিকে জীৱনত সকলো পার্থিৱ বস্তুৰ প্ৰতি অনাশক্তি (non-attachment) অথবা উদাসীন মনোভাৱ (detached interest) গঢ়ি তুলিব লাগিব। অধিকাৰ স্বত্বহীনতা নীতি চিন্তা আৰু পার্থিৱ বস্তু উভয়ৰে ক্ষেত্ৰতে প্ৰযোজ্য। ঈশ্বৰৰ পৰা আমাক আঁতৰাই নিয়া চিন্তা অথবা আমাক ঈশ্বৰমুখী নকৰা চিন্তাই আমাৰ উন্নতিৰ পথত বাধাৰ সৃষ্টি কৰে।
- **অধ্যৱসায় (Perseverance):** অহিংসাতকৈ হিংসাৰ পৰিণাম দ্ৰুতগতিত দৃষ্টিগোচৰ হয়। সেয়েহে অহিংসাত বিশ্বাস কৰা ব্যক্তি ধৈর্য আৰু অধ্যৱসায়ৰ গৰাকী হোৱা উচিত। তেওঁ উপলব্ধি কৰিব পাৰিব লাগিব যে হিংসাৰ তাৎক্ষণিক পৰিণাম স্থিৰ আৰু স্থায়ী নহয়। এগৰাকী অহিংস ব্যক্তিৰ কোনোদিন পৰাজয় নহয়, কাৰণ ঈশ্বৰৰ ওপৰত তেওঁৰ অটল বিশ্বাস আছে। ধৈর্য আৰু অধ্যৱসায়ৰ প্ৰদৰ্শন এলাহ আৰু ***অদৃষ্টবাদৰ*** পৰিচায়ক নহয়। গান্ধীৰ ভাৰত ত্যাগ আন্দোলন হ'ল অহিংস আৰু অধ্যৱসায়ৰ উদাহৰণ।



অদৃষ্টবাদঃ মানুহৰ নিয়ন্ত্ৰণাধীন নোহোৱাকৈ সকলো ঘটনা আগতীয়াকৈ এক অলৌকিক শক্তিৰ দ্বাৰা নির্ধাৰিত হৈ থকাৰ বিশ্বাস।

১২.৩.২ সত্যাগ্ৰহ সম্পর্কে ধাৰণা

মহাত্মা গান্ধীয়ে অহিংসাৰ আদর্শ বাস্তৱত ৰূপায়িত কৰিবলৈ সত্যাগ্ৰহৰ কৌশলটো ব্যক্ত কৰিছিল। সত্যৰ খাটিৰত সত্যাগ্ৰহে নৈতিক চাপৰ সৃষ্টি কৰে।

গান্ধীৰ মতে অহিংসাৰ মাধ্যমেৰে সত্য প্ৰতিষ্ঠা কৰাৰ বাবে অন্তহীন প্ৰয়াস কৰি যোৱাই এগৰাকী সত্যাগ্ৰহীৰ অৱশ্যে কৰণীয় কৰ্তব্য। সকলো প্ৰকাৰৰ কু-কৰ্ম, অন্যায়, অশুদ্ধতা আৰু অসত্যক প্ৰেম, আত্মপীড়া আৰু আত্মশুদ্ধিৰ দ্বাৰা বাধা দিয়াৰ কৌশলেই হ'ল সত্যাগ্ৰহ। সত্যাগ্ৰহৰ জৰিয়তে প্ৰতিপক্ষৰ আত্মাত স্বৰ্গীয় জ্যোতিৰ পৰশ পৰাৰ কামনা কৰা হয়। গান্ধীয়ে ইয়াক প্ৰেমময় শক্তি অথবা আত্মিক শক্তি আখ্যা দিছিল। অন্যক প্ৰেমেৰে প্ৰভাৱিত কৰাৰ পদ্ধতিয়েই সত্যাগ্ৰহ। ই বলপূৰ্বকভাৱে কাম সমাধা কৰাৰ সম্পূৰ্ণ বিপৰীত ধাৰণা। সত্যাগ্ৰহে প্ৰতিপক্ষক আহত নকৰে। ই অমায়িকভাৱে কৰা যুক্তি-তৰ্কৰ যোগেদি প্ৰতিপক্ষক যুক্তিবাদী হ'বলৈ নাইবা আত্মবলিদানৰ যোগেদি প্ৰতিপক্ষৰ হৃদয় সলনি কৰিবলৈ গোহাৰি জনায়। এগৰাকী সত্যাগ্ৰহীয়ে প্ৰতিপক্ষৰ ৰূপান্তৰ ঘটালে নিষ্ক্ৰিয়ভাৱে অপেক্ষা নকৰে। তেওঁ সাহসেৰে এনে কিছুমান কাম কৰে যিবোৰে প্ৰতিপক্ষৰ মনত বোধোদয় ঘটায় আৰু হৃদয় পৰিৱৰ্তন কৰে।

গান্ধীয়ে ৰাজনৈতিক পট পৰিৱৰ্তনৰ স্বীকৃত আহিলা হিচাপে নিষ্ক্ৰিয় প্ৰতিৰোধৰ সলনি 'সত্যাগ্ৰহ'ৰ কৌশলটো উচিত বুলি গণ্য কৰিছিল। গান্ধীয়ে প্ৰতিপক্ষৰ শাৰীৰিক আঘাত সহিবলৈও সন্মত হৈছিল যদিহে এনে আঘাত কৰাৰ পিছত প্ৰতিপক্ষৰ বিবেচনা শক্তি জাগৃত হয় আৰু তেওঁ প্ৰকৃত সত্য অনুধাৱন কৰিবলৈ শিকে। যদি প্ৰতিপক্ষৰ অন্তৰ সলনি হয় আৰু তেওঁ সত্যক স্বীকাৰ কৰি লয়, তেন্তে ইয়াৰ বাবে সত্যাগ্ৰহীয়ে প্ৰাণ ত্যাগ কৰিবলৈকো কুণ্ঠাবোধ নকৰে। এগৰাকী সত্যাগ্ৰহী অপৰিসীম ধৈৰ্যৰ গৰাকী হ'ব লাগে। তেওঁ শত্ৰুৰ সৈতে ধৈৰ্য আৰু সহানুভূতিৰে যুঁজিব লাগে। তেওঁ প্ৰতিপক্ষৰ সলনি নিজকে পীড়া দি সত্যৰ পথত অবিচলিত হৈ ৰ'ব লাগে।

- **সত্যাগ্ৰহৰ পদ্ধতি ঃ** সত্যাগ্ৰহৰ দুটা প্ৰধান পদ্ধতি হ'ল 'অসহযোগ' (Non-co-operation) আৰু 'আইন অমান্য' (Civil Disobedience)।

  - **অসহযোগ (Non-Co-operation)**

    গান্ধীৰ মতে এখন চৰকাৰে তেতিয়াহে অন্যায় অব্যাহত ৰাখিব পাৰে যেতিয়া দেশৰ নাগৰিকে অন্যায়ৰ প্ৰতি সহযোগিতাৰ হাত আগবঢ়ায়। জনসাধাৰণৰ অসহযোগিতাই চৰকাৰ এখনক নিশ্চল কৰি তোলাটো ধুৰূপ। হৰতাল, সামাজিকভাৱে এঘৰীয়াকৰণ নাইবা পিকেটিং আদিৰ জৰিয়তে অসহযোগৰ কাৰ্য-কলাপ আগবঢ়াই নিয়া হয়। অসহযোগিতা বিভিন্ন প্ৰকাৰৰ কৌশল, যেনে— হৰতাল, সামাজিক এঘৰীয়াকৰণ, পিকেটিং আদি তলত বৰ্ণনা কৰা হ'ল—

ক) **হৰতাল (Hartal)** ঃ হৰতাল মানে হ'ল বিৰোধ প্ৰদৰ্শন কৰি ব্যৱসায়কেন্দ্ৰিক কাম-কাজ বন্ধ কৰি দিয়া। ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল জনতা আৰু চৰকাৰৰ দৃষ্টি আৰু মনোযোগ আকৰ্ষণ কৰা। হৰতাল স্বৈচ্ছিক আৰু অহিংস হ'ব পাৰে। হৰতাল সঘনাই কৰিব পৰা নাযায়।

খ) **সামাজিকভাৱে এঘৰীয়াকৰণ (Social Ostracism)** ঃ সামাজিকভাৱে এঘৰীয়াকৰণ হ'ল যিসকলে ৰাজহুৱা মতামতৰ বিৰোধিতা কৰে সেইসকলক সামাজিকভাৱে বয়কট কৰা প্ৰক্ৰিয়া। অৱশ্যে ইয়াৰ প্ৰয়োগ অতি সীমিত হ'ব লাগে।

গ) **পিকেটিং (Picketing)** ঃ পিকেটিঙৰ উদ্দেশ্য হ'ল ধৰ্মঘট চলি থকা সময়ত অন্য মানুহক কামত যোগদান কৰাত বাধা প্ৰদান কৰা। কোনো এটা বিশেষ কাৰণত জনসাধাৰণৰ মনযোগ আকৰ্ষণ কৰিবলৈও পিকেটিঙৰ আশ্ৰয় লোৱা হয়। ই হ'ল জনগণৰ মতামতৰ শক্তি প্ৰদৰ্শন কৰা আৰু দমনকাৰীক সকিয়াই দিয়াৰ পন্থা। পিকেটিঙৰ নামত বল প্ৰয়োগ, ভীতি প্ৰদৰ্শন, অসৌজন্যমূলক আচৰণ, পুত্তলিকা দাহ আৰু আমৰণ অনশন আদিৰ দৰে উপায় বৰ্জন কৰা উচিত।

গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে তেওঁৰ অসহযোগ আন্দোলন কোনো সম্প্ৰদায় অথবা ব্যক্তিৰ বিৰুদ্ধে নাছিল। তেওঁৰ উদ্দেশ্য আছিল ভাৰতীয়ৰ মনত সাহস আৰু নিৰ্ভীকতাৰ বীজ ৰোপণ কৰা।

অসহযোগ কাৰ্যসূচীত সন্নিৱিষ্ট কাৰ্য-কলাপবোৰ হ'ল— ১) খিতাপ আৰু সন্মানীয় কাৰ্যালয়ৰ পদবী ওভটাই দিয়া আৰু স্থানীয় নিকায়সমূহৰ মনোনীত আসনৰ পৰা পদত্যাগ কৰা, ২) চৰকাৰী বিষয়াই তেওঁলোকৰ সন্মানাৰ্থে আয়োজন কৰা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সভা-অনুষ্ঠানত ভাগ ল'বলৈ অস্বীকাৰ কৰা, ৩) চৰকাৰৰ দ্বাৰা স্থাপিত, সাহায্যপ্ৰাপ্ত অথবা নিয়ন্ত্ৰিত বিদ্যালয়-মহাবিদ্যালয়ৰ পৰা লাহে লাহে ল'ৰা-ছোৱালী উলিয়াই নিয়া, ৪) বৃটিছৰ কোৰ্ট-কাছাৰী আৰু ব্যক্তিগত বিবাদ নিষ্পত্তি কৰা প্ৰাধিকৰণসমূহ উকীল আৰু গোচৰীয়া পক্ষই লাহে লাহে বয়কট কৰা, ৫) পুনৰ সংস্কাৰকৃত পৰিষদৰ নিৰ্বাচনৰ পৰা প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰা আৰু ভোটাৰে ভোট দিবলৈ অস্বীকাৰ কৰা, ৬) বিদেশী সামগ্ৰী বৰ্জন কৰা আৰু ৭) অস্ত্ৰ সম্বৰণ কৰা আৰু ৰাজহ পৰিশোধ বন্ধ কৰা।

❍ আইন অমান্য (Civil Disobedience)

অনৈতিক আইনসমূহ ভংগ কৰাকে গান্ধীজীয়ে আইন অমান্য বুলি সংজ্ঞাবদ্ধ কৰিছে। তেওঁ ইয়াক সশস্ত্ৰ বিদ্ৰোহৰ বিকল্প কিন্তু সম্পূৰ্ণ ফলপ্ৰসূ আৰু ৰক্তপাতবিহীন প্ৰতিবাদ বুলি বিবেচনা কৰিছিল। তেওঁৰ বাবে আইন অমান্য মানে হ'ল "এক শান্তিপূৰ্ণ প্ৰক্ৰিয়াৰে কৰ্তৃপক্ষৰ

বিৰুদ্ধে সম্পূৰ্ণ প্ৰতিৰোধ'' গঢ়ি তোলাৰ উপায়। তেওঁৰ মতে ''অসামৰিক আইন অমান্য কাৰ্যসূচী আন্তৰিক, সন্মানীয় আৰু সংযত হ'বই লাগিব। ই কেতিয়াও উদ্ধতালি দেখুৱাব নোৱাৰে। আইন অমান্য কাৰ্যসূচী কিছুমান ভালদৰে বোধগম্য নীতিৰ ওপৰত আধাৰিত হ'ব লাগিব, কেতিয়াও খাম-খেয়ালিপূৰ্ণ হ'ব নোৱাৰে আৰু ইয়াৰ আঁৰত কোনো অশুভ ইচ্ছা অথবা ঘৃণা থাকিব নোৱাৰে''। তেওঁ মতপোষণ কৰিছিল যে আইন অমান্য কাৰ্যসূচী অতি সাৱধানে অনুশীলন কৰা উচিত। সাধাৰণ আইন-শৃংখলাজনিত নিয়ম ভংগ কৰাৰ সময়ত যাতে ই হিংসাত্মক ৰূপ ধাৰণ কৰিব নোৱাৰে তাৰ বাবে সম্ভৱপৰ সকলো সাৱধানতা অৱলম্বন কৰিব লাগে।

গান্ধীৰ মতে আইন অমান্য কাৰ্য-কলাপ দুই ধৰণৰ হ'ব পাৰে— ব্যক্তিগত আৰু সমূহীয়া আইন-অমান্য। গান্ধীয়ে মত প্ৰকাশ কৰিছিল যে সম্পূৰ্ণ আইন অমান্য কাৰ্য-কলাপ এক সম্ভাৱনাপূৰ্ণ অস্ত্ৰ হৈ উঠিব পাৰে ই সশস্ত্ৰ বিদ্ৰোহতকৈ অধিক ফলদায়ক হ'ব পাৰে।

১২.৩.৩ স্বদেশী সম্পৰ্কে ধাৰণা

'স্বদেশ'ৰ শাব্দিক অৰ্থ হ'ল 'নিজৰ দেশ'। গান্ধীৰ বাবে ৰাজনৈতিকভাৱে 'স্বদেশ' মানে আছিল জাতীয়তাবাদ। ই হ'ল প্ৰবুদ্ধ দেশপ্ৰেমৰ মূলনীতি। অৰ্থনৈতিকভাৱে 'স্বদেশী' মানে হ'ল ব্যক্তিৰ তাৎক্ষণিক চৌপাশত উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰ আৰু ইয়াৰ দ্বাৰা বিত্তৰ নাটনিত ভোগা উদ্যোগবোৰক ফলপ্ৰসূ তথা স্বয়ংসম্পূৰ্ণ কৰি তোলা। স্বদেশী নীতিৰ জৰিয়তে আচলতে বিকাশৰ সম্ভাৱনীয়তা থকা ঘৰুৱা উদ্যোগবোৰক সুৰক্ষিত ৰখাৰ গোহাৰি জনোৱা হৈছিল। স্বদেশী ধাৰণাটোৰে অন্য দেশৰ প্ৰতি বিদ্বেষভাৱ বুজোৱা হোৱা নাছিল। গান্ধীয়ে খাদীক স্বদেশী নীতিৰ এক গুৰুত্বপূৰ্ণ অংশ বুলি গণ্য কৰিছিল। খাদীয়ে বিদেশী বস্তুৰ ওপৰত নিৰ্ভৰশীল হোৱাতকৈ ঘৰতে বোৱা কাপোৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। গতিকে খাদীয়ে ভাৰতীয় জনগণৰ বাবে স্বাধীনতা আৰু স্বনিৰ্ভৰশীলতাৰ মূল্যৰ প্ৰতীক বহন কৰে।

১২.৩.৪ ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা

গান্ধীয়ে এখন ৰাষ্ট্ৰহীন সমাজ প্ৰতিষ্ঠা কৰিব খুজিছিল। কিন্তু মাৰ্ক্সবাদীসকলৰ দৰে তেওঁ ৰাষ্ট্ৰৰ বৈপ্লৱিক পৰিসমাপ্তি বিচৰা নাছিল। অহিংসা নীতিৰ যোগেদি (non-violence and Ahimsa) তেওঁ এক নতুন বিন্যাসৰ সমাজ গঠন কৰিব খুজিছিল য'ত ৰাষ্ট্ৰৰ ভূমিকা হ'ব অতি সীমিত। তেওঁৰ মতে ৰাষ্ট্ৰ কেতিয়াও এক স্বাভাৱিক আৰু

অত্যাৱশ্যকীয় অনুষ্ঠান নহয়। তেওঁ নিম্নলিখিক যুক্তিৰ আধাৰত ৰাষ্ট্ৰৰ অস্তিত্ব নাকচ কৰিছিল— ক) ৰাষ্ট্ৰৰ ভেঁটি হিংসাৰ ওপৰত প্ৰতিষ্ঠিত। ই হিংসাত্মক কাৰ্যৰ ঘণীভূত আৰু সংগঠিত ৰূপ প্ৰতিনিধিত্ব কৰে। ৰাষ্ট্ৰ হ'ল এটা আত্মাহীন যন্ত্ৰ। ইয়াক হিংসাৰ পৰা আঁতৰাই আনিব নোৱাৰি কাৰণ হিংসাই ইয়াৰ অস্তিত্বৰ আধাৰ। খ) ৰাষ্ট্ৰৰ শক্তিপ্ৰয়োগকাৰী কৰ্তৃপক্ষই ব্যক্তিৰ স্বতন্ত্ৰতা আৰু ব্যক্তিত্ব ধ্বংসকাৰীৰ ভূমিকা ল'ব পাৰে আৰু গ) এখন অহিংস সমাজত ৰাষ্ট্ৰৰ অস্তিত্ব অত্যাৱশ্যকীয় নহয়।

গান্ধীৰ ৰাষ্ট্ৰহীন সমাজত স্বয়ংসম্পূৰ্ণ আৰু স্ব-শাসিত গ্ৰাম্য সম্প্ৰদায় থাকিব। প্ৰত্যেক গাঁৱতে একোখন পঞ্চায়ত থাকিব। গাঁওবোৰৰ সম্পূৰ্ণ প্ৰশাসনিক ক্ষমতা থাকিব, নিজৰ সকলো প্ৰয়োজনীয়তা নিজে পূৰাবলৈ সক্ষম হ'ব আৰু আনকি নিজৰ প্ৰতিৰক্ষাৰ বাবে সক্ষম হ'ব। এনে স্বয়ংসম্পূৰ্ণ গাঁওবোৰ স্বেচ্ছাই এক যুক্তৰাষ্ট্ৰৰ (federation) অধীন হ'ব, যাৰ কোনো আৰক্ষী নাইবা সামৰিক বাহিনী নাথাকিব। এনেকুৱা সমাজত কোনো ডাঙৰ চহৰ, কোৰ্ট-কাছাৰী, কাৰাগাৰ অথবা গুৰু উদ্যোগ নাথাকিব। জীৱন সৰল হ'ব আৰু সভ্যতা গ্ৰাম্য হ'ব। কৰ্তৃপক্ষৰ কোনো কেন্দ্ৰীয়কৰণ প্ৰক্ৰিয়া নাথাকিব। গান্ধীৰ অহিংস সমাজৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল স্বৈচ্ছিক সহযোগিতা আৰু বিকেন্দ্ৰীকৰণ। গাঁওবোৰ স্বয়ংসম্পূৰ্ণ আৰু স্বায়ত্বশাসিত হ'লেই সমাজত প্ৰকৃত 'স্বৰাজ' স্থাপিত হ'ব।

গান্ধীৰ সপোনাৰ ৰাজ্যখন আছিল এখন অহিংস গণতান্ত্ৰিক ৰাজ্য। ইয়াত সামাজিক জীৱন স্ব-শাসিত হ'ব। প্ৰত্যেকেই নিজে নিজৰ শাসক হ'ব। গান্ধীয়ে তেওঁৰ আদৰ্শ ৰাজ্যখনক 'ৰামৰাজ্য' নাম দিছিল; যাৰ আধাৰ আছিল পাৰস্পৰিক সদিচ্ছা আৰু সহিষ্ণুতা।

১২.৩.৫ অৰ্থনীতি সম্পৰ্কে ধাৰণা

গান্ধীজীয়ে সহজ-সৰল জীৱন-যাপন আৰু উচ্চ চিন্তাত বিশ্বাস কৰিছিল। তেওঁ অনা-পুঞ্জীকৰণ (non accumulation), চুৰি নকৰা (non stealing) আৰু অভাবীজনৰ সৈতে ভগাই লোৱা ধাৰণাত বিশ্বাস কৰিছিল। তেওঁ গাঁওবোৰৰ অৰ্থনীতি সবল কৰাত জোৰ দিছিল। তেওঁ কৈছিল যে কোনো কাৰ্যত খটোৱা মানুহৰ কঠোৰ শ্ৰমক উচিত স্বীকৃতি দিয়া উচিত। তেওঁ বিচাৰিছিল যে খাদী উদ্যোগে ভাৰতৰ অৰ্থনৈতিক স্বাধীনতাৰ প্ৰতীক বহন কৰিব আৰু ই বিকেন্দ্ৰীকৰণ প্ৰক্ৰিয়াতো সহায় কৰিব।

গান্ধীয়ে কুটীৰ আৰু অন্য থলুৱা উদ্যোগৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁ উৎপাদন পদ্ধতিৰ কেন্দ্ৰীয়কৰণৰ বিৰোধী আছিল। তেওঁ এনে এটা ন্যাস প্ৰণালী (Trust system) গঢ়ি তোলাৰ পক্ষপাতী আছিল যাৰ দ্বাৰা উদ্যোগপতি আৰু জমিদাৰসকলে তেওঁলোকৰ অতিৰিক্ত মাটি আৰু সম্পত্তি এনে ন্যাসলৈ আগবঢ়াব

পাৰে। মানুহৰ সাধাৰণ কল্যাণৰ বাবে গঠিত এনে ন্যাসবোৰ উদ্যোগপতি, জমিদাৰ আৰু শ্ৰমিক সকলোৱে মিলি পৰিচালনা কৰিব। নিবনুৱা সমস্যা আঁতৰ কৰিবলৈ গান্ধীয়ে খাদী উদ্যোগ, কুটীৰ উদ্যোগ আৰু অন্য থলুৱা উদ্যোগৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ এনে উদ্যোগবোৰ ন-ন যন্ত্ৰপাতিৰে সমৃদ্ধ আৰু আধুনিক কৰাত জোৰ দিছিল যাতে সৰ্বাধিক পৰিমাণৰ সামগ্ৰী উৎপাদন কৰিব পাৰে। গান্ধীয়ে ভাবিছিল যে ঘৰুৱা ব্যৱহাৰৰ কাৰণে প্ৰয়োজনীয় সামগ্ৰী ৰপ্তানি কৰিব নালাগে।

১২.৩.৬ ধৰ্ম আৰু ৰাজনীতি সম্পৰ্কে ধাৰণা

গান্ধীয়ে ধৰ্ম আৰু অহিংসাত বিশ্বাস কৰিছিল। তেওঁ কৈছিল যে তেওঁৰ বাবে ধৰ্ম অবিহনে কোনো ৰাজনীতি নাই। ধৰ্মহীন ৰাজনীতি হ'ল আত্মাক হত্যা কৰা এক মৰণ ফান্দ। তেওঁৰ মতে প্ৰকৃত ধৰ্মই মানুহৰ নৈতিক প্ৰমূল্য বিকাশৰ ওপৰত জোৰ দিয়ে। ধৰ্ম মানে হ'ল ঈশ্বৰৰ অস্তিত্বত দৃঢ় বিশ্বাস আৰু মানৱ জাতিৰ বাবে প্ৰেম। এগৰাকী ব্যক্তিৰ ধৰ্মবিশ্বাস যিয়েই নহওক কিয় তেওঁৰ মানৱ জাতিৰ ওপৰত অবিচল বিশ্বাস থকা উচিত।

গান্ধীৰ ৰাজনৈতিক দৃষ্টিভংগী আছিল প্ৰকৃত ধৰ্মনিৰপেক্ষতাৰ নীতিৰ (doctrine of enlightened secularism) ওপৰত আধাৰিত। তেওঁ পৃথিৱীৰ সকলো ধৰ্মকে সমান বুলি ভাবিছিল আৰু সকলো ধৰ্মক সত্য অথবা ঈশ্বৰৰ ৰূপ বুলি চিহ্নিত কৰিছিল। এগৰাকী ব্যক্তিয়ে একাধিক ধৰ্মত বিশ্বাস কৰিব পাৰে কিন্তু তেওঁ ধৰ্মক ঘৃণা, শত্ৰুতা অথবা দ্বেষৰ আহিলা হিচাপে ব্যৱহাৰ কৰিব নোৱাৰিব। ধৰ্মৰ শক্তিৰে প্ৰভাৱিত নকৰাকৈ অহিংসা আৰু সত্যাগ্ৰহৰ কৌশল সফলভাৱে প্ৰয়োগ কৰিব নোৱাৰি। এটা প্ৰকৃত ধাৰ্মিক মনোভাৱ মানে হ'ল ভাগৱদ গীতাৰ নীতি অনুসৰণ কৰি নিঃস্বাৰ্থ সেৱা আগবঢ়োৱাৰ মনোভাৱ। ইয়াক কৰ্মযোগ বোলা হয়। এনে মনোভাৱেৰেহে মানৱ জাতিৰ প্ৰগতিশীল বিস্তাৰ সম্ভৱপৰ হ'ব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ অহিংসাৰ প্ৰয়োজনীয় উপাদানবোৰ কি কি?

.....

.....

প্ৰশ্ন ২ ঃ গান্ধীৰ অহিংস সমাজৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল স্বেচ্ছিক সহযোগিতা আৰু বিকেন্দ্ৰীকৰণ। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৩ ঃ অসহযোগ কার্যসূচীত অন্তর্গত যিকোনো দুটা কার্য উল্লেখ কৰক।

.....

.....

প্রশ্ন ৪ ঃ স্বদেশী সম্পর্কে গান্ধীৰ ধাৰণা ব্যাখ্যা কৰক।

.....

.....

.....

প্রশ্ন ৫ ঃ "গান্ধীয়ে কুটীৰ আৰু অন্য থলুৱা উদ্যোগৰ পৃষ্ঠপোষকতা কৰিছিল।" ব্যাখ্যা কৰা।

.....

.....

.....



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৬৯ চনৰ ২ অক্টোবৰত গুজৰাটৰ পোৰবন্দৰত মোহনদাস কৰমচান্দ গান্ধীৰ জন্ম হৈছিল। ৰবীন্দ্রনাথ ঠাকুৰে গান্ধীজীৰ মহান শান্তিপ্রিয় চিন্তা আৰু কার্য-কলাপৰ বাবে পোনপ্রথমবাৰৰ বাবে তেওঁক 'মহাত্মা' বুলি সম্বোধন কৰিছিল।
- মহাত্মা গান্ধীৰ এক উল্লেখযোগ্য অৱদান হ'ল অহিংসা নীতি সম্পর্কে তেওঁ দাঙি ধৰা বিস্তৃত সংজ্ঞা। অহিংসাৰ ধাৰণাটোক ব্যক্তিগত অনুপ্রেৰণাদায়ী মতবাদ বোলাৰ সলনি গান্ধীয়ে ইয়াক প্রত্যক্ষ গণক্রিয়াৰ এটা সফল কৌশল বুলি গণ্য কৰিছিল।
- মহাত্মা গান্ধীৰ মতে অহিংসাৰ প্রয়োজনীয় উপাদানবোৰ হ'ল— সত্যবাদিতা, আত্মিক শুদ্ধতা, অনশন, নির্ভীকতা, অধিকাৰ স্বত্বহীনতা আৰু অধ্যৱসায়।
- মহাত্মা গান্ধীয়ে অহিংসাৰ আদর্শ বাস্তৱত ৰূপায়িত কৰিবলৈ সত্যাগ্রহৰ কৌশলটো ব্যক্ত কৰিছিল। সত্যৰ খাটিৰত সত্যাগ্রহে নৈতিক চাপৰ সৃষ্টি কৰে।
- গান্ধীয়ে ৰাজনৈতিক পট পৰিৱর্তনৰ স্বীকৃত আহিলা হিচাপে নিষ্ক্রিয় প্রতিৰোধৰ সলনি 'সত্যাগ্রহ'ৰ কৌশলটো উচিত বুলি গণ্য কৰিছিল।
- সত্যাগ্রহ প্রদর্শনৰ পন্থা কেইটামান হ'ল— অসহযোগ, আইন অমান্য, অনশন, শান্তিপূর্ণ পিকেটিং, ধর্ণা ইত্যাদি।
- 'স্বদেশ'ৰ শাব্দিক অর্থ হ'ল— 'নিজৰ দেশ'। গান্ধীৰ বাবে ৰাজনৈতিকভাৱে 'স্বদেশ' মানে আছিল জাতীয়তাবাদ।

- অর্থনৈতিকভাৱে স্বদেশী নীতিৰ জৰিয়তে বিকাশৰ সম্ভাৱনীয়তা থকা থলুৱা উদ্যোগবোৰক সুৰক্ষিত ৰখাৰ গোহাৰি জনোৱা হৈছিল। গান্ধীয়ে খাদীক স্বদেশী নীতিৰ এক গুৰুত্বপূৰ্ণ অংশ বুলি গণ্য কৰিছিল।
- গান্ধীয়ে স্থাপন কৰিব বিচৰা কল্পনাৰ ৰাষ্ট্ৰহীন সমাজখনত স্বয়ংসম্পূৰ্ণ আৰু স্ব-শাসিত গ্ৰাম্য সম্প্ৰদায় থাকিব। প্ৰত্যেক গাঁৱতে একোখন পঞ্চায়ত থাকিব। গাঁওবোৰৰ সম্পূৰ্ণ প্ৰশাসনিক ক্ষমতা থাকিব, নিজৰ সকলো প্ৰয়োজনীয়তা পূৰাবলৈ সক্ষম হ'ব আৰু প্ৰয়োজন সাপেক্ষে প্ৰতিৰক্ষা ব্যৱস্থাও গ্ৰহণ কৰিব পাৰিব।
- গান্ধীয়ে কুটীৰ আৰু অন্য থলুৱা উদ্যোগৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁ উৎপাদন পদ্ধতিৰ কেন্দ্ৰীয়কৰণৰ বিৰোধী আছিল।
- গান্ধীৰ ৰাজনৈতিক দৃষ্টিভংগী আছিল ধৰ্মনিৰপেক্ষতাৰ নীতিৰ ওপৰত আধাৰিত। তেওঁ পৃথিৱীৰ সকলো ধৰ্মকে সমান বুলি ভাবিছিল আৰু সকলো ধৰ্মক সত্য অথবা ঈশ্বৰৰ ৰূপ বুলি চিহ্নিত কৰিছিল।



১২.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Asirvatham, E. & Mishra, K.K (1990). *Political theory*. New Delhi: S.Chand & Company Ltd.
2. Bhagavan, V. (1999). *Indian political thinkers*. Delhi: Atma Ram and Sons Publications.
3. Jayapalan, N. (2003). *Indian political thinkers: Modern Indian political thought*. New Delhi: Atlantic Publishers and Distributors.
4. Mohanty , D. K. (2007). *Indian political tradition- From Manu to Ambedkar*. New Delhi: Anmol Publications Pvt. Ltd.
5. Rathod, P.B. & Rathod, V. (2006). *Indian political thinkers*. New Delhi: Commonwealth Publishers.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

১২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সত্যবাদিতা, আত্মিক শুদ্ধতা, অনশন, নিৰ্ভীকতা, অধিকাৰ স্বত্বহীনতা, অধ্যৱসায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) খিতাপ আৰু সন্মানীয় কাৰ্যালয়ৰ পদবী ওভটাই দিয়া আৰু স্থানীয় নিকায়সমূহৰ মনোনীত আসনৰ পৰা পদত্যাগ কৰা,

খ) চৰকাৰী বিষয়াই তেওঁলোকৰ সন্মানাৰ্থে আয়োজন কৰা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সভা-অনুষ্ঠানত ভাগ ল'বলৈ অস্বীকাৰ কৰা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'স্বদেশ'ৰ শাব্দিক অৰ্থ হ'ল 'নিজৰ দেশ'। গান্ধীৰ বাবে ৰাজনৈতিকভাৱে 'স্বদেশ' মানে আছিল জাতীয়তাবাদ। ই হ'ল প্ৰবুদ্ধ দেশপ্ৰেমৰ মূলনীতি। অৰ্থনৈতিকভাৱে 'স্বদেশী' মানে হ'ল ব্যক্তিৰ তাৎক্ষণিক চৌপাশত উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰ আৰু ইয়াৰ দ্বাৰা বিত্তৰ নাটনিত ভোগা উদ্যোগবোৰক ফলপ্ৰসূ তথা স্বয়ংসম্পূৰ্ণ কৰি তোলা। স্বদেশী নীতিৰ জৰিয়তে আচলতে বিকাশৰ সম্ভাৱনীয়তা থকা ঘৰুৱা উদ্যোগবোৰক সুৰক্ষিত ৰখাৰ গোহাৰি জনোৱা হৈছিল। স্বদেশী ধাৰণাটোৰে অন্য দেশৰ প্ৰতি বিদ্বেষভাৱ বুজোৱা হোৱা নাছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গান্ধীয়ে কুটীৰ আৰু অন্য থলুৱা উদ্যোগৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁ উৎপাদন পদ্ধতিৰ কেন্দ্ৰীয়কৰণৰ বিৰোধী আছিল। তেওঁ এনে এটা ন্যাস প্ৰণালী (Trust system) গঢ়ি তোলাৰ পক্ষপাতী আছিল যাৰ দ্বাৰা উদ্যোগপতি আৰু জমিদাৰসকলে তেওঁলোকৰ অতিৰিক্ত মাটি আৰু সম্পত্তি এনে ন্যাসলৈ আগবঢ়াব পাৰে। মানুহৰ সাধাৰণ কল্যাণৰ বাবে গঠিত এনে ন্যাসবোৰ উদ্যোগপতি, জমিদাৰ আৰু শ্ৰমিক সকলোৱে মিলি পৰিচালনা কৰিব। নিবনুৱা সমস্যা আঁতৰ কৰিবলৈ গান্ধীয়ে খাদী উদ্যোগ, কুটীৰ উদ্যোগ আৰু অন্য থলুৱা উদ্যোগৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ এনে উদ্যোগবোৰ ন-ন যন্ত্ৰপাতিৰে সমৃদ্ধ আৰু আধুনিক কৰাত জোৰ দিছিল যাতে সৰ্বাধিক পৰিমাণৰ সামগ্ৰী উৎপাদন কৰিব পাৰে। গান্ধীয়ে ভাবিছিল যে ঘৰুৱা ব্যৱহাৰৰ কাৰণে প্ৰয়োজনীয় সামগ্ৰী ৰপ্তানি কৰিব নালাগে।



১২.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ অহিংসাৰ দৰ্শন প্ৰয়োগ কৰিবলৈ গান্ধীয়ে কি কৌশল বিকশাই তুলিছিল?

প্ৰশ্ন ২ ঃ ৰামৰাজ্যৰ ধাৰণাটো কোনে আগবঢ়াইছিল?

প্ৰশ্ন ৩ ঃ গান্ধীয়ে কেনে ধৰণৰ অৰ্থনীতিৰ বিষয়ে মত প্ৰকাশ কৰিছিল?

প্ৰশ্ন ৪ ঃ গান্ধীৰ মতে অহিংসাৰ অৰ্থ লিখক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰ সম্পৰ্কে গান্ধীৰ ধাৰণা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ অৰ্থনীতি সম্পৰ্কে গান্ধীৰ দৃষ্টিভংগী ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ স্বদেশী সম্পৰ্কে গান্ধীৰ ধাৰণাৰ বিষয়ে এটি চমুটোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অহিংসা সম্পৰ্কে গান্ধীৰ ধাৰণা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ধৰ্ম আৰু ৰাজনীতি সম্পৰ্কে গান্ধীৰ ধাৰণা বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ কুটীৰ শিল্পৰ ওপৰত গান্ধীৰ ধাৰণা আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ গান্ধীয়ে আগবঢ়োৱা সত্যাগ্ৰহ'ৰ কৌশলসমুহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতৰ ৰাজনৈতিক চিন্তাৰ বিকাশত মহাত্মা গান্ধীৰ অৱদান বৰ্ণনা কৰক।

****

অধ্যায় ১৩ ঃ জৱাহৰলাল নেহৰু

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ জৱাহৰলাল নেহৰু

১৩.৩.১ জাতীয়তাবাদৰ ধাৰণা

১৩.৩.২ কল্যাণকামী ৰাষ্ট্ৰ আৰু মিশ্ৰ অৰ্থনীতি সম্পৰ্কে ধাৰণা

১৩.৩.৩ ধৰ্মনিৰপেক্ষতাৰ ধাৰণা

১৩.৩.৪ গণতন্ত্ৰৰ ধাৰণা

১৩.৩.৫ আন্তঃৰাষ্ট্ৰীয়তাবাদৰ ধাৰণা

১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৫ অধিক জানিবলৈ

১৩.৬ অগ্ৰগতিৰ খতিয়ান

১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- নেহৰুৰ সামাজিক আৰু ৰাজনৈতিক দৰ্শন আলোচনা কৰিব পাৰিব
- নেহৰুৰ জাতীয়তাবাদ আৰু ধৰ্মনিৰপেক্ষতাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- গণতন্ত্ৰ আৰু আন্তঃৰাষ্ট্ৰীয়তাবাদ সম্পৰ্কে নেহৰুৰ ধাৰণা আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

যিকোনো ৰাজনৈতিক ব্যৱস্থাৰ ইতিহাসৰ বিভিন্ন পৰ্যায়ত গুৰুত্বপূৰ্ণ ব্যক্তিসকলে প্ৰকাশ কৰা আৰু অনুসৰণ কৰা বিভিন্ন প্ৰমূল্য আৰু ধাৰণাই ব্যৱস্থাটোৰ বিৱৰ্তনত সহায় কৰে। ভাৰতত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আৰু বি.আৰ. আম্বেদকাৰকে ধৰি আন বহুতো নেতৃস্থানীয় ব্যক্তিয়ে চিন্তা আৰু কাৰ্যৰে আগবঢ়োৱা অৱদানে ভাৰতত সমূহীয়া জাতীয় চেতনাৰ উদ্ৰেক কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নেহৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ মহান নেতাসকলৰ মাজৰ এজন আছিল। ভাৰতবৰ্ষৰ ৰাজনৈতিক চিন্তাৰ বিকাশত তেওঁ যথেষ্ট অৰিহণা যোগাইছিল। বিভিন্ন বিষয়ৰ ওপৰত আগবঢ়োৱা তেওঁৰ ধাৰণা আৰু দৃষ্টিভংগীয়ে ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত ভালেখিনি প্ৰভাৱ বিস্তাৰ কৰিছিল। এই অধ্যায়টিত আমি ভাৰতৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গভীৰ প্ৰভাৱ পেলোৱা নেহৰুৰ কিছুমান গুৰুত্বপূৰ্ণ দৃষ্টিভংগী আৰু ধাৰণা আলোচনা কৰিম।

১৩.৩ জৱাহৰলাল নেহৰু

১৮৮৯ চনৰ ১৪ নৱেম্বৰত এলাহবাদত জৱাহৰলাল নেহৰুৰ জন্ম হৈছিল। তেওঁৰ পিতৃ মতিলাল নেহৰু এগৰাকী খ্যাতনামা আইনজীৱী আছিল। নেহৰুৱে পৃথিৱীৰ কেইবাখনো বিখ্যাত বিদ্যালয় আৰু বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল। তেওঁ তেওঁৰ শিক্ষকসকলৰ তত্ত্বাৱধানত শিক্ষা গ্ৰহণ কৰিছিল। পোন্ধৰ বছৰ বয়সত তেওঁক তেওঁৰ মাক-দেউতাকে লণ্ডনলৈ লৈ গৈছিল আৰু তেওঁ হাৰাউ (Harrow)ত অধ্যয়ন আৰম্ভ কৰিছিল। ১৯০৭ চনত তেওঁ কেম্ব্ৰীজৰ ত্ৰিনিটি মহাবিদ্যালয়ত যোগদান কৰিছিল।

ভাৰতীয় বুৰঞ্জী আৰু ভাৰতৰ ৰাজনৈতিক চিন্তাধাৰালৈ নেহৰুৰ উল্লেখযোগ্য অৱদানসমুহ হ'ল- *Glimpses of World History, Autobiography* আৰু *The Discovery of India*। তেওঁ আধুনিক ভাৰতবৰ্ষ গঢ়াৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। গান্ধীৰ নেতৃত্বত জৱাহৰলাল নেহৰুৱে ভাৰতৰ স্বাধীনতা সংগ্ৰাম আগু�ৱাই নিছিল। স্বাধীনতা লাভৰ পিছত নেহৰু ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হৈছিল।

১৩.৩.১ জাতীয়তাবাদৰ ধাৰণা

নেহৰুৱে জাতীয়তাবাদৰ কোনো নতুন তত্ত্বৰ বিকাশ ঘটোৱা নাছিল। 'Unity of India' শীৰ্ষক প্ৰবন্ধটোত নেহৰুৱে লিখিছে যে তেওঁ ভাৰতৰ মৌলিক একতাৰ উদ্দেশ্যবোৰক বিশ্বাস কৰে। তেওঁৰ মতে বিভিন্ন ধৰণৰ বৈচিত্ৰ্য থকা স্বত্বেও ভাৰতীয় ইতিহাসৰ সিৰাই সিৰাই এক ধৰণৰ একতা প্ৰবাহিত হৈ আছে। সাংস্কৃতিক দ্বৈতবাদ আৰু সংশ্লেষণৰ ধাৰণা দুটাই নেহৰুক প্ৰভাৱিত তথা অনুপ্ৰাণিত কৰিছিল। তেওঁৰ মতে, জাতীয়তাবাদ হ'ল আত্ম-বিবৰ্ধনৰ এটা স্তৰ। নেহৰুৱে আত্ম-সংকল্পবদ্ধতাৰ ধাৰণাটো দৃঢ়ভাৱে বিশ্বাস কৰিছিল।

ৰাজনৈতিক দৰ্শনত বহুলভাৱে বিতৰ্ক তথা আলাপ-আলোচনা চলা বিষয় এটা হ'ল জাতীয়তাবাদ। ভাৰতৰ ৰাজনৈতিক চিন্তাবিদসকলেও বিষয়টো বিস্তৃতভাৱে আলোচনা কৰিছে। ভাৰতৰ আলোচনাবোৰত এটা ধৰ্মীয় ভাবধাৰা নিহিত থকা কথাটো স্পষ্ট ৰূপত ধৰা পৰে। কিন্তু জাতীয়তাবাদক সংকীৰ্ণ অৰ্থেৰে বিচাৰ নকৰি নেহৰুৱে জাতীয়তাবাদ তথা ৰাজনীতি অধ্যয়নৰ এটা ধৰ্মনিৰপেক্ষ পন্থা বিকশাই তোলাত প্ৰধান ভূমিকা লৈছিল। নেহৰু যিটো উদাৰ সাংস্কৃতিক পৰিৱেশত ডাঙৰ দীঘল হৈছিল সেই পৰিৱেশৰ ভিত্তিতে তেওঁ ধৰ্মনিৰপেক্ষতাবাদৰ ধাৰণাটো বিকশিত কৰিছিল। তেওঁ বিভিন্ন ধৰ্মীয় গোটৰ মাজত একতা স্থাপন দৃঢ়তাৰে পোষকতা কৰিছিল। হিন্দু মহাসভাই জাতীয়তাবাদৰ এটা সাম্প্ৰদায়িক ব্যাখ্যা আগবঢ়োৱা কথাটোক তেওঁ কঠোৰ ভাষাৰে নিন্দা কৰিছিল। নেহৰুৰ মতে দেশৰ সকলো ধৰ্ম, বিশেষকৈ হিন্দু আৰু মুছলমান লোকৰ মাজত সমন্বয় বৰ্তাই ৰখাটো সৰ্বাধিক

গুৰুত্বপূৰ্ণ কথা। ভাৰতত যিহেতু এটা সাম্ৰাজ্যবাদ বিৰোধী আন্দোলন চলিছিল, সেয়েহে নেহৰুৱে ভাবিছিল যে কেৱল এটা ধৰ্মনিৰপেক্ষ তথা জাতীয়তাবাদী মনোভাবেহে সাম্ৰাজ্যবাদৰ পোষকতাকাৰী কৰ্তৃপক্ষৰ উপযুক্ত প্ৰত্যাহ্বান জনাব পাৰিব। অৰ্থাৎ, নেহৰু আছিল ধৰ্মনিৰপেক্ষ জাতীয়তাবাদৰ ধাৰণাটোৰ পৃষ্ঠপোষক। নেহৰুৰ জীৱনে তেওঁৰ জাতীয়তাবাদী আৰু আধুনিকতাবাদী চিন্তাক প্ৰতিফলিত কৰে।

নেহৰুৰ জাতীয়তাবাদ তত্ত্ব আৰু অনুশীলনৰ তিনিটা প্ৰধান ভেটি আছে। বৃটিছ শাসকসকলৰ জাত্যাভিমানেতেওঁক চিন্তিত কৰিছিল। নেহৰুৰ জাতীয়তাবাদৰ দ্বিতীয় উৎসটো হ'ল অৰ্থনৈতিক কাৰণ। তেওঁ ভাৰতৰ সৰ্বত্ৰ বিৰাজমান দৰিদ্ৰতা আৰু শোষণৰ বাবে বৃটিছসকলক দোষাৰোপ কৰিছিল। নেহৰুৰ জাতীয়তাবাদৰ তৃতীয় উৎসটো আছিল ৰাজনৈতিক আৰু প্ৰশাসনীয়। বিদেশী সাম্ৰাজ্যবাদী শাসকসকলে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰখনত একাধিপত্য প্ৰদৰ্শন কৰিছিল। এই একাধিপত্যই দেশত আৰম্ভ কৰিব খোজা সকলোবোৰ প্ৰয়াস তথা নিয়ন্ত্ৰণ ব্যৱস্থাটো বৃটিছসকলক নিজৰ হাতত ৰখাৰ সুযোগ দিছিল।

নেহৰুৰ উদাৰ সাংস্কৃতিক শিক্ষাই তেওঁৰ ধৰ্মনিৰপেক্ষ দৃষ্টিভংগীক আগু�ৰাই লৈ গৈছিল। নিজৰ আত্মজীৱনীত নেহৰুৱে হিন্দু মহাসভাৰ প্ৰধান নেতা-কৰ্মীসকলক গৰিহণা দিছিল। তেওঁ মহাসভাক সমাজৰ উচ্চ শ্ৰেণীৰ স্বাৰ্থৰ হকে মাত মতা মুখপত্ৰ আৰু প্ৰতিক্ৰিয়াশীল সংগঠন আখ্যা দিছিল। এগৰাকী সামাজিক বাস্তৱবাদী হিচাপে নেহৰু হিন্দু-মুছলিমৰ মাজত সৃষ্টি হোৱা উদ্বেগৰ ধৰ্মীয় ব্যাখ্যা আৰু স্বাধীনতাৰ আগৰ ভাৰতত দুয়োটা ধৰ্মৰ লোকৰ মাজত আৰম্ভ হোৱা সংঘৰ্ষক লৈ মুঠেই সন্তুষ্ট নাছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত নেহৰুই ৰাষ্ট্ৰীয় সংহতি স্থাপনত জোৰ দিছিল।

১৩.৩.২ কল্যাণকামী ৰাষ্ট্ৰ আৰু মিশ্ৰ অৰ্থনীতি সম্পৰ্কে ধাৰণা

নেহৰুৰ মতে ভাৰতীয় গণতন্ত্ৰৰ লক্ষ্য আছিল ধৰ্মনিৰপেক্ষতা, গণতন্ত্ৰ আৰু সমাজবাদৰ আধাৰত প্ৰতিগৰাকী ব্যক্তিৰে কল্যাণ সুৰক্ষিত কৰা। নেহৰুৰ কল্যাণকামী ৰাষ্ট্ৰৰ বৈশিষ্ট্য আছিল ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমতা। ইয়াৰ মূল উদ্দেশ্য আছিল স্বাধীনতা বজাই ৰখা।

কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাটো ভাৰতীয় সংবিধানতো স্থান পাইছে। সংবিধানৰ লক্ষ্য আছিল দেশৰ জনগণৰ জীৱন-ধাৰণৰ মান উন্নত কৰা আৰু দৰিদ্ৰতা তথা নিবনুৱা সমস্যা নিৰ্মূল কৰা। পিছপৰা সম্প্ৰদায়বোৰক মূলসুঁতিৰ সমকক্ষ কৰাও ইয়াৰ এক প্ৰধান উদ্দেশ্য আছিল। সদায় পিছলৈ ঠেলি থোৱা গ্ৰাম্য ভাৰতখনক কুটীৰ উদ্যোগৰ বিকাশৰ সৈতে সমান্তৰালভাৱে উন্নত কৰি তোলাও ইয়াৰ উদ্দেশ্য আছিল।

অৱশ্যে গান্ধীৰ দৰে নেহৰু গুৰু উদ্যোগ আৰু বৃহৎ যন্ত্ৰ-পাতি ব্যৱহাৰৰ বিৰোধী নাছিল। ইয়াৰ সলনি নেহৰুৱে বিশ্বাস কৰিছিল যে আত্মনিৰ্ভৰশীল হ'বলৈ ঔদ্যোগিক উন্নয়ন হ'বই লাগিব। দেশে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায় লৈ নিজৰ ঔদ্যোগিকীকৰণ নঘটালে কেতিয়াও ৰাজনৈতিক তথা অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল হ'ব নোৱাৰিব আৰু তেনে ক্ষেত্ৰত দেশৰ পৰা দৰিদ্ৰতা সমস্যাটোও আঁতৰাব পৰা নাযাব। তেওঁৰ নিৰ্দেশনাত যুগুত কৰা প্ৰথম পাঁচবছৰীয়া পৰিকল্পনাৰ সময়ত গুৰু উদ্যোগ স্থাপনৰ ওপৰত জোৰ দিয়া হৈছিল।

ৰাজনৈতিক দৃষ্টিভংগীৰে নেহৰুৱে গুৰুত্ব প্ৰদান কৰা কল্যাণকামী ৰাষ্ট্ৰখনৰ আধাৰ আছিল সংসদীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিত্তিত গঠিত এখন প্ৰতিনিধিত্বমূলক চৰকাৰৰ ওপৰত থকা বিশ্বাস। নেহৰুৱে সমতাৰ নীতিত বিশ্বাস কৰিছিল। একেদৰে, তেওঁ সমাজবাদী গণতন্ত্ৰৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিছিল।

নেহৰুৱে দেশত এটা মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থাৰ পোষকতা কৰিছিল। মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থাই কিছু ক্ষেত্ৰত ৰাজহুৱা খণ্ড সহাৱস্থান আৰু আন কোনো কোনো ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ সহাৱস্থানৰ কথা কৈছিল। দেশৰ প্ৰতিৰক্ষাৰ সামগ্ৰী উৎপাদন কৰা উদ্যোগ আৰু সকলোবোৰ মৌলিক গুৰু উদ্যোগ ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰিব লাগে বুলি নেহৰুৱে মতপোষণ কৰিছিল। বাকীবোৰ ক্ষেত্ৰত ব্যক্তিগত উদ্যোগবোৰক অনুমতি দিব পৰা যায়। অৰ্থাৎ, মিশ্ৰ অৰ্থনীতি মানে হ'ল ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সহাৱস্থান।

১৩.৩.৩ ধৰ্মনিৰপেক্ষতাৰ ধাৰণা

নেহৰু কোনো ধৰ্মীয় মতবাদ অথবা ধৰ্মৰ সমৰ্থক নাছিল। তেওঁ ব্যক্তি সত্তাত অৰ্ন্তনিহিত আধ্যাত্মিকতা বিশ্বাস কৰিছিল। তেওঁৰ মতে ধৰ্মনিৰপেক্ষতা কেৱল এক ৰাজনৈতিক নীতি নাছিল। ই হ'ল ভাৰতৰ সকলো ধৰ্ম আৰু সম্প্ৰদায়কে সামৰি লোৱা সামাজিক নীতি। নেহৰুৱে ধৰ্মনিৰপেক্ষতাৰ চাৰিটা দিশ বিশ্বাস কৰিছিল। দিশকেইটা হ'ল—

- **ধৰ্মীয় স্বাধীনতাঃ** ভাৰতৰ সকলো ধৰ্মকে সমান মৰ্যাদা দিয়াই হ'ল ধৰ্মীয় স্বাধীনতা। কোনো ধৰ্মকে কোনো বিশেষ সুবিধা দিয়া নহ'ব। ধৰ্মৰ আধাৰত কোনো সম্প্ৰদায়কে ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰিব পৰা নাযাব।
- **ধৰ্মীয় বিষয়ত ৰাষ্ট্ৰৰ নিৰপেক্ষ অৱস্থানঃ** ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ বৈশিষ্ট্য হ'ল তেনে ৰাষ্ট্ৰৰ কোনো নিজস্ব ধৰ্ম নাথাকে। নেহৰুৱে বিচাৰিছিল যে ৰাষ্ট্ৰই সকলো ধৰ্মৰ সহাৱস্থান নীতি মানি চলিব লাগে। ৰাষ্ট্ৰই নাগৰিকৰ ধৰ্মীয় স্বাধীনতাত হস্তক্ষেপ কৰা অনুচিত।

- **সামাজিক জীৱনত ধর্মনিৰপেক্ষতাঃ** নেহৰুৱে ধর্মনিৰপেক্ষতাক এখন আধুনিক গণতান্ত্রিক সমাজৰ অবিচ্ছেদ্য বৈশিষ্ট্য বুলি গণ্য কৰিছিল। সেয়েহে তেওঁ জাতি-ধর্ম নির্বিশেষে আটাইবোৰ ভাৰতীয় সম্প্রদায়ৰ বাবে এক সমৰূপী অসামৰিক ব্যৱহাৰ সংহিতা (Uniform Civil Code) যুগুত কৰাৰ প্রয়াস কৰিছিল। তেওঁ এনে এখন ৰাষ্ট্র গঠনৰ পোষকতা কৰিছিল যিখনে "সকলো ধর্মকে সুৰক্ষা প্রদান কৰিব, কিন্তু এটা ধর্মৰ ক্ষতি কৰি আন এটা ধর্মৰ পক্ষ নল'ব আৰু ৰাষ্ট্রীয় ধর্ম হিচাপে কোনো এটা বিশেষ ধর্ম গ্রহণ নকৰিব"।
- **ধর্মনিৰপেক্ষতা হ'ল এক মনোভাৱঃ** নেহৰুৰ মতে ধর্মনিৰপেক্ষতা হ'ল বিভিন্ন সম্প্রদায়ৰ মনোভাৱ। তেওঁৰ মতে সংখ্যাগৰিষ্ঠ সম্প্রদায়ে সংখ্যালঘু সম্প্রদায়ৰ প্রতি কেনে মনোভাৱ প্রদর্শন কৰে তাৰ ওপৰতে ধর্মনিৰপেক্ষতা যথেষ্টখিনি নির্ভৰশীল। সংখ্যাগৰিষ্ঠ সম্প্রদায়ৰ সংকীর্ণ আৰু আগ্রাসী মনোভাৱে ভাৰতৰ যিকোনো সংখ্যালঘু সম্প্রদায়ৰ মনত চিন্তাৰ জন্ম দিব বুলি নেহৰুৱে মতপোষণ কৰিছিল। তেওঁ সংখ্যালঘুসকলকো সহনশীল হোৱাটো বিচাৰিছিল। নেহৰুৱে দুয়ো ধৰণৰ সম্প্রদায়কে বহল মনোভাৱৰ গৰাকী হোৱাটো বিচাৰিছিল। ভুল মনোভাৱৰ বশৱর্তী হৈ তেওঁলোকে যাতে ভাৰতৰ ঐক্য আৰু সংহতিৰ প্রতি ভাবুকি কঢ়িয়াই নানে তাৰ বাবে নেহেৰুৱে আহ্বান জনাইছিল।

১৩.৩.৪ গণতন্ত্রৰ ধাৰণা

গণতন্ত্রৰ ধাৰণাটো বিকশিত কৰাৰ ক্ষেত্রত নেহৰু মিল, ৰুছ', মণ্টেস্কু আদিৰ দৰে পশ্চিমীয়া লিখকৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত হৈছিল। তেওঁ সমাজৰ প্রতিজন লোকৰে সর্বাংগীন উন্নতিৰ ওপৰত জোৰ দিছিল। নেহৰুৰ ব্যক্তি সত্তাৰ মর্যাদাৰ প্রতি থকা বিশ্বাসে তেওঁক জনতাৰ ওপৰতো বিশ্বাস স্থাপন কৰাত সহায় কৰিছিল। জনতাৰ ওপৰত থকা বিশ্বাসেই তেওঁৰ গণতন্ত্রৰ ধাৰণাটোৰ মূল ভেঁটি। তেওঁ একনায়কত্ববাদী সমাজৰ বিৰোধিতা কৰিছিল। নেহৰুৱে গণতন্ত্রক জীৱনৰ এক পন্থা আৰু সামাজিক গাঁথনিৰ আধাৰ বুলি গণ্য কৰিছিল। নেহৰুৰ মতে গণতন্ত্র মানে হ'ল এনে এক গতিশীল সমাজ গঠন কৰা য'ত প্রতি গৰাকী ব্যক্তিকে বিকাশৰ সম্পূর্ণ সুযোগ দিব পৰা যায়। গণতন্ত্রৰ এই ধাৰণাটোৰ সৈতে বিভিন্ন ব্যক্তিৰ মাজত মত পার্থক্য থকা স্বত্বেও সহিষ্ণুতা প্রদর্শন কৰাৰ কথাও জড়িত আছে।

নেহৰুৱে সংসদীয় গণতন্ত্রত দৃঢ়ভাৱে বিশ্বাস কৰিছিল। তেওঁ ভাৰতবর্ষক পশ্চিমৰ ঔদ্যোগিক জাতিসমুহৰ লগত আগুৰাই নিবলৈ বিচাৰিছিল। গণতন্ত্রৰ প্রতি বিশ্বাস আৰু দায়বদ্ধতাই নেহৰুৰ আধুনিক ৰাজনৈতিক দৃষ্টিভংগীৰ প্রতি থকা নির্দেশনা দাঙি ধৰে। মহাত্মা গান্ধীৰ ৰাজনৈতিক উত্তৰাধিকাৰী হিচাপে নেহৰুৱে তাত্ত্বিক আৰু ব্যৱহাৰিক দিশত সংসদীয় গণতন্ত্রত দৃঢ় বিশ্বাস কৰিছিল আৰু তেওঁৰ গান্ধীৰ দর্শনৰ ওপৰত

সম্পূর্ণ বিশ্বাস আছিল। তেওঁ পাশ্চ্যাত্যৰ বিশ্বৰ লগত ভাৰতে প্রতিদ্বন্দ্বিতা কৰাৰ লগতে যিকোনো বিষয়েই গণতান্ত্রিক উপায়েৰে নিষ্পত্তি কৰাটো বিচাৰিছিল। সেই একে সময়তে, ঔপনিৱেশিক শাসনকালৰ বেছিভাগ সময়তে তেওঁ ভাৰতবর্ষৰ সমাজবাদী আদর্শৰ লক্ষ্যত উপনীত হ'বলৈ মহৎ উপায় অৱলম্বনৰ ওপৰত গুৰুত্ব দিছিল যিটো এনে লক্ষ্যত উপনীত হ'বলৈ অতি গুৰুত্বপূর্ণ গণতান্ত্রিক দৃষ্টিভংগী আছিল। ই তেওঁৰ আধুনিকতাবাদৰ অনুভূতিৰ স্পষ্ট নির্দেশনা আছিল যাৰ দ্বাৰা তেওঁ অগণতান্ত্রিক দৃষ্টিভংগীক সম্পূর্ণৰূপে একাষৰীয়া কৰিছিল আৰু জনসাধাৰণৰ সঠিক অংশগ্রহণেৰে উন্নতিৰ পথ সুনিশ্চিত কৰিবলৈ বিচাৰিছিল। এই সকলোবোৰে তেওঁক নিশ্চিতভাবে আধুনিক ৰাজনৈতিক চিন্তাবিদৰ সন্মান প্রদান কৰে।

১৩.৩.৫ আন্তঃৰাষ্ট্রীয়তাবাদৰ ধাৰণা

নেহৰুৰ ৰাজনৈতিক চিন্তাত আন্তঃৰাষ্ট্রীয়তাবাদৰ ওপৰত দিয়া গুৰুত্ব সুস্পষ্ট ৰূপত প্রকাশিত হৈছে। নেহৰুৱে জাতীয়তাবাদ আৰু আন্তঃৰাষ্ট্রীয়তাবাদৰ ধাৰণাৰ মাজত সমন্বয় সাধন কৰাৰ প্রয়াস কৰিছিল। তেওঁৰ মতে জাতীয়তাবাদ কেৱল এক উদ্দেশ্যেই নহয়, ই হৈছে আন্তঃৰাষ্ট্রীয়তাবাদৰ লক্ষ্যত উপনীত হোৱাৰ দিশে আগবঢ়োৱা এক পদক্ষেপ। নেহৰুৱে তেওঁৰ জাতীয়তাবাদৰ ধাৰণাটোৰে এটা গণতান্ত্রিক দৃষ্টিভংগী প্রচাৰ কৰাৰ পোষকতা কৰিছিল আৰু জাতীয়তাবাদৰ গণতান্ত্রিক ধাৰণাটোৰ জৰিয়তে তেওঁ আন্তঃৰাষ্ট্রীয়তাবাদৰ ধাৰণাটোৰ পৃষ্ঠপোষকতা কৰিছিল। নেহৰুৰ আন্তঃৰাষ্ট্রীয়তাবাদ ধাৰণাটোৱে ৰাষ্ট্রবোৰৰ মাজত সমতা স্থাপনত বিশ্বাস কৰিছিল। কোনো আন্তঃৰাষ্ট্রীয় ঘটনাৰ বাবে কোনো ৰাষ্ট্রকে গাইগুটীয়াভাৱে বিচাৰ কৰি চাব নালাগে বুলি নেহৰুৱে মত পোষণ কৰিছিল।

নেহৰুৱে এনে আন্তঃৰাষ্ট্রীয়তাবাদৰ দৃঢ় পৃষ্ঠপোষকতা কৰিছিল যিয়ে ৰাষ্ট্রবোৰৰ মাজত পাৰস্পৰিক সু-সম্পর্কৰ বিকাশত সহায় কৰিব বুলি কোৱা হৈছিল। আন্তঃৰাষ্ট্রীয়তাবাদৰ পৃষ্ঠপোষক নেহৰুৱে এক বিশ্ব সংঘ (World Federation) আৰু বিশ্ব চৰকাৰ (World Government) গঢ়াৰ কথা কৈছিল। ইয়াত সকলো দেশৰে সমান মর্যাদা থাকিব আৰু সংঘাত সমাধা কৰি শান্তি প্রতিষ্ঠা কৰিবলৈ প্রতিখন দেশৰে সমান অধিকাৰ আৰু অংশীদাৰীত্ব থাকিব। নেহৰু ৰাষ্ট্রসংঘৰ নীতিসমূহবোৰো দৃঢ় সমর্থক আছিল। তেওঁ বিশ্বাস কৰিছিল যে বিশ্ব সম্প্রদায়ক প্রতিনিধিত্ব কৰা ৰাষ্ট্রসংঘই বিশ্বত শান্তি স্থাপন কৰাৰ ক্ষেত্রত লোৱা ফলপ্রসূ ভূমিকাই আন্তঃৰাষ্ট্রীয়তাবাদৰ বিকাশত অৰিহণা যোগাব।


নেহৰুৱে গোষ্ঠী নিৰপেক্ষ আৰু ***পঞ্চশীল*** নীতিৰ জৰিয়তে আন্তঃৰাষ্ট্রীয়তাবাদৰ প্রতি থকা তেওঁৰ গভীৰ বিশ্বাসৰ প্রকাশ কৰিছিল। আন্তঃৰাষ্ট্রীয় স্তৰত ৰাষ্ট্রবোৰৰ



পঞ্চশীল নীতি ঃ ১৯৫৪ চনত ভাৰত আৰু চীনৰ মাজত হোৱা এক চুক্তিৰ জৰিয়তে পঞ্চশীল নীতিৰ উদ্ভাৱন কৰা হৈছিল।

শান্তিপূর্ণ সহাৱস্থানৰ বাবে প্রয়োজনীয় পৰিবেশ গঢ়ি তোলাৰ বাবে ৰাষ্ট্রবোৰৰ স্বাধীনতা বর্তাই ৰাখিবলৈ নেহৰুৱে গোষ্ঠী নিৰপেক্ষ আৰু পঞ্চশীল নীতিৰ ধাৰণা দুটাৰ পৃষ্ঠপোষকতা কৰিছিল। শীতল যুদ্ধৰ সময়ত নেহৰুৱে গোষ্ঠী নিৰপেক্ষ নীতি উদ্ভাৱন কৰিছিল। এই নীতিয়ে নতুনকৈ স্বাধীন হোৱা দেশবোৰক বিশ্বৰ দুই মহাশক্তিৰ (আমেৰিকা আৰু চোভিয়েট ইউনিয়ন) শত্রুতাৰ পৰা নিজকে আঁতৰাই ৰখাত সহায় কৰিছিল। বিশ্ব শান্তি সদৃঢ় কৰিবলৈ নেহৰুৱে শান্তিপূর্ণ সহাৱস্থানৰ সৈতে জড়িত পঞ্চশীল নীতিৰ পৃষ্ঠপোষকতা কৰিছিল। পঞ্চশীলৰ মূল নীতি পাঁচটা হ'ল— ক) পৰস্পৰৰ ভৌগোলিক অখণ্ডতা আৰু সার্বভৌমত্বৰ প্রতি সন্মান প্রদর্শন কৰা, খ) আন দেশক আক্রমণৰ পৰা বিৰত থকা, গ) আন ৰাষ্ট্রৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা, ঘ) সকলো দেশকে সমানভাৱে বিবেচনা কৰা আৰু পাৰস্পৰিক সাহায্য প্রদান কৰা, ঙ) শান্তিপূর্ণ সহাৱস্থান আৰু অর্থনৈতিক সহযোগিতা।

নেহৰুৱে আন্তঃৰাষ্ট্রীয়তাবাদক আন্তঃৰাষ্ট্রীয় শান্তি আৰু সকলো ৰাষ্ট্রৰে কল্যাণৰ ভেঁটি ৰূপে গণ্য কৰিছিল। সমগ্র জীৱনজুৰি তেওঁ পাৰস্পৰিক সহযোগিতা, সদিচ্ছা, স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধ বর্তাই ৰখাৰ ওপৰত জোৰ দি গৈছিল। আন্তঃৰাষ্ট্রীয়তাবাদৰ ধাৰণাটোৰ জৰিয়তে নেহৰুৱে সমগ্র বিশ্বতে শান্তি আৰু সুৰক্ষা ৰখাৰ পৃষ্ঠপোষকতা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ নেহৰুৱে কিমান চনত জন্মলাভ কৰিছিল?

.....

প্রশ্ন ২ঃ ভাৰতীয় বুৰঞ্জী আৰু ভাৰতৰ ৰাজনৈতিক চিন্তাধাৰালৈ নেহৰুৰ উল্লেখযোগ্য অৱদানসমুহ কি কি?

.....

.....

প্রশ্ন ৩ঃ নেহৰুৱে সংসদীয় গনতন্ত্রত দৃঢ়ভাৱে বিশ্বাস কৰিছিল। (শুদ্ধ নে অশুদ্ধ লিখক)

.....

প্রশ্ন ৪ঃ আন ৰাষ্ট্রৰ ..... বিষয়ত হস্তক্ষেপ নকৰা। (খালী ঠাই পূৰ কৰক)

.....

প্রশ্ন ৫ঃ 'নেহৰুৰ জাতীয়তাবাদ তত্ত্ব আৰু অনুশীলনৰ তিনিটা প্রধান ভেটি আছে।' সেইকেইটা কি? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন ৬ঃ দুই ধৰণৰ খণ্ডৰ সহাৱস্থানৰ নেহৰুৰ ধাৰণাই কি ধৰণৰ অৰ্থনীতিক সূচায়?

.....

.....

প্ৰশ্ন ৭ঃ নেহৰুৱে বিশ্বাস কৰা ধৰ্মনিৰপেক্ষতাৰ চাৰিটা দিশ কি কি?

.....

.....

প্ৰশ্ন ৮ঃ নেহৰুৱে বিশ্বাস কৰা ধৰ্মনিৰপেক্ষতাৰ দুটা দিশ চমুকৈ ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন ৯ঃ নেহৰুৱে পৃষ্ঠপোষকতা কৰা পঞ্চশীলৰ নীতি পাঁচটা লিখক।

.....

.....

.....



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৮৯ চনৰ ১৪ নৱেম্বৰত এলাহবাদত জৱাহৰলাল নেহৰুৰ জন্ম হৈছিল। তেওঁৰ পিতৃ মতিলাল নেহৰু এগৰাকী খ্যাতনামা আইনজীৱি আছিল।
- ভাৰতীয় বুৰঞ্জী আৰু ভাৰতৰ ৰাজনৈতিক চিন্তাধাৰালৈ নেহৰুৰ উল্লেখযোগ্য অৱদানসমুহ হ'ল- *Glimpses of World History, Autobiography* আৰু *The Discovery of India*।
- গান্ধীৰ নেতৃত্বত জৱাহৰলাল নেহৰুৱে ভাৰতৰ স্বাধীনতা সংগ্ৰাম আগুৱাই নিছিল। স্বাধীনতা লাভৰ পিছত নেহৰু ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হৈছিল।
- নেহৰুৱে জাতীয়তাবাদৰ কোনো নতুন তত্ত্বৰ বিকাশ ঘটোৱা নাছিল। জাতীয়বাদক সংকীৰ্ণ অৰ্থেৰে বিচাৰ নকৰি নেহৰুৱে জাতীয়তাবাদ তথা ৰাজনীতি অধ্যয়নৰ এটা ধৰ্মনিৰপেক্ষ পন্থা বিকশাই তোলাত প্ৰধান ভূমিকা লৈছিল। নেহৰুৰ জাতীয়তাদ তত্ত্ব আৰু অনুশীলনৰ তিনিটা প্ৰধান ভেটি আছে।

- নেহৰুৰ কল্যাণকামী ৰাষ্ট্ৰৰ বৈশিষ্ট্য আছিল ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমতা। ৰাজনৈতিক দৃষ্টিভংগীৰে নেহৰুৱে গুৰুত্ব প্ৰদান কৰা কল্যাণকামী ৰাষ্ট্ৰখনৰ আধাৰ আছিল সংসদীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিত্তিত গঠিত এখন প্ৰতিনিধিত্বমূলক চৰকাৰৰ ওপৰত থকা বিশ্বাস।
- নেহৰুৱে দেশত এটা মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থাৰ পোষকতা কৰিছিল। মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থাই কিছুক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ সহাৱস্থান আৰু আন কোনো কোনো ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ সহাৱস্থানৰ কথা কৈছিল।
- নেহৰু কোনো ধৰ্মীয় মতবাদ অথবা ধৰ্মৰ সমৰ্থক নাছিল। তেওঁ ব্যক্তি সত্তাত অন্তৰ্নিহিত আধ্যাত্মিকতা বিশ্বাস কৰিছিল।
- নেহৰুৱে গণতন্ত্ৰক জীৱনৰ এক পন্থা আৰু সামাজিক গাঁথনিৰ আধাৰ বুলি গণ্য কৰিছিল। নেহৰুৰ মতে গণতন্ত্ৰ মানে হ'ল এনে এক গতিশীল সমাজ গঠন কৰা য'ত প্ৰতিগৰাকী ব্যক্তিকে বিকাশৰ সম্পূৰ্ণ সুযোগ দিব পৰা যায়।
- নেহৰুৱে এনে আন্তঃৰাষ্ট্ৰীয়তাবাদৰ দৃঢ় পৃষ্ঠপোষকতা কৰিছিল যিয়ে ৰাষ্ট্ৰবোৰৰ মাজত পাৰস্পৰিক সু-সম্পৰ্কৰ বিকাশত সহায় কৰিব বুলি কোৱা হৈছিল।
- আন্তঃৰাষ্ট্ৰীয়তাবাদৰ পৃষ্ঠপোষক নেহৰুৱে এক বিশ্ব সংঘ (World Federation) আৰু বিশ্ব চৰকাৰ (World Government) গঢ়াৰ কথা কৈছিল। ইয়াত সকলো দেশৰে সমান মৰ্যাদা থাকিব আৰু সংঘাত সমাধা কৰি শান্তি প্ৰতিষ্ঠা কৰিবলৈ প্ৰতিখন দেশৰে সমান অধিকাৰ আৰু অংশীদাৰত্ব থাকিব।
- বিশ্ব শান্তি সদৃঢ় কৰিবলৈ নেহৰুৱে শান্তিপূৰ্ণ সহাৱস্থানৰ সৈতে জড়িত পঞ্চশীল নীতিৰ পৃষ্ঠপোষকতা কৰিছিল য'ত পাঁচটা নীতি সন্নিবিষ্ট আছিল।
- পঞ্চশীলৰ মূল নীতি পাঁচটা হ'ল— ক) পৰস্পৰৰ ভৌগোলিক অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা, খ) আন দেশক আক্ৰমণৰ পৰা বিৰত থকা, গ) আন ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা, ঘ) সকলো দেশকে সমানভাৱে বিবেচনা কৰা আৰু পাৰস্পৰিক সাহায্য প্ৰদান কৰা, ঙ) শান্তিপূৰ্ণ সহাৱস্থান আৰু অৰ্থনৈতিক সহযোগিতা।



১৩.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Asirvatham, E. & Mishra, K.K (1990). *Political theory*. New Delhi: S.Chand & Company Ltd.

2. Bhagavan, V. (1999). *Indian political thinkers*. Delhi: Atma Ram and Sons Publications.
3. Jayapalan, N. (2003). *Indian political thinkers: Modern Indian political thought*. New Delhi: Atlantic Publishers and Distributors.
4. Mohanty , D. K. (2007). *Indian political tradition- From Manu to Ambedkar*. New Delhi: Anmol Publications Pvt. Ltd.
5. Rathod, P.B. & Rathod, V. (2006). *Indian political thinkers*. New Delhi: Commonwealth Publishers.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

১৩.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৮৯ চনৰ ১৪ নৱেম্বৰত এলাহবাদত জৱাহৰলাল নেহৰুৰ জন্ম হৈছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় বুৰঞ্জী আৰু ভাৰতৰ ৰাজনৈতিক চিন্তাধাৰালৈ নেহৰুৰ উল্লেখযোগ্য অৱদানসমুহ হ'ল- *Glimpses of World History, Autobiography* আৰু *The Discovery of India*।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আন ৰাষ্ট্ৰৰ *আভ্যন্তৰীণ* বিষয়ত হস্তক্ষেপ নকৰা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নেহৰুৰ জাতীয়তাবাদ তত্ত্ব আৰু অনুশীলনৰ তিনিটা প্ৰধান ভেটি আছে। বৃটিছ শাসকসকলৰ জাত্যাভিমানেতেওঁক চিন্তিত কৰিছিল। নেহৰুৰ জাতীয়তাবাদৰ দ্বিতীয় উৎসটো হ'ল অৰ্থনৈতিক কাৰণ। তেওঁ ভাৰতৰ সৰ্বত্ৰ বিৰাজমান দৰিদ্ৰতা আৰু শোষণৰ বাবে বৃটিছসকলক দোষাৰোপ কৰিছিল। নেহৰুৰ জাতীয়তাবাদৰ তৃতীয় উৎসটো আছিল ৰাজনৈতিক আৰু প্ৰশাসনীয়। বিদেশী সাম্ৰাজ্যবাদী শাসকসকলে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰখনত একাধিপত্য প্ৰদৰ্শন কৰিছিল। এই একাধিপত্যই দেশত আৰম্ভ কৰিব খোজা সকলোবোৰ প্ৰয়াস তথা নিয়ন্ত্ৰণ ব্যৱস্থাটো বৃটিছসকলক নিজৰ হাতত ৰখাৰ সুযোগ দিছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মিশ্ৰ অৰ্থনীতি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ধৰ্মীয় স্বাধীনতা, খ) ধৰ্মীয় বিষয়ত ৰাষ্ট্ৰৰ নিৰপেক্ষ অৱস্থান, গ) সামাজিক জীৱনত ধৰ্ম নিৰপেক্ষতা, ঘ) ধৰ্ম নিৰপেক্ষতা হ'ল এক মনোভাৱ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ নেহৰুৱে বিশ্বাস কৰা ধৰ্মনিৰপেক্ষতাৰ দুটা দিশ হ'ল—

- **ধৰ্মীয় স্বাধীনতাঃ** ভাৰতৰ সকলো ধৰ্মকে সমান মৰ্যাদা দিয়াই হ'ল ধৰ্মীয় স্বাধীনতা। কোনো ধৰ্মকে কোনো বিশেষ সুবিধা দিয়া নহ'ব। ধৰ্মৰ আধাৰত কোনো সম্প্ৰদায়কে ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰিব পৰা নাযাব।
- **ধৰ্মীয় বিষয়ত ৰাষ্ট্ৰৰ নিৰপেক্ষ অৱস্থানঃ** ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ বৈশিষ্ট্য হ'ল তেনে ৰাষ্ট্ৰৰ কোনো নিজস্ব ধৰ্ম নাথাকে। নেহৰুৱে বিচাৰিছিল যে ৰাষ্ট্ৰই সকলো ধৰ্মৰ সহাৱস্থান নীতি মানি চলিব লাগে। ৰাষ্ট্ৰই নাগৰিকৰ ধৰ্মীয় স্বাধীনতাত হস্তক্ষেপ কৰা অনুচিত।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ পঞ্চশীলৰ মূল নীতি পাঁচটা হ'ল—

ক) পৰস্পৰৰ ভৌগোলিক অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা,

খ) আন দেশক আক্ৰমণৰ পৰা বিৰত থকা,

গ) আন ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা,

ঘ) সকলো দেশকে সমানভাৱে বিবেচনা কৰা আৰু পাৰস্পৰিক সাহায্য প্ৰদান কৰা,

ঙ) শান্তিপূৰ্ণ সহাৱস্থান আৰু অৰ্থনৈতিক সহযোগিতা।



১৩.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ নেহৰুৰ দুখন কিতাপৰ নাম লিখক।

প্ৰশ্ন ২ ঃ *পঞ্চশীলৰ* ধাৰণাটোৰ পৃষ্ঠপোষক কোন?

প্ৰশ্ন ৩ ঃ নেহৰুৱে কেনে ধৰণৰ অৰ্থনীতিৰ বিষয়ে মত প্ৰকাশ কৰিছিল?

প্ৰশ্ন ৪ ঃ *পঞ্চশীলৰ* দুটা নীতি লিখক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰ সম্পৰ্কে নেহৰুৰ ধাৰণা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ আন্তঃৰাষ্ট্ৰীয়তাবাদ সম্পৰ্কে নেহৰুৰ দৃষ্টিভংগী ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ধৰ্মনিৰপেক্ষবাদ সম্পৰ্কে নেহৰুৰ ধাৰণাৰ বিষয়ে এটি চমুটোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নেহৰুৰ ৰাজনৈতিক ধাৰণাসমুহ আলোচনা কৰক।

প্রশ্ন ২ ঃ মিশ্র অর্থনীতি সম্পর্কে নেহৰুৰ ধাৰণা ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ গণতন্ত্র সম্পর্কে নেহৰুৰ ধাৰণা আলোচনা কৰক।

প্রশ্ন ৪ ঃ জাতীয়তাবাদ আৰু কল্যাণকামী ৰাষ্ট্র সম্পর্কে নেহৰুৰ ধাৰণা ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ এজন ৰাজনৈতিক চিন্তাবিদ হিচাপে নেহৰুৰ অৱদান সমালোচনাত্মকভাবে পৰীক্ষা কৰক।

****

অধ্যায় ১৪ ঃ বি. আৰ. আম্বেদকাৰ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ বি. আৰ. আম্বেদকাৰ

১৪.৩.১ জাতি-প্ৰথা আৰু অস্পৃশ্যতাৰ দৰে কুপ্ৰথাৰ বিৰোধিতা

১৪.৩.২ মহিলা অধিকাৰৰ অগ্ৰণী পৃষ্ঠপোষক হিচাপে আম্বেদকাৰ

১৪.৩.৩ ধৰ্ম সম্পৰ্কে আম্বেদকাৰৰ ধাৰণা

১৪.৩.৪ সামাজিক ন্যায়ৰ পোষকতাকাৰী হিচাপে আম্বেদকাৰ

১৪.৩.৫ মানব অধিকাৰৰ পোষকতাকাৰী হিচাপে আম্বেদকাৰ

১৪.৩.৬ জাতীয়তাবাদী হিচাপে আম্বেদকাৰ

১৪.৩.৭ গণতন্ত্ৰ সম্পৰ্কে ধাৰণা

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৫ অধিক জানিবলৈ

১৪.৬ অগ্ৰগতিৰ খতিয়ান

১৪.৭ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- আম্বেদকাৰৰ সামাজিক আৰু ৰাজনৈতিক দৰ্শন আলোচনা কৰিব পাৰিব
- ধৰ্ম আৰু গণতন্ত্ৰ সম্পৰ্কে আম্বেদকাৰৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- মানব অধিকাৰ আৰু সামাজিক ন্যায়ৰ পোষকতাকাৰী হিচাপে আম্বেদকাৰৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিব
- জাতীয়তাবাদী হিচাপে আম্বেদকাৰৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ড° ভীমৰাও ৰামজী আম্বেদকাৰ বাবাচাহেব আম্বেদকাৰ নামেৰে জনপ্ৰিয় আছিল। তেওঁ একাধাৰে এগৰাকী বিচাৰক সমাজ সংস্কাৰক আৰু ৰাজনীতিক আছিল। তেওঁক ভাৰতীয় সংবিধানৰ জনক বোলা হয়। ভাৰতীয় সমাজৰ পৰা অস্পৃশ্যতা আৰু জাতিগত বাধা-নিষেধৰ দৰে সামাজিক কুপ্ৰথাবোৰ আঁতৰোৱাত তেওঁ তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। সমগ্ৰ জীৱন ড° আম্বেদকাৰে ***দলিত*** আৰু অন্য সামাজিকভাৱে পিছপৰা শ্ৰেণীৰ অধিকাৰ ৰক্ষাৰ হকে যুঁজ দিছিল।

দলিত ঃ ভাৰতীয় সমাজৰ তথাকথিত 'অস্পৃশ্য' জাতি

ড° আম্বেদকাৰে দলিত বৌদ্ধ আন্দোলনক প্ৰভাৱিত কৰিছিল আৰু অস্পৃশ্য (দলিত) বুলি ভবা শ্ৰেণীটোৰ বিৰুদ্ধে চলা সামাজিক বৈষম্যৰ বিৰোধিতা কৰি নানা অভিযান চলাইছিল। তেওঁ মহিলা আৰু শ্ৰমিক শ্ৰেণীৰ অধিকাৰকো সমৰ্থন কৰিছিল। ভাৰত স্বাধীন হোৱাৰ পাছত তেওঁ জৱাহৰলাল নেহৰুৰ কেবিনেটত দেশৰ প্ৰথমগৰাকী আইন মন্ত্ৰীৰ পদত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ আছিল ভাৰতীয় সংবিধানৰ প্ৰধান খনিকৰ। ১৯৯০ চনত ভাৰত চৰকাৰে ড° আম্বেদকাৰক মৰণোত্তৰ ভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰিছিল।

১৪.৩ বি. আৰ. আম্বেদকাৰ

১৮৯১ চনৰ ১৪ এপ্ৰিলত মধ্য প্ৰদেশৰ মাউ সামৰিক ছাউনী এলেকাত আম্বেদকাৰৰ জন্ম হৈছিল। সামৰিক বাহিনীত চুবেদাৰ পদত কৰ্মৰত ৰামজী মালোজী চাক্‌পাল আৰু ভীমবাঈ মুৰবাদকাৰ চাক্‌পালৰ তেওঁ আছিল ১৪ নম্বৰ সন্তান। মাৰাঠী মূলৰ পৰিয়ালটোৰ পৈত্ৰিক চহৰ হ'ল বৰ্তমানৰ মহাৰাষ্ট্ৰৰ ৰত্নাগিৰি জিলাৰ অম্বাভাডে। আম্বেদকাৰৰ পৰিয়ালটো দুখীয়া আৰু নীচ বুলি চিহ্নিত মাহাৰ (*দলিত*) জাতিৰ সদস্য আছিল। জাতিটোক অস্পৃশ্য বুলি গণ্য কৰা হৈছিল। মাহাৰসকল বিভিন্ন ধৰণে আৰ্থ-সামাজিক বৈষম্যৰ বলি হৈছিল।

অস্পৃশ্য জাতিৰ হোৱা সত্বেও আম্বেদকাৰৰ দৰে যিবোৰ শিক্ষাৰ্থী বিদ্যালয়লৈ গৈছিল সিহঁতক অন্য সহপাঠীৰ পৰা পৃথক কৰা হৈছিল। এই শিক্ষাৰ্থীবোৰক শ্ৰেণীকোঠাৰ ভিতৰত বহিবলৈ দিয়া হোৱা নাছিল। পিয়াহ লাগিলে উচ্চ জাতিৰ কোনোবাই ওপৰৰ পৰা ঢলা পানী খাব লাগিছিল। কোনো কাৰণতে দলিত ছাত্ৰই খোৱাপানীৰ পাত্ৰ চুব নোৱাৰিছিল। আম্বেদকাৰক বিদ্যালয়ৰ পিয়নজনে পানী খুৱাইছিল। পিয়নজন অনুপস্থিত থকাৰ দিনা আম্বেদকাৰে কুঁৱাৰ পানী খাবলগীয়া হৈছিল। এই কথাটোৱে শিশু আম্বেদকাৰৰ মনত গভীৰ সাঁচ বহুৱাইছিল। তেওঁৰ পিতৃ-মাতৃ আছিল কবীৰৰ আদৰ্শৰ অনুগামী। গতিকে ঘৰখনত সমতা আৰু মানৱতাবাদত গভীৰ বিশ্বাসী পৰিৱেশ এটা আছিল।

ভীমৰাও ৰামজী আম্বেদকাৰ নিপীড়িত শ্ৰেণীৰ অধিকাৰৰ হকে মাত মতাৰ বাবেও জনাজাত আছিল। সকলোৱে সসন্মানে 'বাবাচাহেব' বুলি সম্বোধন কৰা আম্বেদকাৰে বিশেষকৈ দলিত সম্প্ৰদায়ৰ অধিকাৰ ৰক্ষাৰ যুঁজত অপৰিসীম অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ ভাৰতৰ সংবিধানৰ খছৰা প্ৰস্তুতকাৰী সমিতিৰ প্ৰথমগৰাকী অধ্যক্ষ আছিল।

১৪.৩.১ জাতি প্ৰথা আৰু অস্পৃশ্যতাৰ দৰে কুপ্ৰথাৰ বিৰোধিতা

আম্বেদকাৰ জাতি প্ৰথাৰ ওপৰত আধাৰিত প্ৰচলিত সমাজব্যৱস্থাৰ বিৰোধী আছিল। জাতি প্ৰথাৰ কঠোৰতাৰ পৰিণতিতে সমাজত 'অস্পৃশ্য' শ্ৰেণীটোৰ সৃষ্টি হৈছিল। সমাজৰ স্তৰবদ্ধ গাঁথনিয়ে ব্ৰাহ্মণসকলক শীৰ্ষস্থানত ৰাখিছিল। এই সুবিধাৰ ফলত ব্ৰাহ্মণসকলৰ এচামে তথাকথিত "অস্পৃশ্যসকলক" দুৰ্ব্যৱহাৰ কৰিছিল।

দৰাচলতে আম্বেদকাৰ হিন্দু ধর্মৰ বিৰোধী নাছিল। কিন্তু তেওঁ এই ধর্মৰ নীতিবোৰৰ অপব্যাখ্যাৰ বিৰোধী আছিল। এনে অপব্যাখ্যাৰ বাবে সমাজৰ একশ্রেণী লোক আন এক শ্রেণীৰ অৱমাননাৰ পাত্র হৈছিল। জাতি প্রথা নাইকিয়া কৰিবলৈ তেওঁ অসবর্ণ বিবাহত উদ্‌গনি যোগাইছিল। আম্বেদকাৰে বিশ্বাস কৰিছিল যে নীচাত্মিকাবোধ এৰিব পাৰিলে অস্পৃশ্যসকলেও নিজকে উচ্চ বর্ণৰ সমকক্ষ বুলি ভাবিব পাৰিব। জাতি প্রথা নির্মূল কৰিবলৈ ই এক ফলপ্রসূ ব্যৱস্থা হ'ব পাৰে। আম্বেদকাৰে বুজি পাইছিল যে জাতি প্রথা থকালৈকে 'অস্পৃশ্যতা'ও বর্তি থাকিব।

তেওঁ অস্পৃশ্য সকলৰ বাবে মাৰাঠী ভাষাত *বহিষ্কৃত ভাৰত* নামৰ এখন পযেকীয়া কাকত প্রকাশ কৰিছিল। কাকতখন প্রকাশৰ উদ্দেশ্য আছিল ভাৰতৰ সাম্প্রতিক ঘটনাবোৰ সন্দর্ভত অস্পৃশ্যসকলক অৱগত কৰোৱা আৰু উচ্চ জাতিৰ মুক্তমনৰ লোকসকলক নিজৰ মত জনোৱা। তেওঁ সমাজৰ খাটি খোৱা শ্রেণীটোৰ হকেও যথেষ্ট কাম কৰি থৈ গৈছে।

সমাজৰ অস্পৃশ্য শ্রেণীটোৰ উন্নতিৰ বাবে ১৯২৪ চনৰ ২০ জুলাই তাৰিখে বোম্বেত তেওঁ *বহিষ্কৃত হিতকাৰিণী সভা* গঠন কৰিছিল। এই সভাৰ লক্ষ্য আছিল— ক) শোষিত শ্রেণীৰ বাবে শিক্ষাৰ প্রসাৰৰ বাবে আবাসিক সুবিধা (hostels) স্থাপন কৰা, খ) শোষিত শ্রেণীৰ সাংস্কৃতিক বিকাশৰ বাবে কাম কৰা আৰু তেওঁলোকৰ বাবে অধ্যয়ন চক্র আৰম্ভ কৰা, গ) অর্থনৈতিক উন্নয়নৰ বাবে ঔদ্যোগিক আৰু কৃষি বিদ্যালয় আৰম্ভ কৰা আৰু ঘ) শোষিত শ্রেণীৰ দুখ-দুর্দশাবোৰ উপস্থাপন কৰা।

সেয়েহে, নিম্ন জাতিত জন্মলাভ কৰাৰ দোষত উচ্চ জাতিৰ বৈষম্যৰ বলি হৈ ব্যক্তিগত জীৱনত কটু অভিজ্ঞতা সঞ্চয় কৰা আম্বেদকাৰে এই সামাজিক কুপ্রথা অনুশীলনৰ তীব্র বিৰোধিতা কৰিছিল আৰু আজীৱন অস্পৃশ্যসকলৰ স্বার্থ ৰক্ষাৰ হকে মাত মাতি গৈছিল। তেওঁ বিশ্বাস কৰিছিল যে অস্পৃশ্যতাৰ সামাজিক কুপ্রথা কেৱল হাত মিলালে অথবা অস্পৃশ্যসকলক টকা-পইচা দি অথবা দয়া-সৌজন্যতা প্রদর্শন কৰি নিমূল কৰিব পৰা নাযাব। ইয়াৰ বাবে প্রথমে সমাজৰ সকলোৰে মনোভাৰ আৰু বদ্ধমূল ধাৰণা কিছুমান সম্পূর্ণ সলনি কৰিব লাগিব। তেওঁ দৃঢ়ভাৰে বিশ্বাস কৰিছিল যে বিধি-বিধানৰ এক স্থায়ী আইন প্রণয়ন কৰিহে দেশৰ পৰা জাতি ব্যৱস্থাটো সম্পূর্ণ আতঁৰাব পৰা যাব। লগতে তেওঁ পুৰোহিতবাদ নির্মূলৰো পোষকতা কৰিছিল। আজিও কেৱল ব্রাহ্মণ শ্রেণীটোহে পুৰোহিত হোৱাৰ যোগ্য বুলি ধৰা হয়। আম্বেদকাৰে ধর্মগ্রন্থ, ৰীতি-নীতি আৰু ধর্মীয় অনুশীলনবোৰৰ এক স্বীকৃত মান নির্ধাৰণ কৰি দিয়াৰ কথাও কৈছিল। এনেবোৰ কার্যৰ দ্বাৰাহে অস্পৃশ্যতাৰ ধাৰণাটো সমাজৰ পৰা সম্পূর্ণ নির্মূল হ'ব বুলি তেওঁ মত পোষণ কৰিছিল। আম্বেদকাৰ আৰু গান্ধী দুয়ো অস্পৃশ্যতাৰ বিৰুদ্ধে যুঁজিছিল যদিও দুয়ো গৰাকীৰে দৃষ্টিভংগীৰ মাজত যথেষ্ট পার্থক্য আছিল।

বিভিন্ন সময়ত আম্বেদকাৰে বহুকেইটা আন্দোলনৰ গুৰি ধৰিছিল। এই আন্দোলনবোৰৰ ফলশ্রুতিতে তথাকথিত "অস্পৃশ্যসকলে" মন্দিৰত সোমোৱাৰ আৰু উমৈহতীয়া কুঁৱাৰ পৰা পানী তোলাৰ অধিকাৰ পাইছিল। আম্বেদকাৰে ভাৰতীয় সংবিধানৰ খচৰাতো শোষিত-বঞ্চিত শ্রেণীৰ অধিকাৰবোৰক সুৰক্ষিত ৰাখিব পৰা বিভিন্ন ব্যৱস্থা সংযোজিত কৰিছিল।

১৪.৩.২ মহিলাৰ অধিকাৰৰ অগ্রণী পৃষ্ঠপোষক হিচাপে আম্বেদকাৰ

আম্বেদকাৰ নাৰী অধিকাৰৰ সবল সমর্থক আছিল। তেওঁ মহিলাক চিৰকলীয়া দমনৰ পৰা ৰক্ষা কৰিব খুজিছিল। তেওঁ সেই সময়ত প্রচলিত অসামৰিক ব্যৱহাৰ সংহিতাখন ত্রুটিপূর্ণ বুলি মত প্রকাশ কৰিছিল। সেয়েহে তেওঁ এখন হিন্দু আচাৰ-সংহিতা বিধেয়কৰ সপক্ষে মতপোষণ কৰিছিল। এই সংহিতা বিধিখনৰ লক্ষ্য আছিলঃ

ক) জন্মসূত্রে লাভ কৰা অধিকাৰৰ নীতি নাইকিয়া কৰা,

খ) সম্পত্তিৰ ওপৰত মহিলাৰ সম্পূর্ণ অধিকাৰ প্রতিপন্ন কৰা,

গ) জীয়ৰীকো পৰিয়ালৰ সম্পত্তিৰ ভাগ দিয়া,

ঘ) বিবাহ-বিচ্ছেদৰ সুবিধা দিয়া ইত্যাদি।

এই ব্যৱস্থাবোৰত কোনো ধর্ম-বিৰোধী নাইবা সমাজবিৰোধী কথা নাছিল; যিহেতু প্রচলিত হিন্দু আইন সকলো হিন্দুৰ বাবে সমান নাছিল আৰু সংবিধানৰ সৈতেও ইয়াৰ কোনো সংগতি নাছিল। আম্বেদকাৰে হিন্দু সমাজৰ বিধিৰদ্ধকৰণৰ (codification) পৰামর্শ আগবঢ়াইছিল।

১৪.৩.৩ ধর্ম সম্পর্কে আম্বেদকাৰৰ ধাৰণা

আম্বেদকাৰ আছিল এগৰাকী বাস্তৱবাদী ধর্মীয় নেতা। তেওঁ হিন্দুত্বৰ নীতিবোৰৰ মৌলবাদী ব্যাখ্যাৰ বিৰোধী আছিল। তেওঁ ধর্মৰ সপক্ষত থিয় দিছিল যদিও ধর্মৰ নামত হোৱা ভণ্ডামীৰ ঘোৰ বিৰোধিতা কৰিছিল। আম্বেদকাৰে ধর্মক মানৱীয় কাম-কাজৰ চালিকা শক্তি বুলি গণ্য কৰিছিল। তেওঁ কৈছিল— "মানুহে কেৱল ৰুটী খাই জীয়াই থাকিব নোৱাৰে। তেওঁৰ এটা মন আছে যিটোক চিন্তাৰ খোৰাক লাগে। সেয়েহে সমাজত জীৱন আৰু অনুশীলন উভয়ৰে বাবে ধর্ম হ'ল অত্যাৱশ্যকীয় আধাৰ।" ধর্মৰ বৈশিষ্ট্য ব্যাখ্যা কৰি আম্বেদকাৰে নিজৰ বিশ্বাস ব্যক্ত কৰিছিল এইদৰে— ক) নৈতিকতাৰ বোধেৰে ধর্ম হ'ল প্রতিখন সমাজৰে নিয়ন্ত্রক নীতি, খ) ধর্ম আৰু বিজ্ঞানৰ সংগতি থকা উচিত, গ) ধর্ম এনে এক নৈতিক সংহিতা যিয়ে স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ দৰে মৌলিক বিষয়বোৰক স্বীকৃতি দিয়ে, ঘ) ধর্মই দৰিদ্রতা অথবা অজ্ঞানতাক সামাজিক সমর্থন জনাব নোৱাৰে। মানুহৰ প্রকৃতি আৰু বৌদ্ধিক দক্ষতাৰ ওপৰত ভিত্তি কৰি ধর্ম প্রতিষ্ঠিত হ'ব লাগে।

ওপৰৰ বৈশিষ্ট্যবোৰ পঢ়াৰ পিছত আমি ক'ব পাৰো যে আম্বেদকাৰে হিন্দুত্বক 'নিয়মৰ ধৰ্ম'ৰ পৰা 'নীতিৰ ধৰ্ম'লৈ সলনি হোৱাটো বিচাৰিছিল। তেতিয়াহে হিন্দু ধৰ্ম এক প্ৰকৃত ধৰ্মত পৰিণত হ'ব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ আম্বেদকাৰৰ দেউতাকৰ নাম কি আছিল?

.....

প্ৰশ্ন ২ ঃ কোনে তথাকথিত "অস্পৃশ্য" সকলৰ বাবে মাৰাঠী ভাষাত *বহিষ্কৃত ভাৰত* নামৰ এখন পখেকীয়া কাকত প্ৰকাশ কৰিছিল?

.....

প্ৰশ্ন ৩ ঃ কোন চনত *বহিষ্কৃত হিতকাৰিণী সভা* গঠন হৈছিল?

.....

প্ৰশ্ন ৪ ঃ আম্বেদকাৰে দেখুৱাই দিয়া ধৰ্মৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....



১.৪ সামাজিক ন্যায়ৰ পোষকতাকাৰী হিচাপে আম্বেদকাৰ

ভাৰতীয় সংবিধানৰ জনক আম্বেদকাৰ আছিল আধুনিক ভাৰততে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ এগৰাকী প্ৰধান পোষকতাকাৰী। তেওঁ ভাৰতীয় সমাজৰ গাঁথনি আৰু সমস্যাৰ বিষয়ে পুংখানুপুংখকৈ জানিছিল। তেওঁৰ বাবে 'সামাজিক ন্যায়'ৰ অৰ্থ আছিল সমতা, স্বাধীনতা আৰু ভ্ৰাতৃত্ববোধৰ ভেটিত প্ৰতিষ্ঠিত ন্যায়। ইয়াৰ লক্ষ্য হ'ল জাতি, বংশ, লিংগ, ক্ষমতা আৰু সামাজিক স্থিতিৰ আধাৰত গঢ় লৈ উঠা অসমতাবোৰ নাইকিয়া কৰা। ড° আম্বেদকাৰৰ মতে সামাজিক অন্যায়ৰ প্ৰধান কাৰণ হ'ল হিন্দু সমাজত প্ৰচলিত জাতি ব্যৱস্থা।

তেওঁ 'এক ব্যক্তি-এক প্ৰমূল্য' নীতি সাৰোগত কৰি সামাজিক ন্যায় আৰু সামাজিক গণতন্ত্ৰ প্ৰতিষ্ঠাৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিছিল। সামাজিক ন্যায়কতেওঁ দেশপ্ৰেম আৰু জাতীয়তাবাদৰ প্ৰকৃত আধাৰ বুলি অভিহিত কৰিছিল। আম্বেদকাৰে 'বৰ্ণ' ব্যৱস্থা, এৰিষ্টটলৰ মত, প্লেটোৰ মত, গান্ধীৰ সৰ্বোদয় ব্যৱস্থা আনকি মাৰ্ক্সে কৈ যোৱা সৰ্বহাৰাৰ সমাজবাদী ব্যৱস্থাত উল্লেখ থকা সামাজিক ন্যায়ৰ তত্ত্ববোৰ গ্ৰহণ কৰা নাছিল।

আম্বেদকাৰে সামাজিক ন্যায়ৰ ব্যক্তিগত ধাৰণাটোত সকলো ব্যক্তিৰ মাজত একতা আৰু সমতা, পুৰুষ আৰু নাৰীৰ প্ৰতি সম আচৰণ, দুৰ্বল লোকৰ প্ৰতি সন্মান, মানৱ

অধিকাৰৰ প্ৰতি সন্মান, দয়া, পাৰস্পৰিক মৰম-প্ৰীতি, সহানুভূতি, সহিষ্ণুতা আৰু অন্য লোকক দিয়া দান আদিৰ দৰে বিভিন্ন দিশ সন্নিৱিষ্ট কৰিছিল। নিজ ধাৰণাটোৰ সহায়ত আম্বেদকাৰে আইন, নৈতিকতা আৰু ৰাজহুৱা সচেতনতাৰ দিশবোৰ উন্নত কৰি সমাজৰ পৰা মানৱ সৃষ্ট সকলোবোৰ অসমতা আতঁৰাব খুজিছিল।

১৪.৩.৫ মানৱ অধিকাৰৰ পৃষ্ঠপোষক ৰূপে আম্বেদকাৰ

আম্বেদকাৰে ওৰেটো জীৱন মানৱ অধিকাৰ পৃষ্ঠপোষকতা কৰিছিল। তথাকথিত নীহকূলত জন্মা বাবে নিজে লাভ কৰা ব্যক্তিগত অপমান আৰু তিক্ত অভিজ্ঞতাই তেওঁক জাতিবাদ অনুশীলনৰ ঘোৰ বিৰোধী কৰি তুলিছিল। জাতিবাদক তেওঁ এটা সামাজিক কুপ্ৰথা বুলি গণ্য কৰিছিল আৰু সমগ্ৰ জীৱন জুৰি সমাজে অস্পৃশ্যৰ শাৰীত ৰখাসকলৰ স্বাৰ্থ ৰক্ষাৰ হকে কাম কৰি গৈছিল। তেওঁ 'এক ব্যক্তি-এক প্ৰমূল্য' নীতিৰ আধাৰত সামাজিক ন্যায় তথা সামাজিক গণতন্ত্ৰ প্ৰতিষ্ঠাৰ চেষ্টা কৰিছিল। তেওঁ সামাজিক ন্যায়ক দেশপ্ৰেম আৰু জাতীয়তাবাদৰ প্ৰকৃত আধাৰ বুলি গণ্য কৰিছিল।

ড° ক'ৰিন লিন'ক্সে তেওঁৰ প্ৰৱন্ধ *Dr. Ambedkar : A Visionary for Human Right* ত মানৱ অধিকাৰৰ পৃষ্ঠপোষক হিচাপে আম্বেদকাৰৰ অৱদান আলোচনা কৰিছে।

ড° আম্বেদকাৰক মানৱ অধিকাৰ সপক্ষে মাত মতা বিশ্বৰ আগশাৰীৰ সমৰ্থক তথা দাৰ্শনিকসকলৰ এজন বুলি ধৰা হয়। এগৰাকী প্ৰকৃত ভৱিষ্যদ্ৰষ্টাৰ ভূমিকা লৈ তেওঁ মানৱ অধিকাৰৰ ধাৰণাটোৰ বিশ্বজনীন ক্ৰমবিকাশলৈ নিজস্ব অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ এই অধিকাৰবোৰ ন্যায়িক ৰূপত প্ৰতিষ্ঠা কৰি থৈ গৈছে। আজিও বিশ্বৰ বহুতো মানৱ অধিকাৰবাদীক আম্বেদকাৰৰ চিন্তা-চৰ্চাই প্ৰভাৱিত কৰে। সমগ্ৰ জীৱন জুৰি ভাৰতীয় সমাজৰ পৰা জাতিভিত্তিক বৈষম্য আঁতৰাবলৈ ড° আম্বেদকাৰে চলোৱা প্ৰয়াসক তেওঁৰ জীৱনৰ মহত্বম অভিযান আখ্যা দিব পাৰি। এই গৰাকী ভৱিষ্যদ্ৰষ্টাই উপলব্ধি কৰিছিল যে কেৱল গণতন্ত্ৰই অকলে সংখ্যালঘূ সকলৰ অধিকাৰক সুৰক্ষা প্ৰদানৰ নিশ্চিতি দিব নোৱাৰে। সেয়েহে তেওঁ সংবিধানত ভাৰতৰ বিভিন্ন সংখ্যালঘূ গোটক বিভিন্ন সুৰক্ষা প্ৰদান কৰিব পৰা সা-সুবিধা অন্তৰ্ভুক্ত কৰাৰ চেষ্টা চলাইছিল।

১৪.৩.৬ এগৰাকী জাতীয়তাবাদী হিচাপে আম্বেদকাৰ

আম্বেদকাৰৰ দৃষ্টিভংগী অনুসৰি জাতীয়তাবাদ মানে হ'ল এক জনসমষ্টিৰ আভ্যন্তৰীণ একতাৰ প্ৰকাশ। ই সামাজিক লীনভৱনৰ এটা প্ৰক্ৰিয়া। সেয়েহে যদি এখন ৰাষ্ট্ৰৰ সৰ্বত্ৰ জাতি, গাৰ বৰণ আৰু বংশ নিৰ্বিশেষে সকলো ব্যক্তিৰ মাজত এটা সামাজিক ভ্ৰাতৃত্ববোধ থাকে তেন্তে জাতীয়তাবাদে সম্পূৰ্ণ সামঞ্জস্যতা লাভ কৰে।

আম্বেদকাৰৰ মতে জাতীয়তাবাদে জাতি ভিত্তিক ভাবধাৰা নসাৎ কৰে। জাতি ভিত্তিক ভাবধাৰা হ'ল সমাজত গভীৰভাৱে শিপাই থকা সাম্প্রদায়িকতাবাদৰ এক প্রকাশ্য ৰূপ। তেওঁ জাতিবাদ, ভাষাবাদ, সাম্প্রদায়িকতাবাদ আৰু পৃথকতাবাদী মনোভাৱৰ বিৰুদ্ধে যুঁজাত জো�ৰ দিছিল। এই সামাজিক অশুভ শক্তিবোৰে মানুহক সৰু সৰু সামাজিক এককত ভাগ কৰে আৰু এয়া জাতীয়তাবাদৰ ভাৱধাৰাৰ পৰিপন্থী বুলি তেওঁ মত পোষণ কৰিছিল। আম্বেদকাৰৰ মতে দলবাদৰ এটা ৰূপ সাম্প্রদায়িকতাবাদ হ'ল ৰাষ্ট্রীয় সংহতিৰ বাবে এক ভাবুকি। ই দেশৰ সমতা আৰু ভ্রাতৃত্ববোধৰ ক্ষতি কৰে। আম্বেদকাৰে জাতীয়তাবাদক মানৱতাবাদৰ বুকুত প্রোথিত এক আধ্যাত্মিক পৰিঘটনা হিচাপে বিশ্লেষণ কৰিছিল।

নিজে এগৰাকী জাতীয়তাবাদী হিচাপে আম্বেদকাৰে জাতীয়তাবাদৰ সামাজিক ভেটিটো সম্প্রসাৰিত কৰিব বিচাৰিছিল। তেওঁ কোনো বৈষম্য নথকাকৈ দেশৰ সকলো নাগৰিককে ঐক্যবদ্ধ কৰিব খুজিছিল। সেয়াই আছিল তেওঁৰ পৰম লক্ষ্য। ভিন্ন ভাষা-ধর্ম সম্প্রদায়ৰ লোকক একতাৰ ডোলেৰে বান্ধিব খোজা আম্বেদকাৰে সকলোকে একেলগে একতাৰ দিশলৈ আগুৱাই নিব পৰা উমৈহতীয়া সিদ্ধান্ত গ্রহণ কৰিবলৈ আহ্বান জনাইছিল। শ শ বছৰ ধৰি নিম্ন জাতিৰ বুলি পৰিচিত লোকসকলৰ ওপৰত চলি থকা ব্রাহ্মণ্যবাদী সাম্রাজ্যবাদৰ আম্বেদকাৰ আছিল ঘো�ৰ বিৰোধী। একমাত্র তেওঁৰ প্রয়াস আৰু প্রত্যাহ্বানৰ জোৰতেই ভাৰতীয় জাতীয় কংগ্রেছে দেশৰ জাতি সমস্যাটোৰ প্রতি মনোযোগ দি ভাৰতীয় জাতীয়তাবাদৰ সামাজিক আধাৰ সম্প্রসাৰিত কৰিব পৰা ব্যৱস্থা গ্রহণ কৰিছিল। ইয়াৰ পূর্বে এই জাতীয়তাবাদ বহুলাংশে সমাজৰ উচ্চ শ্রেণীবোৰৰ মাজত সংঘটিত হোৱা এক পৰিঘটনা হৈয়েই আছিল।

১৪.৩.৭ গণতন্ত্র সম্পর্কে আম্বেদকাৰৰ দৃষ্টিভংগী

আম্বেদকাৰ গণতন্ত্রৰ সমর্থক আছিল। তেওঁৰ মতে এটা গণতান্ত্রিক ব্যৱস্থাত সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰ থকা উচিত। তেওঁ দেশৰ ৰাজনৈতিক সংগঠনবোৰত দলিতসকলৰ বাবে আসন সংৰক্ষণ কৰাত জোৰ দিছিল। তেওঁ সমাজত দলিত সকলৰ বাবে এটা সুকীয়া প্রস্থিতি গঢ়ি তোলাৰ চেষ্টা কৰিছিল। আম্বেদকাৰৰ মতে প্রকৃত গণতন্ত্র মানে হ'ল সামাজিক গণতন্ত্র। তেওঁ কৈছিল যে ৰাজনৈতিক গণতন্ত্রৰ লক্ষ্যত উপনীত হ'বলৈ সামাজিক তথা অর্থনৈতিক গণতন্ত্রক বাস্তৰ কৰি তুলিব লাগিব। এই দুটা গণতন্ত্র বাস্তৰ হৈ নুঠালৈকে ভাৰতত ৰাজনৈতিক গণতন্ত্র স্থাপনৰ চিন্তা অর্থহীন।

গণতন্ত্র সম্পর্কে থকা আম্বেদকাৰৰ দৃষ্টিভংগীটোৱে সমাজত কোনো ধৰণৰ শ্রেণী গাঁথনি থকাৰ পোষকতা নকৰে। তেওঁৰ মতে এনে গাঁথনিয়ে সংহাৰ, ফোঁপোলা আভিজাত্য, অহংকাৰ, মই বৰ ভাব, লোভ, স্বার্থপৰতা, অসুৰক্ষাৰ ভাৱনা, দৰিদ্রতা,

সামাজিক অৱনমন, স্বাধীনতা নাইকীয়া হোৱা, আত্ম-নির্ভৰশীলতা হেৰুৱাই পেলোৱা, মর্যাদা আৰু আত্মসন্মান হানি কৰা আদিৰ দৰে নেতিবাচক দিশবোৰক সাৰ-পানীৰ যোগান ধৰে। তেওঁ গণতন্ত্রক ইয়াৰ ব্যৱহাৰিক দিশটোৰে চালি-জাৰি চাইছিল। ব্যৱহাৰিক দিশটোৱে গণতন্ত্রক জনসমূহৰ সামাজিক সংগঠন ৰূপে উপস্থাপন কৰে। তেওঁ জীৱনৰ বহুতো ক্ষেত্রত সংগঠিত হোৱাত স্বাধীনতাৰ গুৰুত্বৰ ওপৰত জোৰ দিছিল। তেওঁৰ মতে স্বতন্ত্র মন আৰু চিন্তাৰ অধিকাৰী লোকে গঢ়া অনুষ্ঠানবোৰেই হ'ল স্বাধীনতা আৰু গণতন্ত্রৰ আত্মা।

ওপৰৰ আলোচনাৰ ভিত্তিত আমি ক'ব পাৰোঁ যে আম্বেদকাৰৰ গণতন্ত্রৰ ধাৰণাটো স্বাধীনতা, সমতা, ভ্রাতৃত্ববোধ, প্রাকৃতিক অধিকাৰ আৰু ন্যায়ৰ আধাৰত গঢ় লৈ উঠিছিল। তেওঁৰ মতে ব্যক্তিৰ ব্যক্তিত্ব তথা সক্ষমতাৰ সর্বাংগীন বিকাশত এই আটাইকেইটা কথাই প্রয়োজনীয়। তেওঁৰ মতে সামাজিক গণতন্ত্র আৰু অর্থনৈতিক সমতা স্থাপন কৰি ৰাজনৈতিক গণতন্ত্রক বাস্তৱ কৰি তুলিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ ড° আম্বেদকাৰৰ মতে সামাজিক অন্যায়ৰ প্রধান কাৰণ হ'ল হিন্দু সমাজত প্রচলিত --------- ব্যৱস্থা। (খালী ঠাই পূৰ কৰক)

.....

প্রশ্ন ৬ ঃ জাতীয়তাবাদ সম্পর্কে আম্বেদকাৰৰ ধাৰণা চমুকৈ ব্যাখ্যা কৰক।

.....

.....

.....

প্রশ্ন ৭ ঃ গণতন্ত্র সম্পর্কে আম্বেদকাৰৰ ধাৰণাৰ ওপৰত এটি টোকা লিখক।

.....

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৯১ চনৰ ১৪ এপ্রিলত মধ্য প্রদেশৰ মাউ সামৰিক ছাউনী এলেকাত আম্বেদকাৰৰ জন্ম হৈছিল। আম্বেদকাৰ, বাবচাহেব আম্বেদকাৰ নামেৰে জনপ্রিয় আছিল। তেওঁ একেৰাহে এগৰাকী বিচাৰক, সমাজ সংস্কাৰক আৰু ৰাজনীতিক আছিল।

- ভীমৰাও ৰামজী আম্বেদকাৰ নিপীড়িত শ্রেণীৰ অধিকাৰৰ হকে মাত মতাৰ বাবেও জনাজাত আছিল। তেওঁ তথাকথিত "অস্পৃশ্য"সকলৰ বাবে মাৰাঠী ভাষাত *বহিষ্কৃত ভাৰত* নামৰ এখন পষেকীয়া কাকত প্রকাশ কৰিছিল। সমাজৰ অস্পৃশ্য শ্রেণীটোৰ উন্নতিৰ বাবে ১৯২৪ চনৰ ২০ জুলাই তাৰিখে বোম্বেত তেওঁ *বহিষ্কৃত হিতকাৰিণী* সভা গঠন কৰিছিল।
- আম্বেদকাৰে জাতি প্রথাৰ আধাৰত সৃষ্ট সমাজৰ স্তৰবদ্ধ গাঁথনিৰ বিৰোধিতা কৰিছিল। এই প্রথা নির্মূল কৰিবলৈ তেওঁ অসবর্ণ বিবাহত উদ্‌গনি যোগাইছিল।
- আম্বেদকাৰ নাৰী অধিকাৰৰ সবল সমর্থক আছিল। তেওঁ মহিলাক চিৰকলীয়া দমনৰ পৰা ৰক্ষা কৰিব খুজিছিল। তেওঁ ধর্মৰ সপক্ষত থিয় দিছিল যদিও ধর্মৰ নামত হোৱা ভণ্ডামীৰ ঘোৰ বিৰোধিতা কৰিছিল।
- তেওঁ 'এক ব্যক্তি-এক প্রমূল্য' নীতি সাৰোগত কৰি সামাজিক ন্যায় আৰু সামাজিক গণতন্ত্র প্রতিষ্ঠাৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিছিল। সামাজিক ন্যায়ক তেওঁ দেশপ্রেম আৰু জাতীয়তাবাদৰ প্রকৃত আধাৰ বুলি অভিহিত কৰিছিল।
- এগৰাকী জাতীয়তাবাদী হিচাপে আম্বেদকাৰে জাতীয়তাবাদৰ সামাজিক ভেটিটো সম্প্রসাৰিত কৰিব বিচাৰিছিল। তেওঁ কোনো বৈষম্য নথকাকৈ দেশৰ সকলো নাগৰিককে ঐক্যবদ্ধ কৰিব খুজিছিল যিটো তেওঁৰ পৰম লক্ষ্য আছিল।
- আম্বেদকাৰ গণতন্ত্রৰ সমর্থক আছিল। তেওঁৰ মতে এটা গণতান্ত্রিক ব্যৱস্থাত সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰ থকা উচিত।
- গণতন্ত্র সম্পর্কে থকা আম্বেদকাৰৰ দৃষ্টিভংগীটোৱে সমাজত কোনো ধৰণৰ শ্রেণী গাঁথনি থকাৰ পোষকতা নকৰে। তেওঁৰ মতে সামাজিক গণতন্ত্র আৰু অর্থনৈতিক সমতা স্থাপন কৰি ৰাজনৈতিক গণতন্ত্রক বাস্তৱ কৰি তুলিব পৰা যায়।



১৪.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Asirvatham, E. & Mishra, K.K (1990). *Political theory*. New Delhi: S. Chand & Company Ltd.
2. Bhagavan, V. (1999). *Indian political thinkers*. Delhi: Atma Ram and Sons Publications.
3. Bhatt, R. C. (2018). *A study of Dr. B.R. Ambedkar's idea of nationalism in the context of India's freedom movement*. Volume VII, Issue VII, July 2018 | ISSN 2278-2540 www.ijltemas.in Page 18

4. Jayapalan, N. (2003). *Indian political thinkers: Modern Indian political thought*. New Delhi: Atlantic Publishers and Distributors.
5. Lenox, Dr C.: 'Dr. Ambedkar: A visionary for human rights.' Talking humanities.blogs.sas.ac.uk
6. Mohanty, D. K. (2007). *Indian political tradition- From Manu to Ambedkar.* New Delhi: Anmol Publications Pvt. Ltd.
7. Rathod, P.B. & Rathod, V. (2006). *Indian political thinkers*. New Delhi: Commonwealth Publishers.
6. Dr. Ambedkar's vision: "Social Justice" for the women, Scheduled Castes and Scheduled Tribes. sodhganga.inflibnet.ac.in, pp. 86-87.
9. Ambedkar's thought on democracy and distributive justice: A rational approach to the fulfillment of Ambedkar's vision of India. sodhganga.inflibnet.ac.in, pp. 267-269.
10. Indian National Movement (Ambedkar on Nationalism), pp.4-5 www.academia.edu

অসমীয়া গ্ৰন্থ ঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

১৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰামজী মালোজী চাক্‌পাল আম্বেদকাৰৰ দেউতাক আছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ আম্বেদকাৰে তথাকথিত "অস্পৃশ্য" সকলৰ বাবে মাৰাঠী ভাষাত *বহিষ্কৃত ভাৰত* নামৰ এখন পখেকীয়া কাকত প্ৰকাশ কৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯২৪ চনৰ ২০ জুলাই তাৰিখে বোম্বেত *বহিষ্কৃত হিতকাৰিণী সভা* গঠন কৰা হৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ক) নৈতিকতাৰ বোধেৰে ধৰ্ম হ'ল প্ৰতিখন সমাজৰে নিয়ন্ত্ৰক নীতি, খ) ধৰ্মই দৰিদ্ৰতা অথবা অজ্ঞানতাক সামাজিক সমৰ্থন জনাব নোৱাৰে। মানুহৰ প্ৰকৃতি আৰু বৌদ্ধিক দক্ষতাৰ ওপৰত ভিত্তি কৰি ধৰ্ম প্ৰতিষ্ঠিত হ'ব লাগে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ড° আম্বেদকাৰৰ মতে সামাজিক অন্যায়ৰ প্ৰধান কাৰণ হ'ল হিন্দু সমাজত প্ৰচলিত *জাতি* ব্যৱস্থা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ এগৰাকী জাতীয়তাবাদী হিচাপে আম্বেদকাৰে জাতীয়তাবাদৰ সামাজিক ভেটিটো সম্প্ৰসাৰিত কৰিব বিচাৰিছিল। তেওঁ কোনো বৈষম্য নথকাকৈ দেশৰ সকলো নাগৰিককে ঐক্যবদ্ধ কৰিব খুজিছিল। সেয়াই আছিল তেওঁৰ পৰম লক্ষ্য। ভিন্ন ভাষা-ধৰ্ম সম্প্ৰদায়ৰ লোকক একতাৰ ডোলেৰে বান্ধিব খোজা আম্বেদকাৰে সকলোকে একেলগে একতাৰ দিশলৈ আগুৱাই নিব পৰা উমৈহতীয়া সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ আম্বেদকাৰ গণতন্ত্ৰৰ সমৰ্থক আছিল। তেওঁৰ মতে এটা গণতান্ত্ৰিক ব্যৱস্থাত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ থকা উচিত। আম্বেদকাৰৰ মতে প্ৰকৃত গণতন্ত্ৰ মানে হ'ল সামাজিক গণতন্ত্ৰ। তেওঁৰ মতে ব্যক্তিৰ ব্যক্তিত্ব তথা সক্ষমতাৰ সৰ্বাংগীন বিকাশত এই আটাইকেইটা কথাই প্ৰয়োজনীয়। তেওঁৰ মতে সামাজিক গণতন্ত্ৰ আৰু অৰ্থনৈতিক সমতা স্থাপন কৰি ৰাজনৈতিক গণতন্ত্ৰক বাস্তৱ কৰি তুলিব পৰা যায়। গণতন্ত্ৰ সম্পৰ্কে থকা আম্বেদকাৰৰ দৃষ্টিভংগীটোৱে সমাজত কোনো ধৰণৰ শ্ৰেণী গাঁথনি থকাৰ পোষকতা নকৰে।



১৪.৭ আহি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ আম্বেদকাৰে কিয় বৌদ্ধ ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল?

প্ৰশ্ন ২ ঃ আম্বেদকাৰৰ দুটা সাহিত্য কৰ্মৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ গণতন্ত্ৰ সম্পৰ্কে আম্বেদকাৰৰ মতামত কেনে ধৰণৰ আছিল?

প্ৰশ্ন ৪ ঃ আম্বেদকাৰে কিয় *বহিষ্কৃত হিতকাৰিণী সভা* গঠন কৰিছিল?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *বহিষ্কৃত হিতকাৰিণী* সভাৰ লক্ষ্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ আম্বেদকাৰে সামাজিক ন্যায়ৰ ব্যক্তিগত ধাৰণাটোত সন্নিৰিষ্ট কৰা বিভিন্ন দিশসমূহ কি কি?

প্ৰশ্ন ৩ ঃ ধৰ্ম সম্পৰ্কে আম্বেদকাৰৰ ধাৰণাৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৪ ঃ আম্বেদকাৰৰ ওপৰত বৌদ্ধ ধৰ্মৰ প্ৰভাব সম্পৰ্কে এটি টোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সামাজিক ন্যায় সম্পৰ্কে আম্বেদকাৰৰ ধাৰণা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মহিলাৰ অধিকাৰৰ সৰৱ পৃষ্ঠপোষক হিচাপে আম্বেদকাৰৰ ধাৰণাৰ সমালোচনাত্মক পৰীক্ষা কৰক।

প্ৰশ্ন ৩ ঃ গণতন্ত্ৰ সম্পৰ্কে আম্বেদকাৰৰ ধাৰণা আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ জাতি প্ৰথা আৰু অস্পৃশ্যতাৰ দৰে সামাজিক কু-প্ৰথাবোৰৰ বিৰুদ্ধে আম্বেদকাৰৰ মনোভাৱ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ শোষিত শ্ৰেণীৰ অধিকাৰৰ সৰৱ পৃষ্ঠপোষক হিচাপে আম্বেদকাৰৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৬ ঃ অস্পৃশ্যসকলৰ ত্ৰাণকৰ্তা হিচাপে আম্বেদকাৰৰ অৱদান বিশ্লেষণ কৰক।

****

অধ্যায় ১৫ ঃ আচার্য বিনোভা ভাবে আৰু জে.পি নাৰায়ণ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ আচার্য বিনোভা ভাবে

১৫.৩.১ সর্বোদয়া সম্পর্কে দৃষ্টিভংগী

১৫.৩.২ ভূদান আন্দোলন

১৫.৩.৩ গ্রামদান আন্দোলন

১৫.৪ জে.পি. নাৰায়ণ

১৫.৪.১ সমাজতন্ত্ৰৰ ধাৰণা

১৫.৪.২ সমগ্র বিপ্লৱ

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৬ অধিক জানিবলৈ

১৫.৭ অগ্রগতিৰ খতিয়ান

১৫.৮ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- আচার্য বিনোভা ভাবেৰ সর্বোদয়াৰ ওপৰত দৃষ্টিভংগী সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- বিনোভা ভাবেৰ ভূদান সম্পর্কে বর্ণনা আগবঢ়াবলৈ সক্ষম হ'ব
- বিনোভা ভাবেৰ গ্রামদান আন্দোলনৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- জে.পি. নাৰায়ণৰ সমাজতন্ত্ৰৰ ধাৰণা সম্পর্কে জানিব পাৰিব
- জে.পি নাৰায়ণৰ সমগ্র বিপ্লৱৰ ধাৰণা সম্পর্কে বর্ণনা কৰিব পাৰিব।

১৫.২ পৰিচয়

আচার্য বিনোভা ভাবে আৰু জে. পি. নাৰায়ণ আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাবিদসকলৰ মাজৰ দুজন বিশিষ্ট চিন্তাবিদ। দুর্ভাগ্যবশতঃ গান্ধীজী তেওঁৰ দর্শন বাস্তৱায়িত কৰিবলৈ বহু দিন বাচি নাথাকিল, যাৰ পৰিণতিত তেওঁৰ দর্শন বাস্তৱায়িত কৰাৰ দায়িত্ব তেওঁৰ সক্ষম শিষ্যসকলৰ ওপৰত পৰিছিল। এই ক্ষেত্রত জে.পি নাৰায়ণ আৰু বিনোভা ভাবেৰ নাম

বিশেষভাৱে উল্লেখনীয়। ভাৰতবর্ষৰ এই দুয়োজন যোগ্য পুত্রই গান্ধীজীয়ে তেওঁৰ অকাল মৃত্যুৰ কাৰণে যিবোৰ কৰিব নোৱাৰিলে সেই সকলোবোৰ কৰাৰ বাবে আশাবাদী আছিল।

১৫.৩ আচার্য বিনোভা ভাবে

আচার্য বিনোভা ভাবে মহাত্মা গান্ধীৰ অন্যতম সত্য আৰু সক্ষম শিষ্য আছিল। দৰাচলতে, ভাবে গান্ধীজীৰ প্রয়াসক প্রসাৰ কৰাৰ লগতে অনুসৰণ কৰি তেওঁৰ দর্শনক ব্যৱহাৰিক অর্থত প্রয়োগ কৰিছিল। প্রকৃতপক্ষে বিনোভা ভাবে তেওঁৰ সম্পূর্ণ দর্শন গান্ধীজীৰ অহিংসা নীতিৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰিছিল আৰু সেইবোৰক সাৰোগত কৰি ৰাষ্ট্রৰ সমস্যাসমূহৰ ব্যৱহাৰিক সমাধানৰ পথ দাঙি ধৰিছিল।

১৫.৩.১ সর্বোদয়া সম্পর্কে দৃষ্টিভংগী

সর্বোদয়া ধাৰণাটি ব্যাখ্যা কৰোঁতে এইটো কোৱা হৈছে যে এই ধাৰণাটো পশ্চিমীয়া বহুসংখ্যকবাদৰ (Majoritarianism) বিৰোধী। 'সর্বোদয়া' এই বিশেষ শব্দটোৰ পৰাই ধৰিব পৰা যায় যে (সর্ব' ৰ অর্থ হৈছে 'সমস্ত' বা 'সকলো' আৰু উদয়'ৰ অর্থ হৈছে 'উন্নতি' (Elevation) এই ধাৰণাৰ জৰিয়তে সমস্ত জীৱিত মানুহেই বিনীতভাৱে বিকাশ লাভ কৰিব য'ত সমাজৰ সর্বশেষৰ ব্যক্তিজনৰো উন্নতিৰ দিশ যত্ন সহকাৰে চালিজাৰি চোৱা হ'ব।

গান্ধীজীয়ে নিজৰ ধাৰণাৰে এখন আদর্শ সমাজ প্রতিষ্ঠা কৰিব বিচাৰিছিল য'ত ক্ষমতাৰ সম্পূর্ণ বিকেন্দ্রীকৰণ সম্ভৱ হয়, পঞ্চায়তীৰাজ ব্যৱস্থা থাকে, য'ত প্রেম আৰু ভাতৃত্ববোধ থাকে, লগতে ঘৃণাৰ কোনো স্থান নাথাকে আৰু সকলোৱে ভালপোৱাৰ জৰিয়তে নিজৰ নিজৰ উদ্বৃত্ততা (Surplus) আর্তজনক প্রদানৰ ব্যৱস্থা থাকে। অৱশ্যে, ভাৰতবর্ষই স্বাধীনতা লাভৰ কেইমাহমান পিছতে এজন ধর্মান্ধ হিন্দুয়ে (নাথুৰাম বিনায়ক গড়্ছে) তেওঁক গুলি কৰি হত্যা কৰাৰ লগে লগে তেওঁৰ আদর্শ সমাজ বা সর্বোদয়াৰ সপোন অসম্পূর্ণ হৈ ৰৈ যায়। যি কি নহওঁক তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ এজন সত্য আৰু দক্ষ শিষ্য, আচার্য বিনোভা ভাবে এই কামটো নিজে মূৰ পাতি গ্রহণ কৰে আৰু যিটো ভাবে তেওঁৰ ভূদান আন্দোলনৰ জৰিয়তে সম্পন্ন কৰে। তেওঁৰ এই কামটোত ভাৰতবর্ষৰ আন এক প্রবাদ পুৰুষ জে.পি. নাৰায়ণে সম্পূর্ণ সহযোগিতা আগবঢ়ায়।

গান্ধীজীৰ মৃত্যুৰ পিছত তেওঁৰ আগশাৰীৰ অনুগামীসকলে সেৱা গ্রামত মিলিত হয় লগতে গান্ধীজীৰ ধাৰণাসমূহ বাস্তৱায়িত কৰাৰ সিদ্ধান্ত লয়। ১৯৪৯ চনৰ ডিচেম্বৰ মাহত সর্বোদয়া অর্থনৈতিক সম্মিলন নামৰ এটি অনুষ্ঠান আয়োজন কৰা হৈছিল যাৰ লক্ষ্য আছিল সর্বোদয়া সমাজ প্রতিষ্ঠা কৰে। এই নতুন সমাজখনে বিনোভা ভাবেৰ নেতৃত্ব বিচাৰিছিল আৰু সমস্ত কার্য্যসূচী তেওঁৰ নেতৃত্বত কার্য্যকৰী কৰাৰ সিদ্ধান্ত লোৱা হৈছিল।

নতুন সমাজখনৰ লক্ষ্য আছিল সামাজিক আৰু অর্থনৈতিক সমতা স্থাপন কৰা, ব্যক্তিত্ব বিকাশৰ স্বাধীনতা আৰু পাৰস্পৰিক সহযোগিতা ব্যৱস্থাৰ প্রচাৰ কৰা লগতে জনসাধাৰণৰ মান বৃদ্ধি আৰু ক্ষমতাৰ বিকেন্দ্রীকৰণৰ বাবে আবেদন কৰা। তাৰোপৰি, কুটিৰ শিল্পৰ উন্নতি সাধন কৰা আৰু ৰাষ্ট্রৰ কর্তৃত্ব সর্বনিম্নে কমাই অনাৰ লগতে শাসক আৰু শাসিতসকলৰ মাজত পার্থক্য দূৰ কৰা। সকলোকে, এই নতুন সমাজত মানৱীয়তাৰ দৃষ্টিভংগীৰে চোৱা হ'ব আৰু তাত কিছুমান সৰু সৰু গ্রামীন আৰু নগৰীয়া সম্প্রদায় থাকিব যিবোৰে সমাজ পৰিচালনা কৰিব। সমাজত কোনো ধৰণৰ হিংসা, বিদ্বেষ নাথাকিব আৰু হিংসা আৰু বিদ্বেষ প্রেম ভালপোৱাৰ দ্বাৰা নাইকীয়া কৰা হ'ব। সমাজৰ সকলো উপযোগী কর্মকে যথাযত সন্মান দিয়া হ'ব।

এনেকুৱা এখন সমাজৰ স্বপ্ন দেখা নতুন সমাজখনে ভূদান আন্দোলনৰ মাজত তেওঁলোকৰ প্রকাশ বুজি পাইছিল। এই দর্শনৰ প্রধান প্রবক্তা আচার্য বিনোভা ভাবে কৈছিল যে ভাৰতত মাটিৰ বিতৰণ ব্যৱস্থা সঠিক হোৱা নাই আৰু ফলস্বৰূপে দেশৰ সুস্থ প্রগতি হোৱা নাই। এইটোও ভাৰতবর্ষৰ দৰিদ্রতাৰ কাৰকসমূহৰ ভিতৰত অন্যতম। এই আন্দোলনৰ একমাত্র ধাৰণা হ'ল মাটিৰ ন্যায়সংগত বণ্টন আৰু জমিদাৰসকলৰ পৰা সন্মতি সহকাৰে মাটি আনি ভূমিহীন মানুহক প্রদান কৰা।

ভাবেৰ সর্বোদয়া দর্শনৰ অন্য এটা দিশ হ'ল সম্পত্তি দান অর্থাৎ অর্থৰ (Money) জৰিয়তে অনুদান দিয়া। যদিও প্রাৰম্ভিক অৱস্থাত তেওঁ নগদ অনুদান গ্রহণত অনীহা প্রকাশ কৰিছিল। তথাপিও সময়ৰ পৰিৱর্তনৰ লগে লগে তেওঁ বুজিব পাৰিছিল যে ভূমিহীনক কেৱল ভূমিৰে আৱশ্যকতা নাই তেওঁলোকক নাদ খান্দিবলৈ, গৰু কিনিবলৈ, গৰুগাড়ী তৈয়াৰ কৰিবলৈ, ঘৰ নির্মাণ কৰিবলৈ নগদ টকাৰো দৰকাৰ হয় যাৰ জৰিয়তে তেওঁলোকে জীৱন নির্বাহ কৰিব পাৰে। ইয়াৰ পৰিণতিতে তেওঁ ধনী ব্যক্তিসমূহৰ কায চাপি অর্থ অনুদানৰ কাৰণে অনুৰোধ কৰিছিল। অৱশ্যে এই ক্ষেত্রত তেওঁ এই বিষয়টোও স্পষ্ট কৰি দিছিল যে ধনী ব্যক্তিয়ে দিয়া দানসমূহ কোনোভাবে দাতব্য হিচাপে বিবেচনা কৰা উচিত নহয়। তাৰ পৰিৱর্তে এই কার্য্যক ৰাষ্ট্রৰ প্রতি কৰণীয় হিচাপেহে গণ্য কৰা হ'ব।

ভূদানৰ পৰা বিনোভাজী এধাপ আগুৱাই গৈ গ্রামদানৰ সূচনা কৰিলে। এই পদ্ধতিৰ আধাৰত যিকোনো এখন গাওঁৰ লোকসকলে সমূহীয়াভাৱে সমগ্র গাওঁখনকে দান কৰিব আৰু সমগ্র গাওঁখনে সমূহীয়াভাৱে কৃষিকার্য সমাপন কৰি ফচলসমূহ গাৰত বাস কৰা সকলো মানুহৰ মাজত সমানভাৱে বিতৰণ কৰিব। এই ব্যৱস্থাৰ জৰিয়তে কুটীৰ শিল্পসমূহকে গুৰুত্ব দিয়া হ'ব। গাওঁৰ বিভিন্ন বিষয়সমূহ সাধাৰণ সভাই (General Village Council) পৰিচালনা কৰিব, য'ত গাওঁৰ প্রতিটো পৰিয়ালৰ মুৰব্বীসমূহৰ সদস্যতা থাকিব। তাত সম্পত্তিৰ সন্মিলিত মালিকানা থাকিব। লগতে তাত কোনো ধৰণৰ ৰাজনৈতিক দলৰ প্রয়োজনীয়তা নাথাকিব।

গতিকে, ভাবেৰ মতে সর্বোদয়া ধাৰণাটিয়ে অহিংসাৰ পথেৰে সামাজিক ৰূপান্তৰ নিশ্চিত কৰাত আগ্রহী। সর্বোদয়াৰ মূল বিষয় হ'ল সুখৰ উপলব্ধিৰ লগতে সকলোৰে উন্নতি সাধন কৰা। বিনোভা ভাবেৰ কথাত, কিন্তু গীতাৰ দ্বাৰা প্রচাৰিত সর্বোদয়ৰ ধাৰণা হ'ল নিজক সকলোৰে ভালৰ বাবে একীভূত কৰা। এইটোৰে অৱশ্যেই আমাৰ ফালৰ পৰা সত্য আৰু অহিংসাৰ নিখুঁত বিশ্বাসৰ দাবী কৰে। আমাৰ ব্যক্তিগত বা ৰাজহুৱা জীৱনত আমি কেতিয়াও অসত্যৰ আশ্রয় লোৱাটো উচিত নহয়।



জানি থোৱা ভাল

সর্বোদয়া দর্শনৰ উৎস হিচাপে এইটো ক'ব পাৰি যে ৰাস্কিনৰ "Unto the Last" গান্ধীজীৰ ওপৰত গভীৰ প্রভাৱ পৰিছিল। এই কিতাপখনৰ পৰাই গান্ধীজীয়ে সর্বোদয়ৰ ধাৰণাটি পাইছিল। "সমস্ত কিতাপৰ মাজৰ পৰা মোৰ জীৱনত তাৎক্ষণিক তথা ব্যৱহাৰিক ৰূপান্তৰ আনি দিছিল "Unto the Last" কিতাপখনে। পিছত এই কিতাপখন মই 'সর্বোদয়া' (The Welfare of All) নাম দি গুজৰাটীলৈ অনুবাদ কৰোঁ। মই বিশ্বাস কৰোঁ যে মই ৰাস্কিনৰ এই গভীৰ কিতাপখনত প্রতিফলিত মোৰ গভীৰ প্রত্যয়সমূহ আৱিস্কাৰ কৰিছোঁ আৰু সেয়ে ই মোক মোহিত কৰি মোৰ জীৱন ৰূপান্তৰিত কৰিছে।"

১৫.৩.২ ভূদান আন্দোলন

ভূদান আন্দোলন হ'ল আচার্য বিনোভা ভাবেৰ দ্বাৰা পৰিচালিত এক স্বেচ্ছাকৃত ভূমি সংস্কাৰ আন্দোলন। ১৯৫১ চনৰ এপ্রিল মাহত শিব ৰামপালিত অনুষ্ঠিত সর্বোদয়া সম্মিলনত এই আন্দোলনে পাতনি মেলিছিল য'ত কিছুমান ভূমিহীন অস্পৃশ্য কৃষকে বিনোভা ভাবেক ভূমি দিয়াৰ বাবে আবেদন কৰিছিল আৰু ভাবে তাক বাস্তৱত ৰূপ দিয়াৰ কাৰণে তেওঁৰ এলেকাৰ জমিদাৰসকলক কিছু ভূমি দান দিবলৈ অনুৰোধ কৰিছিল। এই আবেদনৰ ভিত্তিত ৰাম চন্দ্র ৰেড্ডীয়ে বিনোভা ভাবেক এশ একৰ ভূমি দান কৰিছিল আৰু এই আন্দোলনৰ সুচনা হৈছিল। এই আন্দোলনৰ প্রভাৱ লাহে লাহে দেশ জুৰি বিয়পি পৰিছিল। কিন্তু এই আন্দোলনৰ প্রকৃত প্রভাৱ তেলেঙ্গাঁনাত অনুভূত হৈছিল য'ত জমিদাৰসকলে ভূমিহীন কৃষকক ভূমি দিবলৈ অমান্তি হৈছিল আৰু দুয়োপক্ষৰ মাজত সম্পর্ক বেয়া হৈছিল। এই দর্শনৰ ফলত সেই ঠাইৰ মানুহৰ মাজত এক ধৰণৰ বৈপ্লৱিক ধাৰণা গঢ় লৈ উঠিছিল।

ভূদান শব্দটোত দুটা শব্দ আছে ভূ আৰু *দান*। সংস্কৃত ভাষাত ভূ শব্দৰ অর্থ হৈছে ভূমি বা মাটি আৰু *দান* শব্দৰ অর্থ হৈছে উপহাৰ বা দক্ষিণা দিয়া। গতিকে আক্ষৰিক অর্থত ভূদান মানে মাটি উপহাৰ দিয়া। ভূদান সম্পর্কে ভাবেৰ যুক্তি হ'ল ভূমি সমগ্র জাতিৰ অন্তর্ভুক্ত। বায়ু আৰু পানী যেনেকৈ প্রকৃতিৰ এটা উপাদান, ঠিক তেনেকৈ ভূমিও প্রকৃতিৰ এটা উপাদান আৰু সেয়ে সকলোৰে অন্তর্গত। গতিকে এমুঠিমান লোকৰ সমগ্র ভূমি

ৰখাৰ অধিকাৰ নাই আৰু প্ৰকৃতিৰ এই সম্পদক তেওঁলোকে হস্তগত কৰি আনৰ অধিকাৰত ব্যাঘাত জন্মাব নোৱাৰে, যাৰ ভূমিৰ দৰকাৰ সবাতকৈ বেছি।

ভূদান আন্দোলনৰ লক্ষ্য আৰু উদ্দেশ্যঃ *ভূদান* আন্দোলনৰ প্ৰধান উদ্দেশ্য হৈছে জমিদাৰসকলৰ পৰা ভূমি আনি ভূমিহীন কৃষকক প্ৰদান কৰা। ভাবে চল্লিছৰ দশকৰ শেষ ফালে আৰু পঞ্চাছৰ আগৰ ফালে ভূমিহীন কৃষকৰ দুৰৱস্থাৰ লগতে ভাৰতবৰ্ষৰ কৃষিক্ষেত্ৰৰ অৰ্থনীতিৰ ভাঙোন দেখিছিল। তেওঁ ভালকৈ উপলব্ধি কৰিব পাৰিছিল যে লক্ষ লক্ষ কৃষকৰ ভূমিৰ নিৰাপত্তা নাথাকিলে ভাৰতীয় অৰ্থনীতি পুনৰুদ্ধাৰ কৰিব পৰা নাযাব। এই ধাৰণা মনত ৰাখি তেওঁ কল্পনা কৰিছিল যে জমিদাৰসকলৰ স্বেচ্ছাকৃত ভূমিদান হ'ব ভূমিহীনতাৰ একমাত্ৰ অভিনব সমাধান। এই আন্দোলনৰ মাধ্যমেৰে তেওঁ বিকেন্দ্ৰীকৰণৰ ভিত্তিত অৰ্থনৈতিক অধিগ্ৰহণ আৰু ক্ষমতাসমূহৰ বিতৰণ কৰিবলৈ বিচাৰিছিল লগতে সুযোগৰ সমতা স্থাপন কৰি এখন সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল।

আন্দোলনৰ পদ্ধতিঃ ভূদান নামৰ এই কৃষি বিপ্লৱৰ সময়ত এটি সম্পূৰ্ণ অহিংসা কৌশল অৱলম্বন কৰা হৈছিল। বিনোভা ভাবে আৰু তেওঁৰ সংগীসকলে খোজকাঢ়ি এখন গাওঁৰ পৰা আন এখন গাওঁলৈ গৈ গাওঁবাসীৰ সৈতে সভা পাতিছিল। এই সভাসমূহত বিনোভাজীয়ে হিন্দু ধৰ্মগ্ৰন্থৰ চহকী উদাহৰণেৰে জনসাধাৰণক প্ৰেম, ভাতৃত্ববোধ আদিৰ শিক্ষা দিছিল। তদুপৰি এই সভাসমূহত তেওঁ কিছুমান লেখনিও বিতৰণ কৰিছিল। এই যাত্ৰাত কোনো বাধা নাছিল।

ভূদান আন্দোলনৰ সীমাবদ্ধতাঃ

- **অ-সম উন্নয়নঃ** এই আন্দোলনটো সকলো ৰাজ্যতে সমানভাবে প্ৰসাৰিত হোৱা নাছিল। বিহাৰ, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, ৰাজস্থান আদি ৰাজ্যৰ বাহিৰে বাকী ৰাজ্যত এই আন্দোলনৰ বিকাশ লক্ষণীয় নাছিল। তাৰোপৰি, বিতৰণ কৰা ভূমিৰ লিখিত বিবৰণী (Record) অতি দুৰ্বল আছিল।
- **অব্যবহাৰ্য আৰু জঞ্জাল ভূমি দান ঃ**-বহু সময়ত জমিদাৰসকলে ভাল মাটিৰ পৰিবৰ্তে বেয়া মাটি দান কৰিছিল। যিবোৰ মাটি কৃষিৰ বাবে অনুপযোগী আৰু ন্যায়িক নথি নাছিল সেইবোৰ মাটিহে জমিদাৰসকলে দান কৰিছিল। ফলত আন্দোলনৰ প্ৰকৃত উদ্দেশ্য সাফল্যমণ্ডিত হোৱা নাছিল।
- **উৎকোচৰ সমস্যা ঃ**-ভূমি বিতৰণ কৰাৰ ক্ষেত্ৰত কৃষকসকলে গঞা কৰ্তৃত্বক উৎকোচ দিব লগা হৈছিল (বহু সময়ত)। এই ক্ষেত্ৰত প্ৰকৃত কৃষক ভূমিৰ পৰা বঞ্চিত হোৱা দেখা গৈছিল।
- **সহায়ৰ অভাব ঃ**- যদিও কৃষকে ভূমি লাভ কৰিছিল, তেওঁলোকে টকাৰ অভাৱত বীজ, সাৰ আদি কিনিব নোৱাৰাৰ কাৰণে আন্দোলনৰ উদ্দেশ্য সফল হ'ব পৰা নাছিল। সেয়েহে তেওঁলোকে লাভ কৰা ভূমি মুলধনৰ পৰিৱৰ্তে বোজাহে হৈছিল।

- **মন্থৰ গতি** ঃ- ১৯৫৬ চনৰ পিছত এই আন্দোলন ক্রমে স্থৰিৰ হৈ পৰিছিল যদিও দানৰ বাবে উপলভ্য ভূমি প্রায় ৪.৫ মিলিয়ন একৰ আছিল। ১৯৫৭ চনলৈ মাত্র ৬.৫ লাখ একৰহে প্রায় ২,০০০০০ (Two Lakh) পৰিয়ালৰ মাজত বণ্টন কৰা হৈছিল।

অৱশ্যে, এই আন্দোলনৰ কিছু সীমাবদ্ধতা থকা স্বত্বেও এইটো স্বীকাৰ কৰিব লাগিব যে *ভূদান* আন্দোলনৰ জৰিয়তে ১৯৫৭ চনলৈকে ৪.৫ মিলিয়ন ভূমি দান হিচাপে পোৱা গৈছিল। এই আন্দোলনটো আছিল দৰাচলতে ধনী আৰু দুখীয়াৰ মাজত পার্থক্য কম কৰা। এই আন্দোলনৰ অন্য এটা ধনাত্মক দিশ আছিল এই আন্দোলনৰ স্বেচ্ছাসেবী বৈশিষ্ট্য। ভূমি দানৰ বাবে জমিদাৰসকলক কোনো ধৰণৰ চাপ দিয়া হোৱা নাছিল। এই আন্দোলনত সর্বাধিক সাফল্য এয়াই আছিল যে যিখন দেশত ভূমি সংক্রান্তীয় দিশত সশস্ত্র বিদ্রোহ হৈছিল, তাত গান্ধীবাদী পথেৰে ভাৰতত ভূমি সংস্কাৰ কর্মসূচীৰ শান্তিপূর্ণ সমাধান বিচাৰি গান্ধীজীৰ শিষ্য বিনোভা ভাবে আগবাঢ়ি আহিছিল। *ভূদান* আন্দোলনৰ জৰিয়তেই বিনোভা ভাবে ৰাজহুৱা জীৱনৰ প্রসাৰ ঘটিছিল আৰু তেওঁ জাতীয় বীৰত পৰিণত হৈছিল।

১৫.৩.৩ গ্রামদান আন্দোলন

ভাৰতবর্ষত ভূমি সংস্কাৰ বাস্তৱায়িত কৰাৰ বাবে আচার্য বিনোভা ভাবেৰ নেতৃত্বত *গ্রামদান* আন্দোলন আছিল অন্য এটি অহিংস বিপ্লৱ। *গ্রামদান* আন্দোলন *ভূদান* আন্দোলনৰ সমসাময়িক আছিল। প্রকৃতপক্ষে, ভূদানে গ্রামদানৰ পথ সুগম কৰিছিল যিটো আন্দোলনৰ ১৯৫২ চনত আৰম্ভ হৈছিল। *ভূদান* আন্দোলনৰ মূল লক্ষ্য আছিল ভাৰতবর্ষত ভূমিহীন কৃষক নাইকীয়া কৰা। এই ধাৰণাটিয়ে স্বেচ্ছাই ভাৰতত জমিদাৰ নাইকীয়া কৰাৰ চিন্তাত জন্ম দিয়ে। এই ধাৰণা মতে সকলো ভূমি গোটেই সম্প্রদায়ৰ হোৱাটো বাঞ্ছনীয়। এই ক্ষেত্রত গ্রামদানক ভূদানৰ প্রসাৰ বুলিব পাৰি। *গ্রামদান* শব্দটোৱে সমগ্র গাওঁকে (entire village) দান কৰাটো বুজায়।

গ্রামদানৰ উদ্দেশ্য ঃ- *গ্রামদান* আন্দোলন মূলতঃ ভূমিৰ আধিপত্যবাদ ব্যৱস্থাৰ বিলুপ্তি ঘটাই ভাৰতত ভূমি ব্যৱস্থাৰ সংস্কাৰ সাধনৰ উদ্দেশ্যে গঢ়ি উঠিছিল। গ্রামদানৰ অধীনত প্রত্যেকখন গাৱৰ পৰিয়ালে তেওঁলোকৰ সমস্ত ভূমি গাওঁ সমিতিৰ নামত দান কৰিব। গ্রামদান ব্যৱস্থাৰ মাজেৰে ভাবেয়ে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো সলনি কৰিব বিচাৰিছিল। তাৰোপৰি, গ্রামদানে যৌথ কৃষিৰ ওপৰত গুৰুত্ব প্রদান কৰাৰ লগতে ফচলৰ সমান সমান ভাগ বতৰাৰ পক্ষপাতী আছিল।

গ্রামদানৰ প্রয়োজনীয়তা ঃ-গ্রামদানৰ জৰিয়তে ব্যক্তিগত সম্পত্তিৰ বিলুপ্তি সাধন কৰা হৈছিল আৰু সমগ্র ভূমি গাওঁৰ নামত দান কৰিব লগা হৈছিল যাৰ কর্মসূচী গাওঁ সভা বা সমিতিয়ে পৰিচালনা কৰিছিল। গাওঁ সভাই গাওঁৰ সকলো দিশৰ তদাৰকী কৰিছিল আৰু সকলোৰে কল্যাণৰ বাবে দায়বদ্ধ আছিল। এখন গাওঁ গ্রামদান হিচাপে ঘোষণা

কৰিবলগীয়া হ'লে কম পক্ষেও গাঁওৰ ৭৫ শতাংশ মানুহে ৫১ শতাংশ ভূমিৰ সৈতে গ্রামদানৰ বাবে সন্মতি প্রকাশ কৰি স্বাক্ষৰ কৰিব লাগিব।

গ্রামদান আন্দোলনৰ পিছত থকা ভাবাদর্শ ঃ- গ্রামদান আন্দোলন অহিংসা আৰু সমষ্টিগত গ্রাম বাসৰ গান্ধীবাদী আদর্শৰ ওপৰত ভিত্তি কৰি নির্মিত হৈছিল। এইটো প্রকৃতপক্ষে গান্ধীজীৰ মূল ধাৰণাৰ পৰাই অনুপ্রাণিত হৈছিল যি ক্ষেত্রত গান্ধীজীয়ে কৈছিল "এখন গাওঁৰ এশটা পৰিয়ালে তেওঁলোকক ভূমি এশভাগ কৰাতকৈ এভাগ কৰি সন্মিলিতভাৱে কৃষি কৰাটো অনেক শ্রেয়।"

তদনুসাৰে, বিনোভা ভাবেৰ উদ্যোগত *গ্রামদান* আন্দোলনৰ মাধ্যমেৰে গাওঁৰ জমিদাৰসকলক তেওঁলোকৰ ভূমিৰ অধিকাৰ স্বেচ্ছাই ত্যাগ কৰিবলৈ বাধ্য কৰাৰ ক্ষেত্রত ঔদ্যোগতাসকল সক্ষম হৈছিল। ১৯৬৯ চনত এই আন্দোলন শিখৰত উপনীত হৈছিল। *ভূদান* আৰু *গ্রামদান* আন্দোলনৰ লগত সামঞ্জস্য ৰাখি বহু ৰাজ্যই আইন প্রণয়ন কৰিছিল। ভাৰতবর্ষৰ প্রথম গ্রামদান গাওঁখন আছিল মংগ্রোথ (উত্তৰ প্রদেশত) যিখন ১৯৫২ চনত এই স্বীকৃতি পাইছিল। এই আন্দোলনৰ শীর্ষ সময়ছোৱাত *গ্রামদান* আন্দোলন স্বেচ্ছাসেৱী আন্দোলনৰ পৰা এটি চৰকাৰী সমর্থিত কার্যসূচীলৈ পর্যবসিত হৈছিল যাৰ ফলত এই আন্দোলনৰ জনপ্রিয়তাত ক্ষতি হৈছিল। ইয়াৰ মাজতে ভাবে নিজকে আন্দোলনৰ পৰা আতঁৰাই নিছিল। ফলত জনমানসত আন্দোলনত প্রভাৱ কমি আহিছিল। কালক্রমত জমিদাৰসকলৰ কৃষিৰ বাবে অযোগ্য ভূমিদান আৰু বিবাদমান ভূমি দানে এই আন্দোলনৰ উদ্দেশ্যত মোক্ষম আঘাত হানিছিল।

তথাপিও কিন্তু গ্রামদানৰ ইতিবাচক দিশটো নিহিত হৈ আছে এই খিনিতে যে এই আন্দোলনে অহিংসাৰ জৰিয়তে ভাৰতবর্ষত ভূমি প্রভুত্ব বিলোপ সাধনৰ পক্ষও সক্রিয়ভাৱে ঠিয় হৈছিল। ইয়াৰ লগে লগে গ্রামদানে সমবায়ৰ জৰিয়তে গাওঁত বাস কৰাৰ ক্ষেত্রত জনসাধাৰণক অনুপ্রাণিত কৰিছিল। অন্য কথাত, গ্রামদান এই নীতিৰ উৎকৃষ্ট উদাহৰণ হ'ব পাৰে — "প্রত্যেকৰ পৰা তেওঁৰ সামর্থ অনুসাৰে, প্রত্যেকলৈ তেওঁৰ প্রয়োজন অনুসাৰে"। মুখ্যতঃ গ্রামদানে সমগ্র গাওঁৰ বাবে সর্বোদয়া বা সকলোৰে কল্যাণ নিশ্চিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃবিনোভা ভাবেৰ সর্বোদয়া ধাৰণাৰ যিকোনো দুটি ব্যৱহাৰিক দিশ উল্লেখ কৰক।

.....

.....

প্রশ্ন ২ ঃ ভূদানৰ আক্ষৰিক অর্থ কি?

.....

.....

প্ৰশ্ন ৩ ঃ *ভূদান* আন্দোলনৰ যিকোনো এটি সীমাবদ্ধতা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৪ ঃ *গ্ৰামদান* শব্দটোৰ অৰ্থ কি?

.....

.....

১৫.৪ জে.পি. নাৰায়ণ

জয় প্ৰকাশ নাৰায়ণ (জে. পি. নাৰায়ণ) হৈছে গান্ধীজীৰ অন্য এজন শিষ্য যিয়ে তেওঁৰ দৰ্শন গান্ধীবাদী নীতিৰ আধাৰত প্ৰতিষ্ঠা কৰিছিল আৰু সেইবোৰ কাৰ্যকৰী কৰাৰ বাবে যত্ন কৰিছিল। ভাৰতীয় সমাজ ব্যৱস্থাত গভীৰভাৱে শিপাই থকা কু সংস্কাৰবোৰ দেখি, জে. পি. নাৰায়ণে নৈতিকতাৰ জৰিয়তে সমগ্ৰ বিপ্লৱৰ কাৰণে জনসাধাৰণক আহ্বান জনাইছিল।

১৫.৪.১ সমাজবাদৰ ধাৰণা

জে.পি নাৰায়ণক ভাৰতীয় সমাজতন্ত্ৰৰ ক্ষেত্ৰত এজন অন্যতম বিখ্যাত ব্যক্তি হিচাপে বিশ্লেষণ কৰিব পৰা যায়। 'ভাৰতীয় সমাজবাদী পাৰ্টীৰ (১৯৩৪) এজন অন্যতম হোতা হিচাপে তেওঁৰ অৰিহণা অনবদ্য। তেওঁৰ জীৱনৰ প্ৰাৰম্ভিক কালচোৱাত তেওঁ গান্ধীজীৰ অসহযোগ আন্দোলনৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। কিন্তু যেতিয়া তেওঁ আমেৰিকাত আছিল তেতিয়া তেওঁ মাৰ্ক্স, লেনিন, এঞ্জেল্চ্ আদিৰ বিপ্লৱী দৰ্শনৰ প্ৰতি আকৃষ্ট হয় আৰু মাৰ্ক্সীয় সমাজতন্ত্ৰকে স্বাধীনতা আৰু আৰ্থ সামাজিক বিকাশৰ ভাৰতীয় সমস্যাৰ সমাধানৰ কাৰণে গান্ধীবাদক সমাজবাদতকৈ বেছি উপযুক্ত বুলি মানি লৈছিল। জাৰক উৎখাত কৰি ৰাচিয়াত কমিউনিজিম প্ৰতিষ্ঠা কৰাৰ পিছত তেওঁ আৰু অধিক আত্মবিশ্বাসী হৈ উঠে। তেওঁ ভাৰতবৰ্ষত সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ কাৰণে মাৰ্ক্সবাদকে নিখুঁত তত্ত্ব হিচাপে প্ৰচাৰ কৰিছিল।

তেওঁ তেওঁৰ সমাজবাদ হিচাপে নিজৰ ধাৰণাসমূহ "Ideological Problem of Socialism" নামৰ নিবন্ধটোত উল্লেখ কৰিছে। তেওঁৰ মতে, অৰ্থনৈতিক দিশৰ পৰা সমাজবাদৰ মৌলিক নীতিসমূহ হৈছে উৎপাদনৰ উপায় আৰু আহিলাসমূহৰ সামাজিকীকৰণ কৰা আৰু পুঁজিবাদ আৰু ব্যক্তিগত সম্পত্তি নাইকিয়া কৰা। তাৰোপৰি, তেওঁৰ দৰ্শনে গাওঁ পঞ্চায়তৰ দ্বাৰা পৰিচালিত সমূহীয়া কৃষি ব্যৱস্থাৰ ঘোৰ সমৰ্থন কৰিছিল।

তেওঁ ভাৰতবৰ্ষত কিয় সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিব লাগে সেই বিষয়ে তেওঁৰ লিখনি *Why Sociolism*? ত যুক্তি প্ৰদৰ্শন কৰিছে। তেওঁ সেই সময়ত সমাজৰ আৰ্থ সামাজিক দিশবোৰ চালিজাৰি চাই বৈষম্যকে ভাৰতবৰ্ষৰ সমস্যাসমূহৰ মূল বুলি উল্লেখ কৰিছিল।

তাৰোপৰি, সম্পদসমূহৰ অসামঞ্জস্য বিতৰণে ভাৰতৰ ইতিমধ্যে পক্ষাঘাতগ্রস্ত আর্থ-সামাজিক ব্যৱস্থাটোক অন্য মাত্রা প্রদান কৰিছে। ইয়াৰ লগতে, কেবল এমুঠিমান মানুহৰ হাততহে সম্পদ কেন্দ্রীভূত হোৱা আৰু দৰিদ্র লোকসকলক বেছিকৈ শোষণ কৰাৰ ফলত জনসাধাৰণৰ অৱস্থা আৰু বেয়াৰ ফালে গতি কৰা দেখা যায়।

যদিও, নাৰায়ণে প্রথমতে মার্ক্সবাদক উত্তম পন্থা হিচাপে প্রক্ষেপ কৰিছিল; পিছত তেওঁ ছভিয়েট ৰুছিয়াৰ সমাজবাদৰ আৰ্হি আৰু ভাৰতবর্ষৰ আর্থ সামাজিক প্রেক্ষাপট লক্ষ্য কৰি অনুভৱ কৰিছিল যে ভাৰতবর্ষত হিংসাৰ জৰিয়তে বিপ্লৱ কৰি সমাজতন্ত্র প্রতিষ্ঠা কৰাটো ঠিক নহ'ব। তেওঁ ভালকৈ বুজিছিল যে গণতন্ত্র অবিহনে ভাৰতবর্ষত সমাজবাদ প্রতিষ্ঠা কৰা সম্ভৱ নহয়। তেনেকুৱা গণতান্ত্রিক সমাজতন্ত্রতে জোৰ দিয়া উচিত যাৰ জৰিয়তে অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতাৰ শান্তিপূর্ণভাৱে বিকেন্দ্রীকৰণ হয়। গতিকে, তেওঁ শেষৰ ফালে, গান্ধীবাদী নীতিৰে পৰিপুষ্ট গণতান্ত্রিক সমাজতন্ত্রৰ পক্ষপাতী হয়। অর্থাৎ, নৈতিক দিশৰ দ্বাৰা সামাজিক পুনৰগঠন। তেওঁ সর্বোদয়াক সমাজবাদৰ উচ্চতম ৰূপ হিচাপে উল্লেখ কৰিছে।

জে. পি. নাৰায়ণৰ সমাজবাদক তিনিটা পর্য্যায়ত বিশ্লেষণ কৰিব পৰা যায় —

(ক) মার্ক্সবাদী সমাজবাদী পর্য্যায়

(খ) গণতান্ত্রিক সমাজবাদী পর্য্যায় আৰু

(গ) গান্ধীবাদী সমাজবাদী পর্য্যায়।

উল্লেখনীয়ভাৱে তেওঁৰ সমাজবাদে কেৱল কিছুমান উদ্যোগ ৰাষ্ট্রীয়কৃত কৰাৰ ওপৰতে প্রতিষ্ঠা হোৱা নাছিল। তেওঁ শোষিত আৰু দৰিদ্রতাই কোঙা কৰা দুখীয়াবোৰৰো মুক্তি বিচাৰিছিল। প্রত্যেকৰ বাবে সমান সুবিধা আৰু সমাজৰ বৈষয়িক ও নৈতিক সম্পদৰ পূর্ণ বিকাশ নিশ্চিত কৰাটোও আছিল তেওঁৰ অন্যতম লক্ষ্য। ভাৰতবর্ষৰ সমাজতান্ত্রিক আন্দোলনত জে. পি. নাৰায়ণৰ কর্ম দেখি মহাত্মা গান্ধীয়ে তেওঁক প্রশংসা কৰি সমাজতন্ত্রৰ সর্বকালৰ সর্বশ্রেষ্ঠ ভাৰতীয় কর্তৃপক্ষ হিচাপে গণ্য কৰিছিল।

১৫.৪.২ সমগ্র বিপ্লৱ

সমগ্র বিপ্লৱ হৈছে জে. পি. নাৰায়ণৰ এক অনন্য ধাৰণা যিটো ১৯৭৪ চনৰ ৫ জুনত আৰম্ভ হৈছিল। তৎকালীন ভাৰতীয় পৰিস্থিতি পর্যবেক্ষণ কৰি জে.পি. নাৰায়ণে বুজিব পাৰিছিল যে দৰিদ্রতা, নিয়োগবিহীনতা, নিৰক্ষৰতা, অজ্ঞতা, দুর্নীতি, ধনী দুখীয়াৰ প্রভেদ, জন বিস্ফোৰণ, মুদ্রাস্ফীতি, ভাৰতীয় গণতন্ত্রৰ কেন্দ্রীভূত চৰিত্র, এক দলৰ আধিপত্য নৈতিক মূল্যবোধৰ পতনৰ লগতে সমগ্র জাতীয় জীৱনৰ ৰাজনীতিকৰণ ইত্যাদিয়ে সমগ্র ভাৰতীয় ব্যৱস্থাকে পঙ্গু কৰি পেলাইছিল। তেওঁ ভালকৈ অনুধাৱন কৰিছিল যে এই সমগ্র কু প্রভাৱ এটাৰ লগত আনটো সংপৃক্ত আৰু কোনো এটা নির্দিষ্ট সমস্যা অকলে সমাধান কৰা সম্ভৱ নহয়। এই বাস্তৱতাৰ কথা মনত ৰাখি তেওঁ সকলো প্রকাৰৰ

কু-সংস্কাৰ আৰু সমস্যা সমগ্ৰ বিপ্লৱৰ যোগেদি সমাধান কৰাত গুৰুত্ব আৰোপ কৰিছিল। নাৰায়ণে পুঁজিবাদী আৰু মাৰ্ক্সবাদী উভয় ধাৰণাকে ভাৰতীয় সমাজ পৰিৱৰ্তন কৰাৰ ক্ষেত্ৰত ত্যাগ কৰিছিল কাৰণ ভাৰতীয় সমাজৰ প্ৰকৃতি পশ্চিমীয়া সমাজ ব্যৱস্থাৰ প্ৰকৃতিতকৈ পৃথক। অন্যহাতে, তেওঁ গান্ধীবাদী শান্তিপূৰ্ণ বিপ্লৱ অৰ্থাৎ সৰ্বোদয়াৰ পক্ষ বাচি লৈছিল। নাৰায়ণৰ মতে সমগ্ৰ বিপ্লৱ সাতটি ক্ষেত্ৰত হয়।

- **সামাজিক বিপ্লৱ ঃ-** সামাজিক বিপ্লৱ মূলতঃ সামাজিক ব্যৱস্থাৰ সম্পূৰ্ণ পুনৰ্গঠনকে বুজায়। ইয়াৰ ভিতৰত আছে সামাজিক ও অৰ্থনৈতিক বৈষম্য দূৰীকৰণ, বৰ্ণবাদ ও যৌতুক প্ৰথা ইত্যাদিৰ দৰে সামাজিক কুসংস্কাৰ নিৰ্মূলকৰণ। তেওঁ নগৰীকিকৰণতকৈ গ্ৰাম্য সভ্যতাৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ সংশ্লেষিত উপায়েৰে পুৰণা আৰু নতুন সামাজিক মূল্যবোধৰ অস্তিত্ব বিচাৰিছিল। তেওঁ সৰ্বোদয়াৰ মাজেৰে এই সম্পূৰ্ণ সমাজ গঠন কৰিব বিচাৰিছিলে।
- **শিক্ষাগত বিপ্লৱ ঃ-** শিক্ষাগত বিপ্লৱৰ জৰিয়তে নাৰায়ণে প্ৰত্যেককে শিক্ষিত কৰিব বিচাৰিছিল। তেওঁ গাওঁৰ জনগোষ্ঠীৰ সাক্ষৰতাৰ ওপৰত বিশেষ জোৰ দিছিল। নাৰায়ণৰ মতে নতুন শিক্ষাব্যৱস্থা বিদ্যালয়ৰ চাৰিবেৰৰ মাজত ৰখা উচিত নহয়। বৰং এই শিক্ষা ব্যৱস্থা ব্যৱহাৰিক জীৱনৰ লগত সম্পৰ্কযুক্ত হোৱা উচিত। এই ধৰণৰ শিক্ষা ব্যৱস্থাত এজন মানুহক স্বাৱলম্বী হোৱাৰ শিক্ষা প্ৰদান কৰাৰ ক্ষমতা থকা উচিত।
- **ৰাজনৈতিক বিপ্লৱ ঃ-** জে.পি. নাৰায়ণ পশ্চিমীয়া গণতান্ত্ৰিক ব্যৱস্থাৰ তীব্ৰ বিৰোধী আছিল কাৰণ এই ধৰণৰ গণতন্ত্ৰই সঁচা অৰ্থত মহৎ মানৱ প্ৰমূল্যবোধ যেনে — স্বাধীনতা, সমতা, ন্যায়বিচাৰ, শান্তি আৰু ভাতৃত্ববোধ নিশ্চিত কৰিব নোৱাৰে। তেওঁ দলীয় ৰাজনীতিও সম্পূৰ্ণভাৱে নসাৎ কৰিছিল। গতিকে, তেওঁ শান্তিপূৰ্ণ ৰাজনৈতিক বিপ্লৱ বিচাৰিছিল। নতুন ৰাজনৈতিক ব্যৱস্থাটি পঞ্চায়তী ৰাজ ব্যৱস্থাৰ আধাৰত এটি অংশগ্ৰহণকাৰী আৰু দলবিহীন গণতন্ত্ৰ হিচাপে প্ৰতিষ্ঠিত হয়।
- **অৰ্থনৈতিক বিপ্লৱ ঃ-** পশ্চিমীয়া অৰ্থনৈতিক ধাৰণাক নাৰায়ণে অত্যন্ত সমালোচনা কৰিছিল কাৰণ এই ব্যৱস্থাটো বৃহত্তৰ শিল্পায়নৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠিত হোৱা যিটো শেষৰ ফালে ক্ষমতাৰ কেন্দ্ৰকৰণৰ দিশে পৰ্য্যবসিত হয়। ইয়াৰ কাৰণে তেওঁ শান্তিপূৰ্ণ অৰ্থনৈতিক বিপ্লৱৰ জৰিয়তে অৰ্থনৈতিক ব্যৱস্থাৰ পুনৰ্গঠন বিচাৰিছিল। এই নতুন অৰ্থনৈতিক ব্যৱস্থা হ'ব এটি সাম্যবাদী সমাজ ব্যৱস্থা যিয়ে অৰ্থনৈতিক বিকেন্দ্ৰীকৰণ নিশ্চিত কৰিব।
- **সাংস্কৃতিক বিপ্লৱ ঃ-** নাৰায়ণে বিশ্বাস কৰিছিল যে মানুহৰ হৃদয় বা মনৰ পৰিবৰ্তন নহ'লে সমাজত বাহ্যিক পুনৰ্গঠনৰ কোনো মূল্য নাই। গতিকে, তেওঁ পাঁচটি দিশ অৰ্থাৎ সত্য, অহিংসা, ব্ৰহ্মচৰ্য বা ধাৰাবাহিকতা, জীৱন বা তাৰ সহ জীৱৰ প্ৰতি

এটি সাধাৰণ মানুহৰ অভ্যাস, চিন্তাভাৱনা ও কর্ম পদ্ধতি আৰু দৃষ্টিভংগী পৰিবর্তনৰ কাৰণে চৌর্য্যহীন আৰু অ-দখলীকৃত ধাৰণাৰ পোষকতা কৰিছিল।

- **বৌদ্ধিক বিপ্লৱ ঃ-** নাৰায়ণে বুজিব পাৰিছিল যে সমাজৰ সমগ্র পুনর্গঠনে যথেষ্ট নহয়। বৰং তাতকৈয়ো গুৰুত্বপূর্ণ দিশ হৈছে ব্যক্তিক যথেষ্ট সক্ষম কৰা যাতে তেওঁলোকে নতুন মানবিক মূল্যবোধ গ্রহণ কৰিব পাৰে, নতুন সামাজিক ব্যৱস্থাৰ লগত সামঞ্জস্য ৰাখিব পাৰে লগতে তাৰ পৰা যথাযথ ব্যৱহাৰযোগ্য দিশ বাহিৰ কৰিব পাৰে। এই কাৰণে নাৰায়ণে বৌদ্ধিক বিপ্লৱ বিচাৰিছিল।
- **নৈতিক আধ্যাত্মিক বিপ্লৱ ঃ-** নাৰায়ণৰ মতে মানুহৰ অস্তিত্বৰ কাৰণে বস্তুগত উৎসসমূহ অতীব প্রয়োজনীয়। কিন্তু স্বার্থপৰতা আৰু বাসনা প্রৱণতাই সাম্যবাদী সমাজ প্রতিষ্ঠাত বাধা সৃষ্টি কৰিব পাৰে। কাৰণ মানুহে এই বৈষয়িক উপাদানসমূহৰ পিছে পিছে উন্মাদৰ দৰে দৌৰে। এই উদ্দেশ্য আগত ৰাখিয়েই তেওঁ এটি নৈতিক আধ্যাত্মিক বিপ্লৱৰ কাৰণে জনগণক অনুৰোধ জনাইছিল।

সেই গতিকে, যুৱসমাজ আৰু জনসাধাৰণক কেন্দ্রীয় শক্তি হিচাপে গ্রহণ কৰি জে.পি. নাৰায়ণে আদর্শ সমাজ প্রতিষ্ঠাৰ হাৰ সম্পূর্ণ বিপ্লৱৰ আহ্বান কৰিছিল।



১৫.১ চিন্তা-চর্চা কৰক

সর্বোদয়া আৰু সমাজবাদী দর্শনৰ মাজত তুলনা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ জে.পি. নাৰায়ণৰ সমাজবাদী দর্শনৰ পর্ব (Phases) সমূহ কি কি?

.....

.....

প্রশ্ন ৬ ঃ জে.পি. নাৰায়ণে ভাৰতীয় সমাজ ব্যৱস্থাৰ পৰিৱর্তনৰ বাবে কি কি পদ্ধতি অৱলম্বন কৰিছিল?

.....

.....

প্রশ্ন ৭ ঃ দলবিহীন গণতন্ত্র কোনে সমর্থন কৰিছিল?

.....

.....



১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আচার্য বিনোভা ভাবে মহাত্মা গান্ধীৰ অন্যতম সত্য আৰু সকলোতকৈ সফল শিষ্য আছিল। বিনোভাজীয়ে বিশ্বাস কৰিছিল যে সর্বোদয়ৰ ধাৰণা ভূদানৰ ধাৰণাৰ সৈতে ওতঃপ্রোতভাৱে জড়িত।
- তেওঁৰ সর্বোদয়া দর্শনৰ আৰু দুটা দিশ হ'ল সম্পত্তি দান বা ভূদান আৰু গ্রামদান। ভাবেৰ মতে সর্বোদয়া মূলতঃ অহিংসাৰ কৌশলটিৰ মাধ্যমত সামাজিক ৰূপান্তৰ নিশ্চিত কৰাত আগ্রহী। সর্বোদয়াৰ মূল বিষয়বস্তু হ'ল সুখৰ উপলব্ধি আৰু সকলোৰে উন্নতি বা কল্যাণ।
- *ভূদান* আন্দোলন হ'ল আচার্য বিনোভা ভাবেৰ স্বেচ্ছাসেৱী ভূমি সংস্কাৰ আন্দোলন। *ভূদান* আন্দোলনৰ মূল লক্ষ্য আছিল জমিদাৰসকলৰ পৰা ভূমি আনি দুখীয়া কৃষকসকলৰ মাজত বিতৰণ কৰা।
- এই আন্দোলনৰ জৰিয়তে, তেওঁ বিকেন্দ্রীকৰণৰ ভিত্তিত সংগতি পৰায়ন পদ্ধতিত অর্থনৈতিক আয়ত্তি আৰু ক্ষমতাৰ বিতৰণ লগতে সুযোগৰ সমতাৰ ভিত্তিত এখন সমাজ প্রতিষ্ঠা কৰিব বিচাৰিছিল। এই কৃষি বিপ্লৱৰ সময়ছোৱাত সম্পূর্ণৰূপে অহিংসা কৌশল গ্রহণ কৰা হৈছিল।
- ভাৰতবর্ষত ভূমি সংস্কাৰ বাস্তবায়িত কৰাৰ ক্ষেত্রত ভাবেৰ নেতৃত্বত গঢ়ি উঠা *গ্রামদান* আছিল অন্য এটি বিপ্লৱ। গ্রামদান আন্দোলন মূলতঃ ভূমিৰ আধিপত্যবাদ ব্যৱস্থাৰ বিলুপ্তিৰ জৰিয়তে ভাৰতবর্ষত ভূমি কর্মসূচীৰ সংস্কাৰ সাধনৰ হকে গ্রহণ কৰা হৈছিল।
- গ্রামদান ধাৰণাৰ মাজেৰে ভাবেয়ে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো পৰিবর্তন বিচাৰিছিল। তাৰোপৰি গ্রামদান ব্যৱস্থাই সমূহীয়া কৃষি আৰু সমতাবাদী পুনৰ বিতৰণৰ ওপৰত জোৰ দিছিল।
- জে. পি. নাৰায়ণৰ সমতাবাদৰ ধাৰণাটি তিনিটা পর্যায়ত বিশ্লেষণ কৰিব পৰা যায়। অর্থাৎ মার্ক্সবাদী সমাজতান্ত্রিক পর্য্যায়, গণতান্ত্রিক সমাজতান্ত্রিক পর্য্যায় আৰু গান্ধীবাদী সমাজতান্ত্রিক পর্য্যায়।
- জে. পি. নাৰায়ণে সমাজত গভীৰভাবে শিপাই থকা কু-সংস্কাৰ আৰু সমস্যাসমূহ দূৰীকৰণৰ বাবে সমগ্র বিপ্লৱৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল।
- নাৰায়ণে পুঁজিবাদৰ লগতে মার্ক্সবাদী দর্শন ভাৰতীয় সমাজ পৰিবর্তন কৰাৰ বাবে ত্যাগ কৰিছিল, কাৰণ তেওঁৰ মতে ভাৰতীয় সমাজৰ প্রকৃতি পশ্চিমীয়া সমাজ ব্যৱস্থাতকৈ বহুত ভিন্ন। এই গতিকে তেওঁ গান্ধীবাদী দর্শনৰ ওপৰত আধাৰিত সর্বোদয়া পক্ষত ঠিয় দিছিল।
- নাৰায়ণৰ মতে সমগ্র বিপ্লৱ সাত প্রকাৰে সম্ভৱ হয় যেনে — সামাজিক, শিক্ষামূলক, ৰাজনৈতিক, অর্থনৈতিক, সাংস্কৃতিক, বৌদ্ধিক আৰু নৈতিক তথা আধ্যাত্মিক।



১৫.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Das, S. (Ed.). (2005). *Jayaprakash Narayan: Centenary Volume*. New Delhi: Mittal Publications.
2. Dandavate, M. (2002). J*ayaprakash Narayan: Struggle with values, A centenary tribute*. New Delhi: Allied Publishers.
3. Sharma, U. & Sharma, S.K. (2001). *Indian political thought*. new Delhi: Atlantic Publishers and Distributors.
4. Singh, Prof. M. P. (2001). *Indian political thought*. Pearson.
5. Sinha, N., (1990). *"Jayaprakash Narayan" in remembering our leaders*. New Delhi: Children's Book Trust.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

১৫.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভূদান আৰু গ্ৰামদান

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভূমি দান।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিত্যক্ত বা অনুপযুক্ত ভূমি আৰু বিবাদমান ভূমি দান।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পূৰ্ণ গাওঁ দান কৰা অৰ্থাৎ গাওঁৰ ব্যক্তিগত সম্পত্তিসমূহ সমূহীয়ালৈ পৰিৱৰ্তন কৰা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) মাৰ্ক্সবাদী সমাজতান্ত্ৰিক পৰ্য্যায়

(খ) গণতান্ত্ৰিক সমাজতান্ত্ৰিক পৰ্য্যায়

আৰু (গ) গান্ধীবাদী সমাজতান্ত্ৰিক পৰ্য্যায়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গান্ধীবাদী শান্তিপূৰ্ণ বিপ্লৱ অথবা সৰ্বোদয়া।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ জয় প্ৰকাশ নাৰায়ণ।



১৫.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ সৰ্বোদয়াৰ আক্ষৰিক অৰ্থ কি?

প্ৰশ্ন ২ ঃ এখন গাওঁক গ্ৰামদান হিচাপে ঘোষণা কৰিব হ'লে কি প্ৰয়োজনীয়তাৰ দৰকাৰ হয়?

প্ৰশ্ন ৩ ঃ জে. পিয় নাৰায়ণে ভাৰতবৰ্ষৰ ক্ষেত্ৰত কিয় সমগ্ৰ বিপ্লৱৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ *ভূদান* আন্দোলনৰ মূখ্য লক্ষ্য আৰু উদ্দেশ্যসমূহ চিহ্নিত কৰক।

প্ৰশ্ন ২ ঃ *গ্ৰামদান* আন্দোলনৰ ওপৰত এটি টোকা লিখক।

প্ৰশ্ন ৩ ঃ সমগ্ৰ বিপ্লৱৰ যিকোনো চাৰিটা দিশ চিহ্নিত কৰক।

প্ৰশ্ন ৪ ঃ জে.পি.নাৰায়ণে কিয় ভাৰতৰ ক্ষেত্ৰত সমাজতন্ত্ৰ গ্ৰহণৰ পৰামৰ্শ দিছিল।

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)


প্ৰশ্ন ১ ঃ সৰ্বোদয়াৰ ওপৰত বিনোভা ভাবেৰ ধাৰণা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বিনোভা ভাবেৰ *ভূদান* আন্দোলন সম্পৰ্কে সমালোচনামূলক বিশ্লেষণ কৰক।

প্ৰশ্ন ৩ ঃ সমগ্ৰ বিপ্লৱৰ ধাৰণাটি পৰীক্ষা কৰক।

প্ৰশ্ন ৪ ঃ জে. পি. নাৰায়ণৰ সমাজবাদৰ ধাৰণাটো বিশ্লেষণ কৰক।

****



প্ৰসঙ্গ পুথি

ইংৰাজী গ্ৰন্থ ঃ

1) Arora, Prem and Grover, Brij. *Selected Western and Indian Political Thinkers*. Cosmos Bookhive Pvt. Ltd.
2) Asirvatham, E. & Mishra, K.K. (1990). *Political Theory*. New Delhi: S.Chand & Company Ltd.
3) B. Vishnoo(1999): *Indian Political Thinkers*. Delhi: Atma Ram and Sons Publications.
4) Dhariwal, U.K. (2008). *Western Political Thought.* New Delhi: Arise Publishers & Distributors.
5) Gogoi, Purandar Prof. (2007). *Degree Political Theory*. Guwahati: Banalata Publication.
6) Gupta, R.C. *Great political thinkers East and West*. Lakshmi Narain Agarwal.
7) Jayapalan, N. (2003): *Indian Political Thinkers*: *Modern Indian Political Thought*; Atlantic Publishers and Distributors, New Delhi.
8) Johari, J.C. (1994). *Traditions of Political Thought*. Bombay: Himalayan Publishing House,
9) Masih, Y. (2006). *A Critical History Western Philosophy (Greek, Medieval and Modern)*. Delhi: Motilal Banarisdass Publishers Private Limited.
10) Mohanty,D.K. (2007). *Indian Political Tradition: From Manu to Ambedkar*. New Delhi:Anmol Publications Pvt. Ltd.
11) Rao, V.V. (1998). *A History of Political Theories*. New Delhi: S. Chand and Company.
12) Rathod, P.B. & Rathod, V. (2006): *Indian Political Thinkers*. New Delhi: Commonwealth Publishers.
13) Robert. P. & Sutch, P. (2005): *An Introduction to Political Thought: A Conceptual Toolkit*. New Delhi: Atlantic Publishers and Distributers.
14) Sharma, R.P. (1984). *Western Political Thought*. New Delhi : Sterling Publications Ltd.
15) Singh, Gyanender (Ed) (2008). *Western Political Thinkers.* New Delhi: Omega Publications.

অসমীয়া গ্ৰন্থ ঃ

১) পাল, কে. চি. আৰু নায়ক, পি. চি. (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।
২) *স্নাতক মহলাৰ বিশিষ্ট্য ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ ইনষ্টিটিউট অৱ মাইক্ৰো ষ্টাডিছ এণ্ড ৰিচার্চ।

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ][ ][ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ					
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে ?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে ?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।